● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com

# দৈনিক অগ্ৰদূত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৭৫তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ৩০ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৫ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 15 July 2022 মূল্য ঃ ৯.০০ টকা

অসম চৰকাৰ
পৰিবহণ বিভাগ



পৰিবহণ খণ্ডত বৃহৎ সকাহ

- ক'ভিড-১৯ৰ সকাহ হিচাপে ফিট্‌নেছ প্ৰমাণপত্ৰৰ বিলম্বিত মাচুল ব্যাপক হাৰত হ্ৰাসকৰণ
- হ্ৰাস কৰা বিলম্বিত মাচুলৰ সৈতে আপোনাৰ বাহনৰ ফিট্‌নেছ প্ৰমাণপত্ৰ নবীকৰণ কৰক
- এককালীন সুবিধাটি গ্ৰহণ কৰক
- বৈধতা মাত্ৰ ৩ মাহৰ

আঁচনিখন আজিৰ পৰা কাৰ্যকৰী হ'ব

বৰ্তমানৰ দৈনিক ৫০ টকাৰ জৰিমনাৰ পৰিৱৰ্তে প্ৰদান কৰক ঃ


৩-চকীয়া বাণিজ্যিক বাহন
দৈনিক ১০ টকা


বাণিজ্যিক ট্ৰেক্টৰ
দৈনিক ১৫ টকা


৪-চকীয়া বাণিজ্যিক বাহন
দৈনিক ২০ টকা


গধুৰ বাণিজ্যিক বাহন/ বাণিজ্যিক বাহন/অন্যান্য
দৈনিক ২৫ টকা

কেনেকৈ আবেদন কৰিব?

- www.parivahan.gov.in অথবা নিকটবৰ্তী CSC (কমন চাৰ্ভিচ চেণ্টাৰ)ত আবেদন কৰক
- বাহনৰ পথ-কৰ পৰিশোধ কৰাৰ লগতে আন সকলো প্ৰাসংগিক নথি-পত্ৰ আপডেট কৰক
- ফিট্‌নেছ পৰীক্ষাৰ বাবে সংশ্লিষ্ট ডিটিঅ'ই নিৰ্ধাৰণ কৰা তাৰিখ আৰু সময়ত আপোনাৰ বাহনখন প্ৰদৰ্শন কৰক

সোনকাল কৰক!

আঁচনিখনৰ বৈধতা মাত্ৰ ৩ মাহৰ বাবেহে

৩ মাহৰ ভিতৰত আবেদন নকৰাসকলে দৈনিক ৫০ টকাকৈ সম্পূৰ্ণ জৰিমনা ভৰিব লাগিব

জনসংযোগ/ডি/৭৫১১/২২

@TransportAssam 9531107518

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

যদি আপুনি মোৰ কাহিনীবোৰ লেতেৰা বুলি অনুভৱ কৰে, তেন্তে আপুনি বাস কৰা সমাজখনেই লেতেৰা। কাহিনীৰ জৰিয়তে মই সত্যক উদঙাই দিওঁ।

চাদাত হাছান মাণ্টো
*পাকিস্তানৰ লেখক*



www.dainikagradoot.in

৭ ৮৮ ভোটৰে ব্ৰিটিছ প্ৰধানমন্ত্ৰীৰ দৌৰত শীৰ্ষত ঋষি
১৫ ৰাজনীতিত যোগৰ ইংগিত গাভাস্কাৰৰ
৪ বলি-বিধান আৰু কোৰবানিৰ ৰাজনীতি



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৭৫তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ৩০ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৫ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 15 July 2022 মূল্য ঃ ৯.০০ টকা

■ 'আত্মনিৰ্ভৰ অসম'ৰ শ্ল'গান ধোঁৱাচাঙত ■ কাৰ অদূৰদৰ্শিতাৰ বাবে মৃত্যুঘণ্টা বাজিছে ১৯৬৭তে প্ৰতিষ্ঠিত উত্তৰ-পূবৰ একমাত্ৰ চৰকাৰী আয়ুৰ্বেদিক ঔষধ প্ৰতিষ্ঠানত? ■ ব্যক্তিগতকৰণৰ কৌশল

# কোম্পানীৰ ঔষধ বেচিছে চৰকাৰী প্ৰতিষ্ঠানে

■ নিজা উৎপাদনৰ পৰিৱৰ্তে চাৰিটা কোম্পানীৰ ৫৮বিধ ঔষধ বিক্ৰীৰ আঁৰৰ উদ্দেশ্য কি?

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ জুলাই ঃ** 'আত্মনিৰ্ভৰ অসম'ৰ শ্ল'গানেৰে চৰকাৰে উৎপাদন বৃদ্ধিত অধিক গুৰুত্ব আৰোপ কৰাৰ সময়তে উৎপাদনক এলাগী কৰি প্ৰতিষ্ঠিত ব্যক্তিগত কোম্পানীৰ ৫৮টাকৈ ঔষধ ক্ৰয় কৰি ১৯৬৭ত প্ৰতিষ্ঠা লাভ কৰা উত্তৰ-পূবৰ একমাত্ৰ চৰকাৰী আয়ুৰ্বেদিক ঔষধ প্ৰতিষ্ঠানে বিক্ৰী কৰা কাৰ্যত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বামুণীমৈদামস্থিত অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগমৰ অধীনস্থ 'অসম আয়ুৰ্বেদিক প্ৰডাক্টছ্' নামৰ



উদ্যোগটোক লোকচানৰ অজুহাত দেখুৱাই বিগত বৰ্ষৰ ন আগষ্টত অনুষ্ঠিত ব'ৰ্ডৰ বৈঠকত বিষয়সূচী ১৭(বি)ত ইয়াক দেশৰ প্ৰতিষ্ঠিত আয়ুৰ্বেদিক প্ৰতিষ্ঠানৰ লগত সংযুক্ত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ইয়াৰ সিদ্ধান্ত গ্ৰহণৰ পাছতে ৰহস্যজনকভাৱে বিগত বৰ্ষৰ ২৫ ছেপ্টেম্বৰত পতঞ্জলিৰ মুখ্য কাৰ্যবাহী বিষয়া আচাৰ্য বালাকৃষ্ণই উদ্যোগটো পৰিদৰ্শন কৰাৰ পাছতে পতঞ্জলিৰ লগত সংযুক্ত হ'ব বুলি চৰ্চা চলিছিল। এই বিষয়ে 'দৈনিক অগ্ৰদূত'ত ১০ পৃষ্ঠাত চাওক

## শ্ৰীলংকাৰ ভৱিষ্যৎ

**দেশ-কাল-সমাজ**
**ড° দীনেশ বৈশ্য**



এই প্ৰবন্ধ লিখি থকাৰ সময়ত আল জাজিৰা টেলিভিছনে বাতৰি প্ৰচাৰ কৰিছে যে বুধবাৰে পুৱা শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষই এখন মিলিটাৰী বিমানত উঠি মালদ্বীপলৈ উৰা মাৰিলে। যোৱা প্ৰায় এটা সপ্তাহত শ্ৰীলংকাত গণ অভ্যুত্থান হ'ল। হেজাৰ হেজাৰ মানুহে ৰাষ্ট্ৰপতি ভৱন দখল কৰিলেগৈ। ইতিমধ্যে পলায়ন কৰা ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ১০ পৃষ্ঠাত চাওক



*নিজে স্কুটী চলাই গৈ ভগ্ন মথাউৰিৰ বুজ ল'লে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই, বৃহস্পতিবাৰে।*

■ অত্যাধুনিক প্ৰযুক্তিৰে মথাউৰি নিৰ্মাণ কৰি সকাহ দিয়াৰ আশ্বাস

## ৰঙিয়াত নিজে স্কুটী চলাই গৈ ছিগা মথাউৰিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ১৪ জুলাই ঃ** ৰঙিয়া আৰু তামুলপুৰ জিলাৰ সীমান্তৰ বগৰীবাৰীত ছিগা মথাউৰিৰ বুজ লোৱাৰ লগতে বান পৰিস্থিতি পৰ্যালোচনাৰ বাবে আজি দুপৰীয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই দাৰ্জিলিঙৰ পৰা পোনে পোনে হেলিকপ্টাৰযোগে ৰঙিয়াত আহি উপস্থিত হয়। ৰঙিয়া সেনা শিবিৰৰ হেলিপেডত অৱতৰণ কৰি গাড়ীৰে ধুলাবাৰী চ'কলৈ যায়। তাৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ স্কুটী চলাই মথাউৰিৰ ছিগা অংশত উপস্থিত হয়। স্কুটীৰ চালকৰ আসনত বহা মুখ্যমন্ত্ৰীৰ লগত কমলপুৰৰ বিধায়ক দিগন্ত কলিতা, আন এখন স্কুটীত ৰাজ্যিক বিজেপিৰ সভাপতি তথা স্থানীয় বিধায়ক ভৱেশ কলিতা, বি টি আৰ প্ৰধান প্ৰমোদ বড়ো আৰু তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীসহ বহু বিশিষ্ট লোক পুঠিমাৰী নৈৰ বগৰীবাৰীৰ ছিগা অংশত উপস্থিত হয়। তাৰ পৰা মুখ্যমন্ত্ৰীয়ে দুৰ্যোগ প্ৰশমন বিভাগৰ নাৱত উঠি মথাউৰি মেৰামতিৰ বুজ লয়। ১০ পৃষ্ঠাত চাওক

চাৰিদিন পূৰ্বে আহিছিল আৰবৰ পৰা

## দেশত প্ৰথম মাংকী প'ক্স আক্ৰান্ত হ'ল কেৰালাত

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৪ জুলাই ঃ** ভাৰতত প্ৰথমবাৰৰ বাবে মাংকী প'ক্স ৰোগী ধৰা পৰিল কেৰালাত। চাৰিদিন পূৰ্বে সংযুক্ত আৰব আমিৰশ্বাহীৰ পৰা উভতি অহা কেৰালাৰ ১০ পৃষ্ঠাত চাওক

■ অভাৱনীয় উষ্ণ প্ৰবাহৰ গ্ৰাসত ৰাজ্য ■ আগন্তুক চাৰিদিনলৈ বাহাল থাকিব প্ৰচণ্ড উত্তাপৰ মাত্ৰা ■ আৰ্দ্ৰতাৰ বাবে উত্তাপতকৈ বহু বেছি অনুভৱ গৰমৰ ■ হিট ষ্ট্ৰোক আদি ৰোগ বৃদ্ধি

## প্ৰতিদিনে ৪৮-৫০ ডিগ্ৰী উষ্ণতাৰ অনুভৱ


**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ জুলাই ঃ** আহাৰৰ শেষত প্ৰচণ্ড উত্তাপে দহিছে সমগ্ৰ ৰাজ্যক। অভাৱনীয় বানপানীৰ পাছত গ্ৰীষ্মপ্ৰবাহে সকলোকে ধোঁৱা-কোঁৱা দেখুৱাইছে। যোৱা তিনিদিন ৰাজ্যৰ ঠায়ে ঠায়ে প্ৰচণ্ড গৰমৰ মাজতে এজাক বৰষুণো দিছে যদিও ই সকাহ দিব পৰা নাই। এনে অৱস্থাৰ মাজতে নিতৌ বিদ্যুতৰ লুকা-ভাকুৰেও সাধাৰণ ৰাইজৰ যন্ত্ৰণা বৃদ্ধি কৰিছে। বিশেষকৈ নিশাৰ ভাগত সঘন লোডশ্বেডিং চলি থকাত যমৰ যাতনা ভুগিছে সৰ্বসাধাৰণে। প্ৰচণ্ড গৰমৰ প্ৰকোপত বহুলোক অসুস্থ হৈ পৰিছে। 'হিট ষ্ট্ৰোক'ত আক্ৰান্তৰ ঘটনাও সংঘটিত হৈছে। তেজপুৰত কালি এজন ছাত্ৰৰ গৰমতে মৃত্যুও ঘটিছে।

ৰাজ্যবাসীৰ উদ্বেগ বৃদ্ধি কৰি বতৰ বিজ্ঞান কেন্দ্ৰই সদৰী কৰিছে যে বৰ্তমান চলি থকা প্ৰচণ্ড উত্তাপ আগন্তুক চাৰিদিনলৈ অব্যাহত থাকিব। তাৰ মাজতে দিনটোৰ ২৪ ঘণ্টাৰ ১০ পৃষ্ঠাত চাওক



২০০৩ৰ গোচৰত ৰায়দানৰ পাছতে গ্ৰেপ্তাৰ

## সংগীত শিল্পী ডালেৰ মেহেন্দীক দুবছৰৰ জেল



...ই ঃ বিপাকত ...ৰী সংগীত ...ন্দী। ২০০৩ত ১০ পৃষ্ঠাত চাওক

## প্ৰাক্তন মন্ত্ৰী ছিদ্দেকৰ ভ্ৰাতৃ কে'বা কোটিৰ হেৰ'ইনসহ ধৃত কৰিমগঞ্জত

**বিশেষ সংবাদদাতা**
**কৰিমগঞ্জ, ১৪ জুলাই ঃ** দক্ষিণ কৰিমগঞ্জৰ বিধায়ক তথা প্ৰাক্তন কংগ্ৰেছ মন্ত্ৰী ছিদ্দেক আহমেদৰ ভ্ৰাতৃক কে'বাকোটি টকা মূল্যৰ হেৰ'ইনসহ গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। এম এল-০৪ বি-৫০৬৫ নম্বৰৰ বলেৰ' বাহনখনত আজি কৰিমগঞ্জ জিলাৰ বাৰইগ্ৰাম পেছাৰপাৰ পথত আৰক্ষীয়ে অভিযান চলায়। আৰক্ষী অধীক্ষক পদ্মনাভ বৰুৱাৰ নেতৃত্বত চলোৱা তালাচীত বাহনখনৰ পৰা পাঁচশ গ্ৰাম সন্দেহজনক ১০ পৃষ্ঠাত চাওক

গোলাঘাট জিলা-সত্ৰ ন্যায়াধীশৰ আদালতৰ নিৰ্দেশ ■ প্ৰতিবাদ-পৰিয়ালক সাক্ষাৎ

## 'ৰাষ্ট্ৰদ্ৰোহ'ৰ কবিতা লিখি কাৰাবন্দী হোৱা বৰ্ষাশ্ৰীক পৰীক্ষাত বহিবলৈ অনুমতি

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**গোলাঘাট/জাঁজী/ডিমৌ, ১৪ জুলাই ঃ** অৱশেষত পৰীক্ষাত বহাৰ অনুমতি পালে বৰ্ষাশ্ৰী বুঢ়াগোহাঁয়ে। গোলাঘাট জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে বৰ্ষাশ্ৰীক পৰীক্ষাত বহাৰ অনুমতি প্ৰদান কৰিছে। উল্লেখ্য যে ছাত্ৰীগৰাকীয়ে পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ অনুমতি বিচাৰি দাখিল কৰা নিজ হাতে লিখা আবেদন মঞ্জুৰ কৰে জিলা আৰু সত্ৰ ন্যায়াধীশ দিব্যজ্যোতি মহন্তই। ৰাষ্ট্ৰদ্ৰোহৰ অভিযোগত গোলাঘাট কাৰাগাৰত বন্দী জীৱন কটোৱা মেধাৱী ছাত্ৰী তথা যোৰহাটৰ দেৱীচৰণ বৰুৱা ছোৱালী মহাবিদ্যালয়ৰ গণিত বিভাগৰ ষষ্ঠ ১০ পৃষ্ঠাত চাওক



## শৰাইঘাটৰ পৰা ব্ৰহ্মপুত্ৰত জঁপিয়াই যুৱকৰ আত্মহত্যা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ জুলাই ঃ** শৰাইঘাট দলঙৰ পৰা দুদিন পূৰ্বে বৰপেটাৰ এজন যুৱকে জনচক্ষুৰ সন্মুখতে ব্ৰহ্মপুত্ৰত জপিয়াই আত্মহত্যা কৰা ঘটনাৰ চাঞ্চল্য মাৰ নৌযাওঁতেই আজি আন এজন যুৱকে একে পন্থাৰে আত্মহত্যা কৰে। আজি এনে পথ গ্ৰহণ কৰা যুৱকজন মহানগৰীৰ বামুণীমৈদামৰ ৰেলৰে কল'নীৰ লংকেশ্বৰ বৰুৱাৰ পুত্ৰ ৰিণ্টু বৰুৱা বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। ব্ৰহ্মপুত্ৰৰ কোৱাল সোঁতত হেৰাই ১০ পৃষ্ঠাত চাওক


■ পদত্যাগক লৈ চৰ্চা ■ এইবাৰ যাব সংযুক্ত আৰব আমিৰশ্বাহীলৈ ■ দেশত সাংবিধানিক সংকটৰ সৃষ্টি ■ কোন হ'ব পৰৱৰ্তী ৰাষ্ট্ৰপতি


## মালদ্বীপৰ পৰা ছিংগাপুৰলৈ পলায়ন শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰাজাপক্ষৰ

■ **নিউজ ব্যুৰ'**
**কলম্বো, ১৪ জুলাই ঃ** শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষই মালদ্বীপৰ পৰা এইবাৰ উৰা মাৰিলে ছিংগাপুৰলৈ। দেশত ক্ষুব্ধ জনতাৰ ৰোষৰ পৰা হাত সাৰিবলৈ বিদেশলৈ পলায়ন কৰা ৰাজাপক্ষই কালি পদত্যাগ কৰাৰ কথা আছিল যদিও আজি দেশৰ সংসদৰ অধ্যক্ষ মাহিন্দা য়াপা আবেয়াৱৰ্ধনে জনোৱা মতে, তেওঁ এই পৰ্যন্ত পদত্যাগ



পত্ৰ লাভ কৰা নাই। কলম্বো ত্যাগ কৰি পলায়ন কৰা ৰাজাপক্ষই আজি ছৌদি এয়াৰলাইন্সৰ বিমান এছভি ৭৮৮ৰে ছিংগাপুৰলৈ ৰাওনা হয়। তাৰ পৰা তেওঁ ছৌদি আৰবৰ বন্দৰ চহৰ জেদ্দালৈ যাব। যোৱা নিশা মালদ্বীপৰ সংবাদ মাধ্যমত বাতৰি প্ৰচাৰিত হৈছিল যে ৰাজধানী মালেৰ পৰা তেওঁ ছিংগাপুৰলৈ ইতিমধ্যে উৰা মাৰিছে। অৱশ্যে আজি পুৱা শ্ৰীলংকাৰ ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৮° | ২৭° |
| ডিব্ৰুগড় | ৩৬° | ২৮° |
| দিল্লী | ৩১° | ২৯° |
| কলকাতা | ৩১° | ২৭° |
| মুম্বাই | ২৮° | ২৬° |
| চেন্নাই | ৩৫° | ২৮° |
| বাংগালুৰু | ২৬° | ১৯° |
| শ্বিলং | ২৬° | ১৯° |

*১৪ জুলাই, ২০২২*

■ বৰ্ষাকালীন অধিবেশনৰ পূৰ্বে নিষিদ্ধ শব্দৰ তালিকা প্ৰকাশক লৈ তীব্ৰ প্ৰতিক্ৰিয়া ■ কোনো শব্দ নিষিদ্ধ কৰা হোৱা নাই ঃ অধ্যক্ষ

## অসংসদীয় শব্দৰ তালিকাত সোমাল অযোগ্য-স্বৈৰাচাৰী-শকুনি-ভণ্ডামিও

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৪ জুলাই ঃ** এইবাৰ সাংসদৰ মুখত লেকাম লগাবলৈ সক্ৰিয় হ'ল নৰেন্দ্ৰ মোদী চৰকাৰ। লোকসভা আৰু ৰাজ্যসভাৰ অধিবেশন চলাকালীন যথেষ্ট সংখ্যক শব্দৰ প্ৰয়োগৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰা বুলি চৰ্চা চলাৰ সময়তে অধ্যক্ষ ওম বিৰলাই আজি ইয়াক নস্যাৎ কৰে। তেওঁ কয় যে উভয় সদনতে



কোনো শব্দ নিষেধ কৰা হোৱা নাই। ইয়াৰ পৰিৱৰ্তে পুৰণি ৰেকৰ্ড খুচৰি কিছুমান শব্দৰ এখন তালিকা প্ৰস্তুত কৰা হৈছে। বিৰলাই কয় যে পূৰ্বতে এনে অসংসদীয় শব্দৰ তালিকা প্ৰকাশ কৰা হৈছিল। সেয়েহে কাগজৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ ইণ্টাৰনেটত এইবোৰ শব্দ তুলি দিয়া হৈছে। কোনো শব্দ নিষিদ্ধ কৰা হোৱা নাই। পূৰ্বতে ব্যৱহাৰ কৰাৰ পাছত ১০ পৃষ্ঠাত চাওক

## ভূমিস্খলনত মৃত আৰু দুই শ্ৰমিকৰ শেষকৃত্য সম্পন্ন

মৰিগাঁৱৰ ১৪জনৰ মৃতদেহ উদ্ধাৰ, দুজন সন্ধানহীন এতিয়াও

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ১৪ জুলাই ঃ** মণিপুৰৰ মাটিৰ তলত উদ্ধাৰ হৈছে মৰিগাঁও জিলাৰ লাহৰীঘাটৰ ইটোৰ পাছত সিটো মৃতদেহ। আজিও দুটি মৃতদেহ পুৱা মৰিগাঁও জিলাৰ লাহৰীঘাটৰ খোৱাগোসাঁইবড়ী গাঁৱলৈ অনাৰ পাছত ৰাইজে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সৎকাৰ কৰে। ১০ পৃষ্ঠাত চাওক

■ উদ্ধাৰত ব্যৰ্থ হ'ল এছডিআৰএফ

## গা ধুবলৈ গৈ কলহী নৈত উটি গ'ল তিনি কিশোৰ



**ছয়গাঁও, ১৪ জুলাই ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ ভেৰভৰীত আজি দিনৰ ১১ বজাত কলহী নৈত গা ধুবলৈ গৈ তিনিজন কিশোৰ সন্ধানহীন হোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলায়। সন্ধানহীন কিশোৰ তিনিজন ক্ৰমে জগদীশ বড়ো, ৰাকেশ বড়ো আৰু বিশ্বজিৎ মণ্ডলৰ ঘৰ বকোৰ টুৰুকপাৰাত। উল্লেখ্য যে বকোৰ পৰা ছয়গাঁৱৰ ভেৰভৰী গাঁৱলৈ হাজিৰাত বাঁহ কাটিবলৈ আহিছিল চাৰিজন কিশোৰ। আৰ্থিকভাৱে ১০ পৃষ্ঠাত চাওক

অসম-মেঘালয় সীমা বিতৰ্কৰ পৰিণতি

## তিনিদিনৰ পাছত স্বগৃহলৈ উভতিল আপাৰ তাৰাবাৰীৰ বাসিন্দা

**অগ্ৰদূত বাৰ্তা**
**বকো, ১৪ জুলাই ঃ** প্ৰাণৰ মমতাত অসম-মেঘালয় সীমান্তৰ বকোৰ আপাৰ তাৰাবাৰীৰ পৰা পলায়ন কৰা নাগৰিকসকল আজি নিজ গৃহলৈ উভতি যায়। জাৰিহাটত আৰছুৰ কাৰ্যালয়ত তিনি নিশা অতিবাহিত কৰাৰ পাছত পৰিস্থিতি নিয়ন্ত্ৰণ হোৱাত স্ব-গৃহলৈ যায় ভুক্তভোগী সীমান্তৰ নাগৰিকসকল। উল্লেখ্য যে কালি ১০ পৃষ্ঠাত চাওক

**চেঙা তেল**




*কি কাণ্ড! হঠাতনো ক'ৰ পৰা এনে কৰ্মসংস্কৃতি আহিল বুলি ভাবোতেই দেখিলো মন্ত্ৰী উপস্থিত!*

ৰাজ্যত ১৩১ মানৰ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ ■ ১১০ শিশুকে ধৰি ২৭৯ ভুক্তভোগীক উদ্ধাৰ

## এবছৰত ১৬১টা মানৱ সৰবৰাহৰ গোচৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ জুলাই ঃ** নাৰীজনিত অপৰাধৰ ক্ষেত্ৰত দেশৰ ভিতৰতে শীৰ্ষ স্থানত থকা অসমত যোৱা এটা বছৰত ১৬১ টা মানৱ সৰবৰাহৰ গোচৰ ৰাজ্যৰ বিভিন্ন আৰক্ষী থানাত পঞ্জীয়ন হৈছে। এই সময়ছোৱাত ১২৩ জন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু সৰবৰাহকাৰীৰ কবলৰ পৰা ১১০টি শিশুকে ধৰি ২৭৯ গৰাকী ভুক্তভোগীক উদ্ধাৰ কৰা হৈছে। আজি অপৰাধ অনুসন্ধান বিভাগ (চিআইডি)ৰ উদ্যোগত উলুবাৰীস্থিত



### অসম আৰক্ষী মুখ্য কাৰ্য্যালয়ত মহিলা-শিশু সুৰক্ষা সম্পৰ্কীয় আলোচনা

অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত মহিলা আৰু শিশু সুৰক্ষা সম্পৰ্কীয় বিভিন্ন বিষয়ৰ এখন আলোচনা সভাত এই তথ্য দাঙি ধৰে অতিৰিক্ত সঞ্চালকপ্ৰধান (চিআইডি) এ ৱাই ভি কৃষ্ণই। উল্লেখ্য যে মহিলা আৰু শিশু সুৰক্ষাৰে জড়িত বিভিন্ন চৰকাৰী বিভাগ, বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা, ১০ পৃষ্ঠাত চাওক

■ ডিব্ৰুগড়-তিনিচুকীয়াত ব্ৰহ্মপুত্ৰৰ খহনীয়া পৰিদৰ্শন মন্ত্ৰী পীযুষৰ

## দিনজানত খহনীয়া ৰোধৰ বাবে ১১০ কোটিটকীয়া প্ৰকল্পৰ কাম শীঘ্ৰে আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**চাবুৱা, ১৪ জুলাই ঃ** ব্ৰহ্মপুত্ৰ আৰু ডিব্ৰু নদীৰ তীব্ৰ খহনীয়াৰ ফলত চাবুৱা ৰাজহ চক্ৰৰ অন্তৰ্গত দিনজান সেনা ছাউনীটোৰ বৃহৎ ভূমি ডিব্ৰু নদীৰ খহনীয়াই নিশ্চিহ্ন কৰাৰ পাছত আজি জল সম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই পৰিদৰ্শন কৰাৰ লগতে খহনীয়া ৰোধৰ বাবে প্ৰকল্প গ্ৰহণৰ কথা ঘোষণা কৰে। ৰাজ্যৰ জল সম্পদ বিভাগক খহনীয়া ৰোধৰ বাবে ভাৰতীয় সেনা বাহিনীয়ে ইতিমধ্যে ১১০ কোটি টকা প্ৰদান কৰাত আগন্তুক ডিচেম্বৰৰ পৰা ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ৩০ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৫ জুলাই ২০২২


## সতৰ্কতা কেতিয়া ?

গ্ৰীণ হাউছ গেছ নিৰ্গমন তথা বায়ু প্ৰদূষণ বৃদ্ধিৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধি পাইছে। বিশেষজ্ঞসকলৰ মতে প্ৰদূষিত বায়ুৱে পৃথিৱী ঢাকি ধৰিছে। প্ৰদূষিত বায়ুৰ বৃদ্ধি স্বাভাৱিক বা প্ৰাকৃতিকভাৱে ঘটা নাই। মানুহৰ কাৰ্যকলাপবোৰৰ বাবেই বৃদ্ধি পাইছে গ্ৰীণ হাউছ গেছ তথা প্ৰদূষিত বায়ু। সেয়ে সমাজৰ প্ৰতিগৰাকী লোকেই প্ৰদূষণৰ বিপদৰ সন্দৰ্ভত সজাগ আৰু সতৰ্ক নহ'লে পৃথিৱীৰ মহাবিনাশ নিশ্চিত। এই মহাবিনাশ কেৱল মানৱ প্ৰজাতিৰ বাবেই নহয়, সকলো প্ৰজাতিৰ জীৱ-জন্তু আৰু আনকি সকলো উদ্ভিদৰ বাবেই মহাবিনাশ নিশ্চিত হৈ পৰিব। গ্ৰীণ হাউছ গেছ তথা প্ৰদূষিত বায়ুৰ বাবে বৰ্তমান গোলকীয় তাপমাত্ৰা দ্ৰুত বৃদ্ধি পাইছে। তাপমাত্ৰা বা গোলকীয় উষ্ণতা এইদৰে বৃদ্ধি পাই থাকিলে এই শতিকাৰ ভিতৰতে পৃথিৱী মহাবিনাশৰ দিশে গতি কৰিব। ৰাষ্ট্ৰসংঘই ইতিমধ্যে জলবায়ু পৰিৱৰ্তন ৰোধৰ বাবে বিশ্ববাসীক তাপমাত্ৰা বৃদ্ধি ৰোধ কৰাত গুৰুত্ব দিবলৈ আহ্বান জনাইছে। সেই অনুসৰি অহা ২০৫০ৰ ভিতৰত নে'ট জিৰ' এমিছন অথবা জিৰ' কাৰ্বন এমিছনৰ লক্ষ্য ধাৰ্য কৰা হৈছে। সেই অনুসৰি অহা ২০৫০ৰ ভিতৰত পৃথিৱীত প্ৰদূষণকাৰী কাৰ্বন গেছৰ বা গ্ৰীণ হাউছ গেছ নিৰ্গমনৰ বৃদ্ধি সম্পূৰ্ণৰূপে বন্ধ হ'ব। ইয়াৰ বাবে সকলো দেশ দায়বদ্ধ; কিন্তু এই ক্ষেত্ৰত উন্নত পশ্চিমীয়া দেশবোৰে সময় মতে প্ৰতিশ্ৰুতি পূৰণ কৰিব বুলি ঘোষণা কৰিছে; কিন্তু ভাৰতকে ধৰি উন্নয়নশীল দেশবোৰে উন্নত পশ্চিমীয়া দেশৰ স'তে একেলগে আগবাঢ়িব নোৱাৰিব বুলি কৈছে। ভাৰতে ২০৭০ৰ সময়সীমা বিচাৰিছে। অৰ্থাৎ ২০৭০ৰ পূৰ্বে ভাৰতে নে'ট জিৰ'ৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব নোৱাৰিব। ভাৰতৰ চুবুৰীয়া চীন দেশেও ২০৬০ৰ ভিতৰতহে নে'ট জিৰ' প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ সক্ষম হ'ব বুলি কৈছে। চীনে ভাৰতত্কৈ ১০ বছৰ পূৰ্বে নে'ট জিৰ'ৰ প্ৰতিশ্ৰুতি পূৰণৰ নিশ্চয়তা দিছে। উল্লেখ্য যে বৰ্তমান চীন দেশ আমেৰিকাৰ পাছতে বিশ্বৰ বৃহত্তম অৰ্থনীতি হিচাপে চিহ্নিত হৈছে। চীনৰ অৰ্থনৈতিক অৱস্থা ইমানেই উন্নত যে আমেৰিকায়ো ইয়াৰ আৰ্থিক সংকটৰ সময়ত চীনৰ অৰ্থসাহায্য অথবা ঋণ ল'বলৈ বাধ্য হৈছিল; কিন্তু বিস্ময়কৰ আৰ্থিক উন্নতি সত্ত্বেও চীনে পৰম্পৰাগত উদ্যোগসমূহ নাইবা পুৰণি প্ৰযুক্তি বাদ দিব পৰা নাই। সেয়ে প্ৰদূষণমুক্ত প্ৰযুক্তি তথা নতুন উদ্যোগৰ বাবে চীনকো সময়ৰ প্ৰয়োজন। অৱশ্যে এই ক্ষেত্ৰত চীনে ভাৰতত্কৈ ১০ বছৰ আগেয়ে নে'ট জিৰ'ৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব বুলি কৈছে। ভাৰতে অৱশ্যে ২০৩০ৰ ভিতৰত সকলো যান-বাহন প্ৰদূষণমুক্ত অৰ্থাৎ বিদ্যুৎচালিত কৰিব বুলি কৈছে। পেট্ৰ'ল-ডিজেলৰ পৰিৱৰ্তে বৈদ্যুতিক বাহন চলোৱাৰ ক্ষেত্ৰত ভাৰতে ইয়াৰ প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ সক্ষম হ'ব; কিন্তু দেশৰ সৰ্বাধিক প্ৰদূষণকাৰী কয়লাভিত্তিক উদ্যোগসমূহ বন্ধ কৰাৰ ক্ষেত্ৰত ভাৰতে অপাৰগতাৰ কাৰণ জনাইছে। ভাৰতৰ ঔদ্যোগিক ক্ষেত্ৰত কয়লাৰ ব্যৱহাৰ সৰ্বাধিক। লাখ লাখ সৰু-বৰ কয়লাভিত্তিক উদ্যোগ বন্ধ কৰাটো ভাৰতৰ বাবে এতিয়াই সম্ভৱ নহয়। ভাৰতে সেয়ে ২০৭০ সময়সীমা বিচাৰিছে। ভাৰত প্ৰদূষণমুক্ত নতুন প্ৰযুক্তিৰ বাবে এতিয়াই সাজু হৈ উঠা নাই। আনহাতে, প্ৰদূষণমুক্ত প্ৰযুক্তি ভিত্তিক উদ্যোগৰ বাবে লাখ লাখ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষিত শ্ৰমিক-কৰ্মচাৰী-অভিযন্তাৰ প্ৰয়োজন হ'ব। ভাৰতত এই নতুন শ্ৰেণীৰ মানৱ সম্পদৰ অভাৱ। নতুন শ্ৰেণীৰ মানৱ সম্পদ গঢ়িবলৈ ভাৰতক অধিক সময়ৰ প্ৰয়োজন। সেয়ে সকলো দিশ তথা সমাস্যাৰ কথা বিবেচনা কৰি ভাৰতে নে'ট জিৰ'ৰ বাবে ২০৭০ক সময় বিচাৰিছে।

ভাৰত উন্নত উদ্যোগ প্ৰধান দেশ নহয় যদিও বৰ্তমান বিশ্বৰ অন্যতম সৰ্বাধিক প্ৰদূষণকাৰীৰ তালিকাত আছে এই দেশ। ভাৰতে সেয়ে উন্নত বৃহৎ অৰ্থনীতিৰ দেশবোৰে অধিক প্ৰদূষণ সৃষ্টি কৰা বুলি কৈয়ে নিজৰ দায়িত্বৰ প্ৰতি অৱহেলা কৰিব নোৱাৰিব। ভাৰতে যে গ্ৰীণ হাউছ গেছ নিৰ্গমন হ্ৰাস বা ৰোধৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা লোৱা নাই, সেইটো নিশ্চয় সকলোৱে দেখিছে। প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ দৰে পৰিষদ কেন্দ্ৰীয় তথা ৰাজ্যবোৰত থকা সত্ত্বেও প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সফলতা কম। অসমতো আনকি একে অৱস্থা। যান-বাহন উদ্যোগ আদিয়ে অবৈধভাৱে ব্যাপক প্ৰদূষণ বৃদ্ধি কৰিছে যদিও সংশ্লিষ্ট বিভাগে ইয়াৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰখা আৰু কঠোৰ ব্যৱস্থা লোৱা দেখা নাযায়। ইতিমধ্যে গুৱাহাটীৰ বায়ু 'অতি বেয়া' পৰ্যায়লৈ অৱনমিত হৈছে। অসমৰ অন্যান্য চহৰ-নগৰো ব্যাপক হাৰত প্ৰদূষিত হৈছে।

# বলি-বিধান আৰু কোৰবানিৰ ৰাজনীতি

## গো-মাতাৰ দৰে কুকুৰক পূজা কৰাৰো ব্যৱস্থা কৰক



দৃষ্টিপাত

ড° খৰ্গেশ্বৰ ভূঞা

প্ৰতিটো ঘটনা বা বিষয়ৰে স্থান-কাল-পাত্ৰ আৰু বাহ্যিক পৰিস্থিতি অনুযায়ী ব্যাখ্যা বেলেগ বেলেগ হ'ব পাৰে। ধৰ্মীয় আৰু প্ৰাচীন কালৰ বিষয়বোৰৰ কথা বাদেই, বৈজ্ঞানিক তত্ত্ববোৰৰ ক্ষেত্ৰত চিৰন্তন সত্য বুলি একো নাই, অৰ্থাৎ প্ৰতিটো বিষয়কে ইচ্ছা কৰিলে বিতৰ্কিত কৰি তুলিবই পাৰি। বৈজ্ঞানিক তত্ত্ববোৰৰ ক্ষেত্ৰত পৰীক্ষা, প্ৰমাণ আদিৰে এইবোৰৰ যথাৰ্থতা বিচাৰ কৰাৰ সুবিধা আছে, আনহাতে, ধৰ্মীয়, পৰম্পৰা, সামাজিক প্ৰচলিত নীতি-নিয়ম আদিৰ ক্ষেত্ৰত সাধাৰণতে প্ৰমাণেৰে যথাৰ্থতা সাব্যস্ত কৰাৰ সুবিধা নাথাকে।

ধৰ্মীয় বিষয়বোৰত একেটাতে খামুচি থকাৰ প্ৰৱণতা যেনেকৈ আছে, বহু ক্ষেত্ৰত ধৰ্মীয় নীতি-নিয়মত পৰিৱৰ্তনৰো বা লাগে। স্থান-কাল-পাত্ৰ অনুসৰি হিন্দু ধৰ্মত এই পৰিৱৰ্তনৰ বতাহ বেছি, সেইবাবে এই ধৰ্মত বিভাগো বেছি আছে। অন্য ধৰ্মৰ তুলনাত হিন্দুৰ পৰিৱৰ্তনশীলতা বেছি বাবে ধৰি ল'ব নালাগে যে এই ধৰ্মৰ সকলো অনুগামী প্ৰগতিশীল আৰু কুসংস্কাৰমুক্ত, বৰঞ্চ ইয়াৰ ওলোটাটোহে বহু পৰিমাণে সত্য। কাৰণ অত্যধিক পৰিৱৰ্তনে অনুগামীসকলক বিভ্ৰান্ত কৰিব পাৰে বা নতুন নিয়ম নজনা বা পুৰণিৰ প্ৰতি অধিক সংবেদনশীল হোৱাটোৱে ইয়াত অৰিহণা যোগাব পাৰে। নিয়মৰ সাল-সলনিকেই বহুলভাৱে 'সংস্কাৰ' বুলিব পাৰি। প্ৰচলিত নিয়ম এটা সমাজৰ বাবে অপকাৰী বা অসুবিধাজনক বুলি অনুভৱ কৰিলে নিয়মটো সময়োপযোগীকৈ সলনি কৰা হয়। ইয়াকে সাধাৰণভাৱে নিয়মৰ সংস্কাৰ বুলিব পাৰি। সময় বাগৰি যোৱাৰ লগে লগে এই নিয়মৰো পুনৰ সংস্কাৰ হ'ব পাৰে, এনে ক্ষেত্ৰত পূৰ্বৰ সংস্কাৰটো কুসংস্কাৰ হৈ পৰে আৰু পুৰণি নিয়মকে খামুচি থকাসকল কুসংস্কাৰী হৈ পৰে। পিছে এটা পুৰণি নিয়মৰ সংস্কাৰ কৰোতে নতুন নিয়ম সকলোৱে গ্ৰহণযোগ্য নহ'বও পাৰে। এনে ক্ষেত্ৰত 'কুসংস্কাৰ'ক লৈও বিতৰ্ক হয়— পুৰণি নিয়ম মনাসকল নতুনৰ বাবে কুসংস্কাৰী আৰু ওলোটাকৈ নতুন সকলো প্ৰাচীনপন্থীৰ বাবে কুসংস্কাৰী হ'ব পাৰে।

তথাকথিত নতুন-পুৰণিৰ সংঘাতৰ ফলাফল প্ৰভাৱ প্ৰদানকাৰী হ'বও পাৰে, নহ'বও পাৰে। আগৰ দিনৰ বিয়াত 'পানী তুলিবলৈ' গৈছিল নদী বা বৃহৎ জলাশয়লৈ। যিবোৰ ঠাইত এনে নদী বা জলাশয় আছে, তাত এতিয়াও আয়তীসকলে নিয়মটো মানি চলে। আনহাতে, য'ত তেনে সুবিধা নাই, তাত দমকল বা টেপৰ পৰা পানী লৈয়েই পৰম্পৰাটো ৰক্ষা কৰে। 'কি দিনকাল আহিল' বা 'ঘোৰ কলিকাল হ'ল' বুলি অতি গোড়াসকলে সমালোচনা কৰিলেও বেছিভাগেই কথাটো মানি লয়। এয়া সমাজৰ বাবে ক্ষতিকাৰকো নহয়।

ইয়াৰ বিপৰীতে বলি-বিধানৰ কথাটো লৈ সমাজত বাৰুকৈয়ে আলোচনা হয়। শাক্তসকলে দেৱীৰ আগত ম'হ, হাঁহ, ছাগলী, পাৰ আদি বলি দিয়া কামটো আধুনিক কালতো চলি আছে। বলি নমনাসকলৰ বাবে বলি দিয়াসকল ঘোৰ অন্ধবিশ্বাসী। উল্লেখ কৰি থ'ব পাৰি যে বলি-বিধানৰ মূল কৰ্মকাণ্ড চতুৰ্বেদৰ অন্যতম যজুৰ্বেদত আছে। ইয়াত ২১ ডাল যূপ (বলি) কাঠত ৩২৭টা বা ততোধিক বিভিন্ন জীৱ বলি দিয়াৰ কথা আছিল। এই জীৱবোৰৰ ভিতৰত বাঘ, সিংহ, হাতী, গঁড়ৰ দৰে বৃহৎ জীৱ যেনেকৈ আছিল, কেঁচু, কুমটি, কুমজেলেকুৱা ধৰণৰ সৰু জীৱও আছিল। হাতীৰ দৰে বৃহৎ জন্তু একে ঘাপতে ডিঙি কটাতো দিগদাৰ, বলিৰ বাবে বাঘ, সিংহ ধৰাটোও অসম্ভৱৰ পৰ্যায়ৰ, সেইদৰে কেঁচু, কুমজেলেকুৱা ধৰণৰ প্ৰাণী বলি দিয়াৰ পাছত ভক্ষণ কৰাটো বিপজ্জনক— এনে ধৰণৰ কাৰণবোৰৰ বাবে বলি দিয়া প্ৰাণীৰ সংখ্যা কমিবলৈ ধৰিলে। এসময়ত সেইবোৰ গৰু, ছাগলীৰ দৰে নিৰীহ পোহনীয়া জন্তুতে সীমাবদ্ধ ৰ'লগৈ। লাহে লাহে গৰুৰ বিশেষকৈ গাইৰ প্ৰয়োজনীয়তাৰ বাবে বাঁজী গাই আৰু দমৰা বা বুঢ়া গৰুহে বলি দিবলৈ ল'লে। এসময়ত গো-হত্যা বন্ধ হৈ জন্তুবিধক 'পূজনীয়'ৰ শাৰীত পেলালেগৈ।

আধুনিক কালত ৰাজনৈতিক মুনাফা লুটিবলৈ গৰুক বিশেষকৈ গো-মাতাক দেৱীৰ শাৰীত (আৰু মতা গৰুক দেৱতা) পেলাই বিজেপিয়ে হৈ-চৈ লগালেও হিন্দু শাস্ত্ৰই গৰুক বিশিষ্ট শাৰীত ৰখা নাই, অৱশ্যে নিৰীহ পোহনীয়া জন্তু হিচাপে গুৰুত্ব আছিল। সমুদ্ৰ মন্থনত উদ্ভুত কামধেনু বা সুৰভিৰ পৰা মানুহে যি বিচাৰে তাকে পাই বুলি দেখুওৱা হৈছে। গাইজনীক ব্ৰাহ্মণে দেৱতা-অসুৰক খুজি লৈ আহিছিল। পাছত পৰশুৰামৰ পিতৃ জমদগ্নিক হৈহয় ৰজা কাৰ্তবীৰ্যাৰ্জুনে গাইজনী খোজাত ঋষিয়ে নিদিলে। ৰজাই তাৰ বাবে ঋষিক কাটিলে। তেতিয়া খঙতে পৰশুৰামে ২১ বাৰ পৃথিৱী (অৰ্থাৎ উত্তৰ ভাৰত) প্ৰদক্ষিণ কৰি ক্ষত্ৰিয় সংহাৰ কৰিছিল। গাভী মাতা সুৰভিৰ স্থান স্বৰ্গত হৈছিল— এদিন সুৰভিয়ে স্বৰ্গদ্বাৰত বহি কান্দি থাকোতেই ইন্দ্ৰই ইয়াৰ কাৰণ সুধিলে। সুৰভিয়ে পৃথিৱীৰ এটা হাঁড়-ছাল লগা গৰুক দেখুৱাই তাৰ দুৰ্দশা দেখি কন্দা বুলিলে। কাহিনীটোৰ তাৎপৰ্য বেলেগ বাবে সেই ব্যাখ্যালৈ নগৈ গৰুৰ প্ৰসংগতহে কথাটো উল্লেখ কৰা হৈছে। শিৱৰ বাহন নন্দী এটা ষাঁড় আৰু ই জ্ঞানৰো প্ৰতীক। এনে ধৰণে গৰুৰ প্ৰসংগ হিন্দু শাস্ত্ৰত থাকিলেও পূজা কৰিব লগাকৈ বিশেষ গুৰুত্ব প্ৰাণীবিধৰ নাই বুলিলেও অত্যুক্তি কৰা নহয়। একে ধৰণৰ বা কিছু বেছিহে গুৰুত্ব থকা আন এবিধ প্ৰাণী হ'ল কুকুৰ। মাইকী কুকুৰ সৰমাক আনকি ঋকবেদেও বিশেষ গুৰুত্ব দিছে।

সেইদৰে বিশাল মহাকাব্য মহাভাৰতে কাহিনী আৰম্ভ কৰিছে কুকুৰেৰে আৰু সমাপ্তও কৰিছে কুকুৰেৰে, যুধিষ্ঠিৰৰ মহাপ্ৰস্থানৰ শেষ সংগী আছিল কুকুৰ। একে শৰীৰ যেন চাৰি ভ্ৰাতৃয়ে শেষ সময়ত যুধিষ্ঠিৰৰ লগ এৰিলেও কুকুৰটোৱে এৰা নাছিল। শাস্ত্ৰত থকা কুকুৰৰ কাহিনীবোৰ উল্লেখ কৰি বিজেপিক অনুৰোধ কৰিবলৈ মন যায়— গো-মাতাৰ দৰে কুকুৰক পূজা কৰাৰো ব্যৱস্থা কৰক। আমাৰ মহাপুৰুষেও ভাগৱতৰ ভাষ্য অনুবাদ কৰি কৈছে— 'কুকুৰ শৃগাল গৰ্দভৰো আত্মা ৰাম/ জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।'

স্থান-কাল-পাত্ৰৰ বিবেচনাৰে ঘটনাৰ বৈচিত্ৰ্য বিচাৰ কৰোতে বলি বিধানৰ প্ৰসংগ আহি পৰিল। হিন্দুৰ বলিৰ লগত তাৎপৰ্য একে হওক-নহওক, কাৰ্যৰ ক্ষেত্ৰত সাদৃশ্য থকা ইছলামৰ তেনে এবিধ ধৰ্মীয় ৰীতি হ'ল কোৰবানি। ১২-১৩শ বছৰ ধৰি ইছলামধৰ্মীসকলৰ মাজত চলি অহা এই প্ৰথা হঠাতেই অসমত বৰকৈ চৰ্চাৰ বিষয় হৈ পৰিছিল এইবাৰ ঈদৰ সময়ত। আলোচনাবোৰত সপক্ষে- বিপক্ষে অনেক যুক্তিয়েই আছে আৰু আধুনিক কালৰ ডিজিটেল মাধ্যমৰ কৃপাত এইবোৰ ব্যৱহাৰ কৰাসকলৰ মাজত বিষয়টোৱে যথেষ্ট গুৰুত্ব পাইছে। এইবোৰত অৱশ্যে ইছলাম ধৰ্ম ৰক্ষা কৰা বা বিৰোধিতাৰ কথাবোৰতকৈ ৰাজনৈতিক ৰহণেৰে অধিক গুৰুত্ব পাইছে। ধৰ্মনিৰপেক্ষ ভাৰতত যিমানেই ঢোল নবজাওক, ভাৰতীয় গণতন্ত্ৰত ৰাজনীতি আৰু ধৰ্মৰ সনা-পোতোকা স্বাধীনতাৰ আগৰে পৰাই চলি আহিছে আৰু ভৱিষ্যতলৈও চলিব। বিজেপি চৰকাৰৰ দিনত সনা-পোতোকাৰ প্ৰকোপ অৱশ্যেই বাঢ়িছে। ভাৰতৰ বিভিন্ন অংশত বিশেষকৈ উত্তৰ আৰু পশ্চিম ভাৰতত হিন্দুত্বৰ ৰাজনীতিয়ে বাৰুকৈয়ে সফলতাৰ মুখ দেখাৰ পাছত ইয়াৰ বীজ অসমলৈও বিস্তাৰিত হ'ল আৰু এতিয়া ইয়াৰ জয়জয় ময়ময় অৱস্থা চলিছে। ভাৰতৰ লগতে অসমতো জীৱন-ধাৰণৰ সমস্যাই উগ্ৰৰূপ ধাৰণ কৰিছে। কৰ'না মহামাৰীৰ পাছত দেশে কিছু গা টঙাইছিলহে, তেনেতেই অসমত হ'লগৈ প্ৰলয়ংকৰী বানপানী। মানুহৰ দুখ-দুৰ্গতিয়ে এতিয়া সীমা চেৰাই গৈছে। এনে সময়ত বাস্তৱ সমস্যাবোৰৰ সমাধানত অক্ষম অসম চৰকাৰে এইবোৰ পাহৰাবলৈ 'আফিং স্বৰূপ ধৰ্মক' ব্যৱহাৰ কৰাত আচৰিত হ'ব লগা নাই।

হিন্দুসকলৰ এটা বৃহৎ অংশই ভাবে যে ঈশ্বৰে যিহেতু জন্ম দিছে, খোৱা-থকাৰো ব্যৱস্থা কৰিবই। একেদৰে ইছলামধৰ্মীৰো এটা বৃহৎ অংশই ভাবে যে আল্লাই জন্ম দিছে পালনৰো ব্যৱস্থা কৰিব। এইসকলৰ বাবে ঈশ্বৰ-আল্লা সম্পৰ্কীয় ধৰ্মীয় ৰীতি-নীতিবোৰ মানি চলাটো অপৰিহাৰ্য। এনে লোকৰ বাবে প্ৰাচীন কালতে ধৰ্মশাস্ত্ৰই যি কৈ গৈছিল সেয়াই শিলৰ ৰেখা। হিন্দুসকলৰ এটা ক্ষুদ্ৰ অংশহে শাক্তধৰ্মী আৰু সেইবাবে বলি-বিধানত কম সংখ্যক হিন্দুৱেহে বিশ্বাস ৰাখে। ইয়াৰ বিপৰীতে ইছলাম ধৰ্মৰ সকলোৱেই কোৰবানি ব্যৱস্থা মানে। ইছলামৰে অৱশ্যে শিক্ষিত এচামে ব্যাখ্যা কৰে যে কোৰবানি পশুৰ নহয়, নিজৰ অনিষ্টকাৰী ৰিপুসমূহকহে বলিৰ ৰূপত ত্যাগ কৰিব লাগে। তথাপি গোড়া মুছলমানে কোৰবানি নকৰাৰ কথা নাভাবে।

জীৱহত্যা মহাপাপ হয় নে নহয়, মুছলমানে কোৰবানি ত্যাগ কৰাৰ লগে লগে হিন্দুৱেও বলি নিদিয়া হ'ব নেকি, কোৰবানি নকৰিলেই আল্লাই কিয়ামতৰ দিনত শাস্তি দিব নেকি, গৰু মাংস নাখালে ইছলামধৰ্মী নহ'ব নেকি— এনে ধৰণে এসোপা বিষয় লৈ বিতৰ্ক কৰি থাকিবই পাৰি। এনে বিতৰ্কত স্থান-কাল-পাত্ৰ আৰু পৰিৱেশৰ কথাও নিশ্চয় আহিব। প্ৰকৃততে এইবোৰ কথালৈ সাধাৰণ ৰাইজে বৰকৈ নাভাবে; পিছে ৰাজ্যখনত সাম্প্ৰতিক শোচনীয় পৰিস্থিতি চম্ভালিব নোৱাৰি মুখ্যমন্ত্ৰীজনাই যেনেকৈ দায়সৰা মন্তব্য দি ৰাইজৰ মন অন্যফালে ঢাল খুৱাই নিব বিচাৰিছে, তেনেকৈ এ আই ইউ ডি এফ প্ৰধান বদৰুদ্দিন আজমলেও ঈদত কোৰবানি কৰিব নালাগে বুলি কৈ বিষয়টোত সাৰ-পানী দিছে। দেখাত বিজেপি বিৰোধী স্থিতি লৈ থকা আজমলে ৰাষ্ট্ৰপতি নিৰ্বাচনত বিজেপি নেতৃত্বৰ এন ডি এৰ প্ৰাৰ্থীক মুকলি সমৰ্থন জনাবলৈ যোৱাৰ স্বাৰ্থত হঠাতেই হিন্দুপ্ৰেমী হৈ উঠিছে। এ আই ইউ ডি এফৰ সমৰ্থক সকলো বিভ্ৰান্ত হৈছে। নৈষ্ঠিক মুছলমানে ভাবিছে যে কোৰবানি হৈছে ইছলাম ধৰ্মৰ অবিচ্ছেদ্য অংগ, ঈদত নিজৰ আটাইতকৈ মৰমৰ প্ৰাণী বলি দিব লাগে— সেই বলি গৰু হ'বই লাগিব বুলি অৱশ্যেই কথা নাই। আজমল হৈছে এজন মৌলানা— অৰ্থাৎ এওঁ ইছলামৰ কোৰান-হাদিছ আধাৰিত সকলোবোৰ কথা জানে। গতিকে তেওঁ কোৰবানি বাদ দিবলৈ কোৱা কথাটোও চাগে ইছলাম ধৰ্ম আধাৰিত। তেনে ক্ষেত্ৰত ইমানদিনৰ পাছতহে কোৰবানিৰ যথাৰ্থতাৰ কথা তেওঁৰ মনত পৰিল কিয়? এই ধনকুবেৰজনৰ নাম সাধাৰণ অসমীয়াই আগতে বৰকৈ শুনা নাছিল যদিও ২০০৬ত হঠাতেই ৰাজনৈতিক মঞ্চত তেওঁ আৱিৰ্ভূত হৈ যথেষ্ট সংখ্যক বিধানসভাৰ আসন দখলেৰে প্ৰভাৱশালী ব্যক্তি হৈ পৰিছিল। মাজে মাজে গুণেশ্বৰ দাস, ডাঃ আদিত্য লাংথাছা, ফণী তালুকদাৰ (ক্ষণস্থায়ী) আদি অমুছলমানক টিকট দি এ আই ইউ ডি এফক ধৰ্মনিৰপেক্ষ দল হিচাপে প্ৰতিপন্ন কৰিব বিচাৰিলেও দলটো মূলতঃ ইছলামধৰ্মীৰ বিশেষকৈ বাংলাদেশীমূলৰ মুছলমানৰ দল বুলি প্ৰায়সকলেই ভাবে। ইয়াৰ লগতে আজমলে দলটোৰ নামৰ আগত 'অল ইণ্ডিয়া' লগাই দিলেও অসমৰ বাদে অন্য ৰাজ্যত ইয়াৰ অস্তিত্ব নাই।

সি যি কি নহওক, কোৰবানি অপৰিহাৰ্য হয় নে নহয়, কোৰবানিত গৰু নিদি অন্য জন্তু বলি দিয়াটো বেছি প্ৰগতিশীলতাৰ চিনাকি নেকি, আজমলৰ দৰে একেধাৰে ধৰ্মীয় আৰু ৰাজনৈতিক নেতাৰ বাণীও কোৰানৰ দৰেই শিলৰ ৰেখা নেকি? এনেবোৰ প্ৰশ্নৰে তোলপাৰ লগাবই পাৰি; পিছে সকলোৱে সহজতে চকুত পৰা কথাটো হ'ল আজমলে নিজৰ ব্যৱসায়িক স্বাৰ্থত ৰাজনীতি আৰু ধৰ্মক সুন্দৰভাৱে ব্যৱহাৰ কৰিছে। ২০২১ৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ আৰু আন কে'বাটাও দলৰ লগত জোঁট বন্ধা আজমলৰ দলে যেতিয়া বুজিলে যে বিৰোধী পক্ষত থাকিলে তেওঁৰ ব্যৱসায়ৰ দাইল নগলে, তেতিয়া ক্ষমতাসীন দলত শৰণ ল'বলৈ সকলো প্ৰয়াস কৰিলে। অৱশ্যে পূৰ্বতেও দেখা গৈছিল যে তৰুণ গগৈৰ সবল স্থিতিৰ বাবে অসমত কংগ্ৰেছৰ লগত আজমলে সনা-পোতোকা কৰিব নোৱাৰি বিৰোধীৰ ভাও ল'লেও কেন্দ্ৰত কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এৰ সমৰ্থক আছিল আজমলৰ দল। ইয়াৰ যোগেদি তেওঁৰ ব্যৱসায়িক স্বাৰ্থ সুৰক্ষিত হৈছিল।

বিজেপি নেতৃত্বৰ মৰ্চা চৰকাৰে অসমত পুনৰ ক্ষমতা পোৱা দেখি আজমলে দেখুৱাই নহ'লেও ভিতৰি বিজেপিৰ বন্ধু হ'ল। বি পি এফে মুক্তভাৱে লুটি-বাগৰ মাৰি বিজেপিলৈ গ'লেও সমৰ্থক বড়োসকলৰ পৰা বিপদ নাই; কিন্তু আজমলে তেনে কৰিবলৈ গ'লে মুছলমান সমাজে কথাটো সহজভাৱে নল'বও পাৰে। সেয়েহে ৰাজ্যসভাত চৰকাৰী প্ৰাৰ্থীক গোপনে সহায় কৰাৰ কামবোৰ কৰি গ'ল নিজৰ সুবিধা হোৱাকৈ। পিছে হিন্দুত্ববাদী বিজেপিৰ অন্যতম কাণ্ডাৰী ড° হিমন্ত বিশ্ব শৰ্মাক এইখিনিৰে সন্তুষ্ট কৰিব নোৱাৰি বুলি ভাবি আজমলে মন্দিৰত সেৱা ল'লে, কোৰবানিৰ গুৰুত্ব কমালে আৰু শেষত তেওঁৰ পূৰ্বপুৰুষসকল হিন্দু আছিল বুলি কৈ পৰোক্ষভাৱে বিজেপি বন্দনাৰ চৰম নিদৰ্শন দাঙি ধৰিলে। এইজন নেতাক এতিয়া অসমৰ মুখ্যমন্ত্ৰী পতাৰ বাটো চাগে মুকলি হ'ল। অসমে হিমন্তৰ উপযুক্ত উত্তৰসুৰি এজন যেন বিচাৰি পালে।

এইবোৰ ব্যাখ্যাৰ স্থান-কাল-পাত্ৰ ভেদে পাৰ্থক্য আহিব পাৰে। ছল চাই কঠীয়া পাৰিব জনা এজন ধনকুবেৰ ৰাজনীতিজ্ঞক অসমে লাভ কৰিলে— তাকো তেনে এজনে শাসন কৰি থকা কালতেই। গতিকে বানপানী, মূল্যবৃদ্ধি আদিয়ে ৰাইজক কোঙা কৰি পেলালেও কথা নাই।




আজমলে নিজৰ ব্যৱসায়িক স্বাৰ্থত ৰাজনীতি আৰু ধৰ্মক সুন্দৰভাৱে ব্যৱহাৰ কৰিছে। ২০২১ৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ আৰু আন কে'বাটাও দলৰ লগত জোঁট বন্ধা আজমলৰ দলে যেতিয়া বুজিলে যে বিৰোধী পক্ষত থাকিলে তেওঁৰ ব্যৱসায়ৰ দাইল নগলে, তেতিয়া ক্ষমতাসীন দলত শৰণ ল'বলৈ সকলো প্ৰয়াস কৰিলে

ফোন ঃ ৮১৩৫৮৩৫২১৯

## খোলা মঞ্চ

### অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



**গণতন্ত্ৰৰ** চতুৰ্থ স্তম্ভৰূপে বাতৰি কাকতৰ মূল্যমান অতি সৰ্বশ্ৰেষ্ঠ। এনে সৰ্বশ্ৰেষ্ঠতাৰ সঠিক বাৰ্তাবাহকৰূপে (তিনিদিনীয়া, দৈনিক) 'অগ্ৰদূত' কাকতৰ অৰিহণা অনন্য। কেৱল একাত্মক ব্যক্তিত্বৰে সংপৃক্ত 'অগ্ৰদূত' অসমীয়া সাহিত্যৰ সংবাদ পত্ৰৰ পথাৰখনত 'স্বমহিমা' ৰূপত আজি অৰ্ধ-শতাব্দী অতিক্ৰম কৰি গৌৰৱোজ্জ্বল ইতিহাস ৰচনা কৰি সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিবলৈ সক্ষম হৈছে। ৫০ বছৰীয়া সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰি 'অগ্ৰদূত' কাকত পৰিয়ালে অসমৰ সংবাদ পত্ৰৰ ইতিহাসত অন্য এক ইতিহাস ৰচনা কৰি সংবাদ জগতত এক জাগ্ৰত প্ৰহৰী আৰু এক মাইলৰ স্তম্ভ হৈ ৰ'ব আৰু 'অগ্ৰদূত' হৈয়ে থাকিব অসমীয়া জাতিৰ।

১৯৭১ৰ ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহত সম্পাদক কনকসেন ডেকাৰ বলিষ্ঠ সম্পাদনাত প্ৰকাশ পোৱা 'অগ্ৰদূত' কাকতখন যথাৰ্থতেই অসমৰ সংবাদ জগতৰ আৰু অসমীয়া জাতিৰ 'অগ্ৰদূত' কাকতখনে এক বিশিষ্ট ভূমিকা পালন কৰি আহিছে। দৰাচলতে 'অগ্ৰদূত'-এ জাতিৰ অগ্ৰদূত আৰু 'অগ্ৰদূত'ৰ সম্পাদক কনকসেন ডেকা এগৰাকী জাতিৰ কাণ্ডাৰী বুলি অভিহিত কৰিব পাৰি। সুদীৰ্ঘ পাঁচটা দশক অতিক্ৰমী অসমৰ জাতীয় জীৱনত, অসমৰ সমাজ জীৱনত, সাহিত্য-সংস্কৃতি-ভাষাৰ এক জটিল সন্ধিক্ষণত অসমৰ সংবাদ জগতৰ কাণ্ডাৰী কনকসেন ডেকাই এক সুস্থ দায়িত্বশীল ভূমিকা পালন কৰি অসমৰ জনগণক এক সুস্থ আৰু সঠিক পথৰ সন্ধান দিবলৈ যত্ন কৰি আহিছে। 'অগ্ৰদূত' কাকতৰ সম্পাদকীয় প্ৰবন্ধসমূহত প্ৰকাশ পাই আহিছে অসমৰ সমাজ জীৱনৰ জটিল সময়ৰ পৰিস্থিতি আৰু পৰিৱেশৰ নিৰ্মোহ বিশ্লেষণ, অসমীয়া জাতি গঠন সম্পৰ্কে বাস্তৱসন্মত চিন্তা-চেতনা, বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ৰ বাৰ্তা, বিদেশী নাগৰিক সমস্যাৰ অৰ্থবহ বিশ্লেষণ আৰু চিন্তা-চৰ্চাৰ লগতে কাকতখনত অন্যান্য চিন্তাশীল লেখকসকলৰ বাস্তৱসন্মত তথ্যপূৰ্ণ লেখাসমূহ প্ৰকাশ কৰি অসমৰ জটিল সমস্যাসমূহৰ বিচাৰ-বিশ্লেষণ কৰি সেইবিলাকৰ নিৰাময়ৰ বাবে পৰামৰ্শও দি আহিছে।

মীনা তালুকদাৰ, *লেখিকা*

অসমৰ সংবাদ পত্ৰ জগতৰ অতন্দ্ৰ প্ৰহৰী, জাতিৰ 'অগ্ৰদূত' এই শক্তিশালী কাকতখনে ৫০ বছৰৰ দেওনা পাৰ কৰিলে।

'অগ্ৰদূত' কাকতৰ সম্পাদক কনকসেন ডেকা এগৰাকী সু-সাহিত্যিক নিৰ্ভীক সাংবাদিক, অসমৰ আগশাৰীৰ এজন সচেতন চিন্তাশীল ব্যক্তি। অসমৰ বৌদ্ধিক সমাজক গতিশীল আৰু সবল নেতৃত্ব দিব পৰা এজন বিপ্লৱী চিন্তা-চেতনাৰ অধিকাৰী কনকসেন ডেকা নিজেই এটা অনুষ্ঠানসদৃশ। সম্পাদকগৰাকীৰ একক প্ৰচেষ্টা, কঠোৰ পৰিশ্ৰম তথা তেওঁৰ পৰিয়ালবৰ্গৰ লগতে কাকতখনৰ কৰ্মচাৰীসকলৰো ঐকান্তিক চেষ্টাৰ শুভ লগনত পদাৰ্পণ কৰিলেহি। শৈশৱ-কৈশোৰ হৃদয়ত তীব্ৰ অনুভূতিৰ জোৱাৰ তোলা 'অগ্ৰদূত'খন ২০১৭ৰ পৰা একেধাৰে মুকলি মঞ্চত আৰু লগতে কবিতা, প্ৰবন্ধ লিখাৰ সুযোগ পাইছো। সেয়ে 'অগ্ৰদূত'ৰ পৰিয়াল ধন্যবাদৰ পাত্ৰ।

নিজৰ লেখা যেতিয়া ছপা আখৰত প্ৰকাশ পায়, তেতিয়া মনত আনন্দ লাগে। কাৰণ ছপা আখৰৰ মাহাত্ম্য সুকীয়া আৰু অনন্য। ইন্টাৰনেট, ম'বাইলত তথ্য পোৱা যায়; কিন্তু ছপা আখৰত কিতাপৰ আকাৰত পঢ়াৰ যিটো ৰোমাঞ্চ আৰু আনন্দ ম'বাইল ফোন, ইন্টাৰনেটে দিব নোৱাৰে।

দৃষ্টিভংগীৰ সমদৰ্শিতা, সততা, নিষ্ঠা তথা সত্যনিষ্ঠ যৌক্তিক আবেদনেৰে পূৰ্ণ সংবাদ 'অগ্ৰদূত' কাকতৰ মহত্তম বৈশিষ্ট্য। শব্দৰ সাধক, লেখক-লেখিকাৰ জীৱনজোৰা সাধনাৰ এক নিৰৱচ্ছিন্ন অভিযোজন হ'ল 'অগ্ৰদূত'। অৰ্ধ-শতাব্দী অতিক্ৰম কৰা আমাৰ হৃদয় 'অগ্ৰদূত' কাকতখনে এই পৱিত্ৰ ক্ষণত পূৰ্ণতা প্ৰাপ্তিৰ মুহূৰ্তলৈ নিত্য নতুন উদ্যম বুকুত লৈ আগবাঢ়ি যাওক।

ফোন ঃ ৮০১১৩৩১০২৫

## শিল্পী-সাহিত্যিকৰ পেঞ্চন আৰু জনজাতীয় লেখক



গোপাল জালান

**জাতি**-জনজাতীয় লেখক তথা শিল্পীসকলে নীৰৱে সৃষ্টিশীল কামত নিয়োজিত হৈ আছে। অসমৰ ভাষা-সংস্কৃতিলৈ এইসকল সাহিত্যিক-শিল্পীয়ে বহুতো অৱদান আগবঢ়াইছে। তেওঁলোকে একো একোটা অঞ্চলৰ ভাষা-সাহিত্য তথা সংস্কৃতিক শুদ্ধ আৰু প্ৰায়োগিক দিশত শক্তিশালী কৰাত সহায় কৰি আহিছে। সাহিত্য সৃষ্টিৰ লগতে সংস্কৃতিক ধৰি ৰাখিছে। তাৰ বাবে তেওঁলোকে কেতিয়াও কাৰো পৰা একো বিচৰা নাই। কেৱল সৃষ্টিশীল কামত মনোনিৱেশ কৰিছে। এনে ধৰণৰ শিল্পী-সাহিত্যিক কালৰ সোঁতত নিঃশেষ হৈ যায়। ইয়াৰ খবৰ পিছে কোনোৱেই নাপায়। এনে ধৰণৰ লোকে যদি শিল্পী-সাহিত্যিক পেঞ্চনৰ বাবে আবেদনো জনায় তেতিয়া তালিকাত অন্তৰ্ভুক্ত হোৱাৰ আশাও ক্ষীণ থাকে। দৰাচলতে তেওঁলোকে যেতিয়া আবেদন কৰে, তেতিয়া যিসকল বিষয়াই এইবোৰ পৰীক্ষা কৰে তেতিয়া হয়তো চিনি নোপোৱা বাবেই তালিকাৰ পৰা বাদ পৰি যায়। সাধাৰণতে যিসকল বিষয়াই বা কমিটীয়ে প্ৰাৰম্ভিক পৰ্যায়ত এইবোৰ আবেদন পৰীক্ষা কৰে তেওঁলোকে জনজাতীয় লেখক, সাহিত্যিক তথা শিল্পীসকলক চিনি নাপায়। তদুপৰি তেওঁলোকৰ অৱদান সম্পৰ্কেও জ্ঞাত নহয়। এয়া বিষয়া বা বাছনি কমিটীৰ দোষ নহয়, লেখক-সাহিত্যিক, শিল্পীসকলৰ প্ৰচাৰ বিমুখতাহে মুখ্য কাৰণ। সাহিত্য-সংস্কৃতি আদি প্ৰচাৰো সমানেই হ'ব লাগিব। কাৰণ যিকোনো সৃষ্টিয়ে তেতিয়াহে পূৰ্ণতা লাভ কৰিব পাৰে যেতিয়া এইবোৰক সঠিকভাৱে উপস্থাপন কৰা হয়।

শিল্পী-সাহিত্যিকসকলক সাধাৰণতে সকলোৱে চিনি পায়। অৱশ্যে শিল্পী পেঞ্চন বা সাহিত্যিক পেঞ্চন আদি লাভ কৰিবলৈ হ'লে এক নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেদি যাব লাগিব। এই প্ৰক্ৰিয়া যেতিয়ালৈকে সৰলীকৰণ নহয়, তেতিয়ালৈকে এনে ধৰণৰ লোকসকল সদায় বঞ্চিত হৈয়ে থাকিব। সেইবাবে এনে শিল্পী-সাহিত্যিকক চিনাক্ত কৰিবলৈ হ'লে স্থানীয় পৰ্যায়ত বাছনি প্ৰক্ৰিয়া আৰম্ভ হোৱা উচিত। সেইবাবে গুৱাহাটীস্থিত সাংস্কৃতিক সঞ্চালকালয় তথা সাহিত্যিক বাছনি প্ৰক্ৰিয়া আৰম্ভ হোৱা স্থান গুৱাহাটীৰ পৰিৱৰ্তে যদি প্ৰতিখন জিলাতেই ইয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ একোটা নিৰ্দিষ্ট কাৰ্যালয় স্থাপন কৰা হয় তেতিয়াহ'লে সুফল পোৱা যাব। তদুপৰি স্থানীয়ভাৱে এনে ধৰণৰ কাৰ্যালয় স্থাপন কৰিলে একেবাৰে ভিতৰুৱা গাঁৱৰ লোকসকলেও সুবিধা লাভ কৰিবলৈ সক্ষম হ'ব। সকলোৱে জিলা পৰ্যায়ত স্থাপন কৰা এনে ধৰণৰ কাৰ্যালয়ত উপস্থিত হ'বলৈ বেছি সময়ৰ প্ৰয়োজন নহ'ব। তদুপৰি মহানগৰীৰ আওভাও নজনা লোকসকলে গুৱাহাটীলৈ আহিবলৈ শংকা কৰিয়েই প্ৰ-পত্ৰ জমা নিদিয়াৰ ঘটনাও সংঘটিত হয়। কাৰণ সহজে স্থানীয়ভাৱে উপলব্ধ হোৱা এনে ব্যৱস্থাই তেওঁলোকক আকৰ্ষিত কৰিব পাৰিব। এইখিনিতে উল্লেখ কৰিব লাগিব যে স্থানীয় লোকসকলে নিজৰ নিজৰ অঞ্চলত থকা লোক-সংস্কৃতিৰ স'তে জড়িত শিল্পীৰ উপৰি সাহিত্যিকসকলক ভালদৰে চিনি পায়। যিহেতু শিল্পী পেঞ্চন, সাহিত্যিক পেঞ্চন আদি এনে ধৰণৰ লোকৰ বাবে বেছি প্ৰয়োজন সেয়েহে এইক্ষেত্ৰত নতুন চিন্তা-ভাৱনাৰ প্ৰয়োজন হৈছে।

যেতিয়া বছৰেকত শিল্পী-সাহিত্যিকৰ পেঞ্চনৰ তালিকা দেখা যায় তাত সাধাৰণতে জনজাতীয়, জনগোষ্ঠীয় সাহিত্যিক-শিল্পীৰ নাম কমহে দেখা যায়। এনে লোকৰ নাম কিয় বাদ পৰি যায় সেই বিষয়ে চিন্তা-চৰ্চা নকৰিলে তেওঁলোক সদায় বঞ্চিত হৈয়ে থাকিব। আগৰ ধাৰণাবোৰ আমি সলনি কৰিবই লাগিব। দৰাচলতে আগতে যিবোৰ পদ্ধতি ব্যৱহাৰ কৰা হৈছিল সেইবোৰত বহুতো সুৰুঙা আছিল। আনকি কেতিয়াবা কিছুমান লোকে কিয় পেঞ্চন পালে বুলিও প্ৰশ্ন উত্থাপিত হয়। গতিকে যেতিয়া স্থানীয় পৰ্যায়ৰ পৰা এই প্ৰক্ৰিয়া আৰম্ভ হ'ব তেতিয়াৰে পৰা কোনো ধৰণৰ বিতৰ্কৰ সূত্ৰপাত হোৱাৰো আশংকা নাথাকিব।

আজিকালি স্থানীয় পৰ্যায়ত সকলোবোৰ কাৰ্যালয় স্থাপনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। আনকি মিনি সচিবালয় স্থাপন আদিৰো চিন্তা-চৰ্চা কৰিছে চৰকাৰে। সেইবাবে এতিয়া জিলা পৰ্যায়ত প্ৰায়ভাগ বিভাগৰে কাৰ্যালয়ৰ দূৰত্ব হ্ৰাস কৰিছে। এনে কৰিলে সকলোৱে লাভান্বিত হ'ব পাৰে। এইবাৰ বছৰি ঘোষণা হোৱাৰ দৰে সাহিত্যিক-শিল্পী পেঞ্চন লাভ কৰা সকলৰ নাম ঘোষণা কৰা হ'ব। গতিকে জনজাতীয় লেখক তথা শিল্পীসকলৰ পৰাও যাতে বেছিকৈ নাম তালিকাত অন্তৰ্ভুক্ত কৰা হয় তাৰ ওপৰত নিৰ্বাচন কমিটীয়ে গুৰুত্ব প্ৰদান কৰা উচিত।

বিগত সময়ছোৱাত জনজাতীয় লেখক, সাহিত্যিক তথা শিল্পীৰ নাম প্ৰকাশিত তালিকাত কাচিৎহে দেখা গৈছিল। সকলোৱে বাবে সমান নীতিৰ আধাৰত কৰিলেও আমি কিছুক্ষেত্ৰত পিছপৰা লোকসকলক এখোপ আগুৱাই নিয়াৰ স্বাৰ্থত কিছু নীতি-নিয়ম শিথিল কৰা উচিত।

ফোন ঃ ৯৪৩৫১-০৩৯৭৭

## চিটিবাছ আহিব বুলি মহানগৰীত মই...

অভিমত



**আমি** প্ৰায়েই এটি অসমীয়া সুন্দৰ গীত শুনিবলৈ পাওঁ— 'তুমি আহিবা বুলি বাৰে বাৰে মই', সেই মনোমোহা গীতৰ কলি এটা গুণগুণাই প্ৰায়েই মই ৰাজধানী মছজিদৰ চিটিবাছ স্থানত ৰৈ থাকো জি এছ ৰোডেৰে যাব লগা চিটিবাছখনৰ অপেক্ষাত; কিন্তু দেখা পাওঁ চিটিবাছবোৰ আহে আৰ জি বৰুৱা ৰোড হৈ চান্দমাৰী-কাছাৰীলৈ বুলিহে। উলুবাৰীলৈ বাছেৰে যোৱাৰ সুবিধা নাপাই সৰু গাড়ীবোৰৰ চালকক সোধো— ক'লৈ যাব? উত্তৰত কয়, লালগণেশলৈ। অৱশেষত বাছ নাপাই ঘৰলৈ উভতি আহো। অৰ্থাৎ উলুবাৰীলৈ যাবলৈ বাছৰ অভাৱ। ঘৰলৈ উভতি অহাৰ অন্তত মই পৰিবাৰৰ মুখত শুনিবলৈ পাওঁ— হেৰি, আপুনি বেমাৰীৰ খবৰ ল'বলৈ এতিয়াও উলুবাৰীলৈ যাব নোৱৰাৰ কাৰণ কি? চিটিবাছ নাথাকিলেও অ'লা-উবেৰতে উঠি উলুবাৰীলৈ যাব পাৰিলেহেঁতেন। উত্তৰত মই কওঁ, চিটিবাছত ১০ টকা দিলেই উলুবাৰী পাম। এশ টকা খৰচ কৰি অ'লা-উবেৰত উঠি উলুবাৰীলৈ যোৱাৰ প্ৰয়োজন নাই। কাৰণ মই সামান্য পেঞ্চনৰ টকাৰে পৰিয়াল চলোৱা মানুহ। উত্তৰত পৰিবাৰে কয়— হ'ব দিয়ক। কালিলৈ যিকোনো প্ৰকাৰে উলুবাৰীলৈ যাওক। নহ'লে আমাৰ সন্মান নাথাকিব। গৃহিণীৰ কথা অমান্য কৰিলে ঘৰুৱা পৰিৱেশ কি হ'ব পাৰে সকলোৱে জানে। উপায় নাই। পিছদিনা পুৱাই ঘৰৰ পৰা ওলাই ৰাজধানী মছজিদৰ ওচৰত থকা বাছ আস্থানত থিয় দিলোগৈ উলুবাৰীলৈ যোৱা চিটিবাছৰ আশাত। দেখা পালো জু-ৰোডেৰে যোৱা বাছৰ অভাৱ নাই। জি এছ ৰোডেৰে উলুবাৰী হৈ পল্টন বজাৰলৈ যোৱা বাছ দেখা নাপালো। সেয়ে পুনৰ মনতে গীতটো আওঁৰালো— 'উলুবাৰী হৈ পল্টন বজাৰলৈ যোৱা চিটিবাছ আহিব বুলি বাৰে বাৰে মই। বাছ আস্থানত দুপৰীয়াৰ ৰ'দত ডিঙি মেলি মেলি চাওঁ।' বাছ নাহিল। অৱশেষত এজন ৮০ বছৰ বয়সৰ বৃদ্ধিৰ লগ লাগি গৰমত ঘামি-জামি গণেশগুৰিৰ উৰণীয়া সেতুৰ তলত উপস্থিত হ'লোগৈ। এনেতে শুনিবলৈ পালো এখন চিটিবাছৰ কণ্ডাক্টৰজনে চিঞৰিছে— আহক আহক, খালী বাছ। উলুবাৰী, পল্টন বজাৰ-কাছাৰী। আমি দুয়ো খৰধৰকৈ গৈ বাছত উঠিলো। দেখিলো জ্যেষ্ঠ নাগৰিকৰ বাবে আসন সংৰক্ষণ কৰা আসনত বহি আছে দুজন ওঁঠ চেপিলে গাখীৰ ওলোৱা ল'ৰা। কণ্ডাক্টৰক ক'লো— আমাৰ আসন দুখনত বহিবলৈ দিয়ক। কণ্ডাক্টৰে উত্তৰত ক'লে— খুড়া কাকনো কিমান বুজাম? তেওঁলোকে জ্যেষ্ঠ নাগৰিক মানে বুজিকে নাপায়।' তথাপি বুজাই-বঢ়াই ক'লে— আপোনালোকৰ ছিট দুটা দিব পাৰে। অৱশ্যে আপোনালোকৰ চুলিত ক'লা ৰং নঘঁহাৰ বাবে ছিট দুটা এৰি দিয়াৰ আশা আছে। শেষত কণ্ডাক্টৰৰ চেষ্টাত ল'ৰা দুজনে বহাৰ পৰা উঠিল আৰু সেই ছিট দুটাত আমি বহি যাত্ৰা আৰম্ভ কৰিলো।

এতিয়া প্ৰশ্ন হয় ৰাজধানী মছজিদৰ পৰা জি এছ ৰোডেৰে মেডিকেল কলেজ, ভঙাগড়, উলুবাৰী, পল্টন বজাৰলৈ যোৱা বাছ চৰকাৰৰ পৰিবহণ বিভাগে নিদিয়াৰ কাৰণ কি? চৰকাৰে হাতীগাঁও, দিছপুৰ আৰু কাহিলিপাৰাৰ বাসিন্দাসকলৰ দুখৰ কথা চিন্তা নকৰে কিয়? বিজেপিক নিৰ্বাচনত আমি ভোট দি জয়যুক্ত কৰাৰ ক্ষেত্ৰত আমাৰ সমূহীয়া প্ৰচেষ্টা নাছিল নেকি? এই সংক্ৰান্তত চৰকাৰে যিয়েই নাভাবক লাগে, আমি একে মুখেৰেই চৰকাৰৰ ওচৰত দাবী জনাইছো— অনতিপলমে ৰাজধানী মছজিদৰ বাছ আস্থানৰ পৰা জি এছ ৰোডেৰে চিটিবাছ চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰক, যাতে যাত্ৰীসকলে মেডিকেল কলেজ-ভঙাগড়-উলুবাৰী, পল্টনবজাৰ হৈ কাছাৰীলৈ যাব পাৰে। অন্যথা এই অঞ্চলৰ বাসিন্দাসকলে সময়ত উত্তৰ দিবলৈ বাট চাই ৰ'ব।

**ৰাজীৱ আহমেদ,** ফোন ঃ ৯৮৬৪১৩২৪৮২

## কানাডাত মহাত্মা গান্ধীৰ মূৰ্তি দুষ্কৃতিকাৰীয়ে কৰিলে লণ্ড-ভণ্ড, ভাৰতৰ প্ৰতিক্ৰিয়া




**নিউজ ব্যুৰ', টৰণ্টো, ১৪ জুলাই ঃ** কানাডাৰ এণ্টাৰিঅ' প্ৰদেশত বুধবাৰে দুষ্কৃতিকাৰীয়ে ৰিছমণ্ড হিলত থকা মহাত্মা গান্ধীৰ মূৰ্তি এটা লণ্ড-ভণ্ড কৰে। এই ঘটনাত ভাৰতে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। অঞ্চলটোৰ আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি গাৰ্ডেন এভিনিউত থকা বিষ্ণু মন্দিৰত দুষ্কৃতিকাৰীয়ে গান্ধীৰ মূৰ্তি ধ্বংস কৰে। আৰক্ষীয়ে লগতে জনোৱা অনুসৰি আক্ৰমণকাৰীয়ে গান্ধীৰ প্ৰতিমাৰ তলত 'ধৰ্ষণকাৰী', 'খালিস্তান' শব্দও লিখি থৈ যায়। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে আৰু দোষীক চিনাক্ত কৰি কঠোৰ শাস্তি বিহা হ'ব বুলি ইতিমধ্যে ভাৰতত কানাডাৰ প্ৰশাসনে প্ৰতিশ্ৰুতি দিছে।

## দাৰ্জিলিঙত 'ফুচকা'ৰ পাছত ৰেস্তোঁৰাত ম'ম' তৈয়াৰ কৰি চৰ্চিত মুখ্যমন্ত্ৰী মমতা



**নিউজ ব্যুৰ', দাৰ্জিলিং, ১৪ জুলাই ঃ** দাৰ্জিলিঙত উপস্থিত হোৱা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে জনসংযোগ স্থাপনত বিশেষ গুৰুত্ব দিয়াটো প্ৰত্যক্ষ হ'ল। কালি মমতাই দাৰ্জিলিঙত নিজ হাতৰে 'ফুচকা' অৰ্থাৎ পানীপুৰি তৈয়াৰ কৰি একাংশ লোকক পৰিৱেশন কৰিছিল। আজি কলকাতালৈ উভতি যোৱাৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে নিজে ম'ম' তৈয়াৰ কৰি সকলোকে নতুন চমক দিলে। বৃহস্পতিবাৰে প্ৰাতঃভ্ৰমণৰ সময়ত মমতাই চিংমাড়িলৈ খোজকাঢ়ি যোৱাৰ পাছত ৰিচমণ্ড হিলৰ সমীপত নিজ হাতৰে তৈয়াৰ কৰিলে ম'ম'। এখন দোকানত প্ৰৱেশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ম'ম' বনাবলৈ আৰম্ভ কৰে। ৰেস্তোঁৰাৰ অন্যান্য কৰ্মীৰ স'তে বেঞ্চত বহি ময়দা মাখি লুচি বেলি ম'ম' প্ৰস্তুত কৰিলে পশ্চিমবংগৰ মুখ্যমন্ত্ৰীয়ে। উল্লেখ্য যে পূৰ্বেও এইবাৰ দাৰ্জিলিং ভ্ৰমণৰ সময়ত পথৰ দাঁতিত একাংশ মহিলাৰ স'তে মমতাই ম'ম' তৈয়াৰ কৰিছিল। মুখ্যমন্ত্ৰী হিচাপে পশ্চিমবংগৰ এই পাহাৰীয়া অঞ্চলৰ স'তে জনসংযোগ অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে মমতাই সময়ে সময়ে এনে পদক্ষেপ গ্ৰহণ কৰি আহিছে।

## আফগানিস্তানত প্ৰবল বৃষ্টি-ভূমিস্খলনত ৩৯ লোকৰ মৃত্যু



**নিউজ ব্যুৰ', কাবুল, ১৪ জুলাই ঃ** আফগানিস্তানত প্ৰবল বৃষ্টিপাত আৰু ভূমিস্খলনৰ ঘটনাত ৩৯ জন লোকৰ মৃত্যু হ'ল। মৃতকৰ মাজত নটা শিশুও আছে। ভূমিস্খলনৰ ঘটনাত আন ১৪ জন লোক আহত হৈছে। দেশখনৰ পূব প্ৰদেশত বিগত এমাহত তৃতীয়বাৰৰ বাবে হঠাতে বানে ভয়াৱহ ৰূপ ধাৰণ কৰিলে। পূৰ্বে যোৱা জুনত দুদিন ধৰি হোৱা ধাৰাসাৰ বৃষ্টিপাতত এই অঞ্চলত ১৯ জন লোকৰ মৃত্যু হৈছিল আৰু ১৩১ জন আহত হৈছিল। বান আৰু ভূমিস্খলনৰ ঘটনাত আফগানিস্তানৰ নংগৰহাৰ আৰু টুৰিস্তানৰ কমেও পাঁচ শতাধিক পৰিয়াল প্ৰভাৱিত হোৱাৰ লগতে অঞ্চলটোৰ ৮০০ হেক্টৰ কৃষিভূমিৰ খেতিবাতি নষ্ট হ'ল।

## মহাৰাষ্ট্ৰবাসীক সকাহ শিণ্ডে চৰকাৰৰ, হ্ৰাস কৰিলে পেট্ৰ'ল-ডিজেলৰ মূল্য



**নিউজ ব্যুৰ', মুম্বাই, ১৪ জুলাই ঃ** মহাৰাষ্ট্ৰত চৰকাৰ গঠন কৰাৰ পাছত মুখ্যমন্ত্ৰী একনাথ শিণ্ডেয়ে ৰাজ্যবাসীক ইন্ধনৰ মূল্যবৃদ্ধিৰ ক্ষেত্ৰত এক সকাহ দিলে। মুখ্যমন্ত্ৰী শিণ্ডেয়ে মহাৰাষ্ট্ৰত প্ৰতি লিটাৰ পেট্ৰ'লত পাঁচ টকা আৰু ডিজেলত তিনি টকা মূল্য হ্ৰাস কৰাৰ সিদ্ধান্তৰ কথা আজি ঘোষণা কৰিলে। শিণ্ডে কেবিনেটে আজি এই সিদ্ধান্ত গ্ৰহণ কৰে। যোৱা চাৰি মে'ত কেন্দ্ৰৰ চৰকাৰে পেট্ৰ'ল আৰু ডিজেলৰ মূল্য কৰ্তন কৰিছিল আৰু ৰাজ্যসমূহকো নিজাববীয়াকৈ ইন্ধনৰ মূল্য কৰ্তনৰ সিদ্ধান্ত ল'বলৈ আহ্বান জনাইছিল। কিন্তু উদ্ধৱ থাকৰে চৰকাৰে এই সন্দৰ্ভত কোনো সিদ্ধান্ত লোৱা নাছিল। শিণ্ডেয়ে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হোৱাৰ পাছত ইন্ধনৰ মূল্য কৰ্তনৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'লে।

## জুনত দেশত পাইকাৰী মুদ্ৰাস্ফীতি ১৫.১৮ শতাংশলৈ পালে হ্ৰাস



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ জুলাই ঃ** যোৱা মে'ত ভাৰতত পাইকাৰী মুদ্ৰাস্ফীতিৰ হাৰ আছিল ১৫.৮৮ শতাংশ। জুনত দেশৰ পাইকাৰী মুদ্ৰাস্ফীতি ১৫.১৮ শতাংশলৈ হ্ৰাস পালে। পৰিসংখ্যা অনুসৰি দেশত মুদ্ৰাস্ফীতিৰ হাৰ এপ্ৰিলত ১৫.০৮, মাৰ্চত ১৪.৫৫ আৰু ফেব্ৰুৱাৰীত ১৩.১১ শতাংশ আছিল। জুনত দেশত শাক-পাচলিৰ ৫৬.৭৫ শতাংশ, আলুৰ ৩৯.৩৮ শতাংশ মূল্যবৃদ্ধি হৈছিল। ইয়াৰ বিপৰীতে কণী-মাংস আৰু মাছৰ মূল্য ৭.২৪ শতাংশ, পিয়াঁজৰ মূল্য ৩১.৫৪ শতাংশ বিগত মাহত হ্ৰাস পাইছিল।

## এ ডি আৰৰ প্ৰতিবেদনৰ তথ্য ঃ সৰ্বাধিক ৪৭৭.৫৪৫ কোটি টকাৰ বৰঙণি লাভ কৰিছিল বিজেপিয়ে

# কৰ'না কালত দেশৰ ৰাজনৈতিক দলে লাভ কৰিছিল বৃহৎ দান-বৰঙণি

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৪ জুলাই ঃ** কৰ'না কালত দেশে চৰম আৰ্থিক সংকটৰ সন্মুখীন হোৱাৰ সময়ত ভাৰতৰ ৰাজনৈতিক দলসমূহে বিভিন্ন উৎসৰ পৰা লাভ কৰিছিল বৃহৎ পৰিমাণৰ দান-বৰঙণি। বিশেষকৈ এই সময়ছোৱাত বিজেপিয়ে সৰ্বাধিক পৰিমাণৰ বৰঙণি লাভ কৰিছিল এছ'চিয়েচন ফৰ ডেম'ক্ৰেটিক ৰিফৰ্মছ (এ ডি আৰ)ৰ প্ৰতিবেদনত এই তথ্য পোহৰলৈ আহিছে। এ ডি আৰে প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি ২০২০-২১ বিত্তীয় বৰ্ষত যি সময়ত দেশত কৰ'নাৰ সংক্ৰমণে শীৰ্ষত আৰোহণ কৰিছিল, সেই সময়ত ভাৰতৰ ৰাজনৈতিক দলসমূহে মুঠ ৫৯৩.৭৪৮ কোটি টকাৰ বৰঙণি লাভ কৰিছিল। এই সময়ছোৱাত কেৱল বিজেপিয়ে লাভ কৰিছিল ৪৭৭.৫৪৫ কোটি টকাৰ বৰঙণি। অৰ্থাৎ মুঠ বৰঙণিৰ ৮০ শতাংশৰো অধিক উক্ত সময়ছোৱাত লাভ কৰিলে বিজেপিয়ে। ছয় ৰাষ্ট্ৰীয় ৰাজনৈতিক দল এন চি পি, চি পি আই, চি পি আই এম, কংগ্ৰেছ, এন পি ই আৰু



তৃণমূল কংগ্ৰেছে লাভ কৰা বৰঙণিৰ তুলনাত বিজেপিয়ে চাৰি গুণ অধিক বৰঙণি কৰ'না কালত সংগ্ৰহ কৰিবলৈ সফল হৈছিল। এ ডি আৰৰ প্ৰতিবেদনত লগতে উল্লেখ কৰা অনুসৰি কংগ্ৰেছে ৭৪.৫২৪ কোটি টকাৰ বৰঙণি লাভ কৰিছিল। বিজেপিত এই সময়ছোৱাত ১১১১ টা কৰ্প'ৰেট প্ৰতিষ্ঠানে ৪১৬.৭৯৪ কোটি টকাৰ বৰঙণি আদায় দিছিল। আনহাতে, কংগ্ৰেছৰ ১৪৬ টা কৰ্প'ৰেট প্ৰতিষ্ঠানে বৰঙণি দিছিল। বিভিন্ন ন্যাসে উক্ত সময়ছোৱাত বিজেপিক ২০৯ কোটি, এন চি পিক পাঁচ কোটি আৰু কংগ্ৰেছক দুই কোটি টকাৰ বৰঙণি দিছিল।

## দুটি সন্তানৰ নীতিৰ তীব্ৰ বিৰোধিতা কৰিব ওৱেইছিয়ে




**নিউজ ব্যুৰ', হায়দৰাবাদ, ১৪ জুলাই ঃ** দেশৰ বৰ্ধিত জনসংখ্যাক লৈ শেহতীয়াভাৱে এক বিতৰ্ক অব্যাহত আছে আৰু বিভিন্ন ব্যক্তি-সংগঠনে জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে ভাৰতত কঠোৰ আইন প্ৰৱৰ্তনৰ পোষকতা কৰিছে। এনে সময়তে এ আই এম আই এমৰ নেতা তথা হায়দৰাবাদৰ সাংসদ আছাদুদ্দিন ওৱেইছিয়ে ক'লে যে তেওঁ জনসংখ্যা নিয়ন্ত্ৰণৰ কোনো আইন প্ৰৱৰ্তনক সমৰ্থন নকৰে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত ওৱেইছিয়ে জনসংখ্যা নিয়ন্ত্ৰণ আইন প্ৰৱৰ্তনৰ বিৰোধিতা কৰি এইদৰে কয়, 'আমি চীনৰ ভুল পুনৰ কৰা উচিত নহ'ব। দুটি সন্তানত পৰিয়াল সীমাবদ্ধ ৰখাৰ কোনো আইন মই সমৰ্থন নকৰো। ইয়াৰ জৰিয়তে দেশৰ কোনো লাভ নহ'ব।' ওৱেইছিয়ে লগতে কয় যে দেশৰ জনসংখ্যা বৃদ্ধিৰ বাবে মুছলমানসকলক জগৰীয়া কৰাটো অনুচিত। মুছলমানসকলে সৰ্বাধিক পৰিমাণৰ গৰ্ভ নিৰোধক ব্যৱহাৰ কৰে বুলিও হায়দৰাবাদৰ সাংসদজনে দাবী কৰে।

## বেইজিঙৰ সকীয়নি উপেক্ষা কৰি পুনৰ দক্ষিণ চীন সাগৰত মাৰ্কিন ৰণতৰী



**নিউজ ব্যুৰ' ৱাশ্বিংটন, ১৪ জুলাই ঃ** দক্ষিণ চীন সাগৰৰ বিতৰ্কিত অঞ্চলত আমেৰিকাৰ এখন যুঁজাৰু জাহাজৰ উপস্থিতিক লৈ নতুনকৈ উত্তেজনা সৃষ্টি হৈছে। চীনৰ সকীয়নি অগ্ৰাহ্য কৰি বুধবাৰে ইউ এছ এছ বেনফ'ল্ড নামৰ আমেৰিকাৰ সপ্তম নৌবহৰৰ ক্ষেপণাস্ত্ৰবাহী উক্ত ৰণতৰীখনে দক্ষিণ চীন সাগৰৰ পেৰাচেল দ্বীপপুঞ্জৰ এটা দ্বীপৰ কাষত উপস্থিত হৈছিল। আমেৰিকাই অৱশ্যে চীনৰ সমুদ্ৰ পথত অনুপ্ৰৱেশৰ অভিযোগ অস্বীকাৰ কৰিছে। নৌ চলাচলৰ আন্তৰ্জাতিক বিধি পালন কৰিয়ে উক্ত স্থানত মাৰ্কিন ৰণতৰী উপস্থিত হৈছিল বুলি জানিবলৈ দিলে পেণ্টাগণে। চলিত বৰ্ষত দ্বিতীয়বাৰৰ বাবে দক্ষিণ চীন সাগৰৰ বিবদিত অঞ্চলত মাৰ্কিন ৰণতৰীয়ে প্ৰৱেশ কৰিলে। উল্লেখ্য যে চীনে দক্ষিণ চীন সাগৰত নিজৰ আধিপত্য দাবী কৰি আহিছে।

## পাকিস্তানৰ সিন্ধ প্ৰদেশত হিন্দু যুৱতীক অপহৰণ, বলপূৰ্বক বিবাহৰ শংকা পৰিয়ালৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ১৪ জুলাই ঃ** পাকিস্তানত সংখ্যালঘু সম্প্ৰদায়ৰ লোকক নিৰ্যাতন চলোৱাৰ ঘটনা অব্যাহত আছে। দেশখনৰ সিন্ধ প্ৰদেশৰ ডাডু চহৰত কৰিনা নামৰ হিন্দু সম্প্ৰদায়ৰ এগৰাকী যুৱতীক অপহৰণ কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। উত্থাপিত অভিযোগ অনুসৰি কোনো লোকে এসপ্তাহ পূৰ্বে যুৱতীগৰাকীক অপহৰণ কৰিছিল। পৰিয়ালৰ লোকে উত্থাপন কৰা অভিযোগ মতে, কৰিনাক ইছলামধৰ্মী যুৱকে অপহৰণ কৰি বলপূৰ্বক বিবাহ কৰালে। অৱশ্যে স্থানীয় আৰক্ষীয়ে এই অভিযোগ অস্বীকাৰ কৰি কয় যে কৰিনাৰ অপহৰণ হোৱা নাই, বৰঞ্চ তেওঁ খলিল ৰহমান নামৰ মুছলমান যুৱক এজনৰ স'তে পলাই গৈ কৰাচীৰ আদালতত বিবাহ সম্পন্ন কৰিছিল। আৰক্ষীৰ এই দাবীৰ পাছতে অঞ্চলটোৰ বহু সংখ্যক লোকে ৰাজপথত সমবেত হৈ অপহৰণ আৰু বলপূৰ্বক বিবাহৰ তীব্ৰ বিৰোধিতা কৰে।


# ৮৮ ভোট লাভৰে ব্ৰিটিছ প্ৰধানমন্ত্ৰী পদৰ দৌৰত শীৰ্ষত ঋষি

**নিউজ ব্যুৰ', লণ্ডন, ১৪ জুলাই ঃ** ভাৰতীয় মূলৰ ব্ৰিটিছ নেতা ঋষি ছুনক ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীৰ পদৰ বাবে কনজাৰভেটিভ পাৰ্টিৰ নেতা হিচাপে সবাতোকৈ শীৰ্ষত আছে। আজি অনুষ্ঠিত হোৱা 'এলিমিনিচন ৰাউণ্ড'ৰ ভোটত ঋষিয়ে ৮৮ টা অৰ্থাৎ ২৫ শতাংশ ভোট লাভ কৰিলে। ৮৮ টা ভোট লাভৰ জৰিয়তে কনজাৰভেটিভ পাৰ্টিৰ পৰৱৰ্তী নেতা তথা ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী পদৰ দৌৰত ঋষিয়ে শীৰ্ষস্থান লাভ কৰিলে। অৱশ্যে এতিয়াও ব্ৰিটিছ সাংসদৰ সমৰ্থন লাভ কৰাটো ঋষিৰ বাবে প্ৰত্যাহ্বানমূলক হ'ব। দলীয় ভোটদান অনুষ্ঠানত ঋষিয়ে ৮৮ ভোট লাভ কৰাৰ বিপৰীতে পেন্নী মৰ্ডাণ্টে ৬৭ টা ভোট লাভ কৰি দ্বিতীয় স্থান লাভ কৰিলে। ঋষিয়ে ২৫ শতাংশ ভোট লাভ



কৰাৰ বিপৰীতে মৰ্ডাণ্টে ১৯ শতাংশ ভোট লাভ কৰিছে। একেদৰে লিজ ট্ৰাছে ১৪ শতাংশ ভোটা লাভৰে তৃতীয় স্থান আৰু কেমি বেডেনকে ১১ শতাংশ ভোট লাভৰে প্ৰধানমন্ত্ৰী পদৰ দৌৰত চতুৰ্থ স্থানত আছে। টম টুজেণ্টে ১০ শতাংশ ভোটৰে পঞ্চম স্থানত আৰু ভাৰতীয় মূলৰ চুৰেলা ব্ৰেভৰমেনে ন শতাংশ ভোট লাভৰে ষষ্ঠ স্থান দখল কৰিছে। নধিম জহাবিয়ে সাত শতাংশ আৰু জৰ্মি হাণ্টে পাঁচ শতাংশ ভোট লাভ কৰাত উভয়ে প্ৰধানমন্ত্ৰী পদৰ দৌৰৰ পৰা বাহিৰ হ'ল। এলিমিনেচন ৰাউণ্ডৰ পাছত এইবাৰ চূড়ান্ত পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। উল্লেখ্য যে ব্ৰিটিছ প্ৰধানমন্ত্ৰী পদৰ দাবীদাৰ হিচাপে বৰ্তমানৰ শীৰ্ষত থকা ঋষিৰ পিতৃ পঞ্জাৱৰ বাসিন্দা আছিল। ঋষিৰ জন্ম ব্ৰিটেইনৰ হেম্পশ্বায়াৰত হৈছিল আৰু তেওঁ ষ্টেনফ'ৰ্ড বিশ্ববিদ্যালয়ৰ পৰা এম বি এ ডিগ্ৰী গ্ৰহণ কৰিছিল। অক্স'ফৰ্ডত ঋষিয়ে ৰাজনীতি, দৰ্শন আৰু অৰ্থনীতি অধ্যয়ন কৰিছিল। ৰাজনীতিত প্ৰৱেশৰ পূৰ্বে তেওঁ বেংকিং খণ্ডত নিয়োজিত হৈছিল। পৰৱৰ্তী সময়ত তেওঁ নিজৰ বিনিয়োগ প্ৰতিষ্ঠান স্থাপন কৰিছিল। ঋষি ভাৰতীয় ছফটৱেৰ প্ৰতিষ্ঠান ইনফ'ছিছৰ সহঃপ্ৰতিষ্ঠাপক নাৰায়ণ মূৰ্তিৰ জোঁৱাই। ২০১৫ বৰ্ষত তেওঁ প্ৰথমবাৰ ব্ৰিটিছ সংসদলৈ নিৰ্বাচিত হৈছিল।

## ক'ভিডৰ দৈনিক সংক্ৰমণ ২০ হেজাৰলৈ বৃদ্ধি, মৃত্যু ৩৮ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ জুলাই ঃ** দেশত কৰ'নাৰ সংক্ৰমণৰ চতুৰ্থ ঢৌৰ সম্ভাৱনা আকৌ এবাৰ প্ৰকট হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ২০,১৩৯ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। এই মুহূৰ্তত দেশত সংক্ৰমণৰ হাৰ পাঁচ শতাংশৰ অধিক হৈছে। যি হাৰত দেশত কৰ'নাৰ সংক্ৰমণ ঊৰ্দ্ধমুখী হ'বলৈ ধৰিছে, তাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষজ্ঞসকলে সংক্ৰমণৰ চতুৰ্থ ঢৌৰ শংকা ব্যক্ত কৰিছে। বৰ্তমানে ভাৰতত এক লাখ ৩৬ হেজাৰ ৪৩ জন সক্ৰিয় ক'ভিড ৰোগী আছে। যোৱা ২৪ ঘণ্টাত দেশত কৰ'নাত প্ৰাণ হেৰালে ৩৮ জন লোকে।


## সংকটত শ্ৰীলংকা ঃ প্ৰভাৱিত হ'ল ভাৰতৰ ব্যৱসায়, ৰপ্তানি বন্ধ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ জুলাই ঃ** অগ্নিগৰ্ভ পৰিস্থিতি অব্যাহত আছে শ্ৰীলংকাত। চৰকাৰ বিৰোধী বিক্ষোভৰ জুইত জ্বলিছে দ্বীপৰাষ্ট্ৰখন। এক লিটাৰ পেট্ৰ'লৰ মূল্য তিনি হেজাৰ টকাৰ অধিক হ'ল। ৰন্ধন গেছৰ চিলিণ্ডাৰ বিক্ৰী হৈছে ৩০-৪০ হেজাৰ টকাৰ মূল্যৰ। এনে পৰিস্থিতিত সংকটৰ সন্মুখীন হ'ল ভাৰতৰ কৃষিজাত পণ্যৰ ৰপ্তানি। ভাৰতে শ্ৰীলংকালৈ পৰ্যাপ্ত পৰিমাণৰ চেনি, আঙুৰ আৰু পিঁয়াজৰ দৰে কৃষিজাত পণ্য ৰপ্তানি কৰি আহিছে। শ্ৰীলংকাৰ অৰ্থনৈতিক সংকটৰ ফলত ভাৰতে দ্বীপৰাষ্ট্ৰখনলৈ এনেবোৰ সামগ্ৰীৰ ৰপ্তানি সম্প্ৰতি বন্ধ ৰাখিবলগীয়া হৈছে। ফলত ক্ষতিগ্ৰস্ত হৈছে ভাৰতৰ কৃষিজাত পণ্যৰ ব্যৱসায়। প্ৰকাশিত তথ্য অনুসৰি ২০২১-২২ বিত্তীয় বৰ্ষত ভাৰতে শ্ৰীলংকালৈ প্ৰায় ৫২ হেজাৰ কোটি ডলাৰৰ সামগ্ৰী ৰপ্তানি কৰিছিল। ভাৰতে ৰপ্তানি কৰা সামগ্ৰীৰ মাজত ইঞ্জিনিয়াৰ পণ্য, পাউদাৰ গাখীৰ, চেনি, পিঁয়াজ, আঙুৰৰ দৰে খাদ্যদ্ৰব্য আছিল। শ্ৰীলংকাৰ মুঠ চেনিৰ প্ৰায় ৯০ শতাংশ ভাৰতে যোগান ধৰে। বিগত তিনি মাহ ধৰি শ্ৰীলংকাই চেনি আমদানি বন্ধ ৰাখিছে। ২০২১-২২ বিত্তীয় বৰ্ষত ভাৰতৰ পৰা দ্বীপৰাষ্ট্ৰখনে ১.৬২ লাখ টন পিঁয়াজ আমদানি কৰিছিল। বৰ্তমানে চেনিৰ লগতে পিঁয়াজৰ আমদানিও শ্ৰীলংকাই বন্ধ ৰাখিছে। শ্ৰীলংকাত অৰ্থনৈতিক সংকট আৰম্ভ হোৱাৰ পাছৰে পৰা ভাৰতীয় ব্যৱসায়ীয়ে দেশখনলৈ পিঁয়াজৰ ৰপ্তানি বন্ধ ৰাখিছে। ইতিমধ্যে ৰপ্তানি কৰা সামগ্ৰীৰ বাবদো ভাৰতীয় ব্যৱসায়ীয়ে বৃহৎ পৰিমাণৰ ধন শ্ৰীলংকাৰ পৰা লাভ কৰিবলৈ বাকী আছে।


# লংকাকাণ্ডৰ বাবে ৰাছিয়াক জগৰীয়া কৰিলে জেলেনস্কিয়ে

**নিউজ ব্যুৰ', কীভ, ১৪ জুলাই ঃ** কাৰ্যত দেউলীয়া হ'ল শ্ৰীলংকা। দেশত নাই খাদ্য সামগ্ৰী, দৰৱ-ইন্ধনৰ চৰম নাটনি। এনে পৰিস্থিতিত জনৰোষৰ পৰা ৰক্ষা পাবলৈ শ্ৰীলংকা ত্যাগ কৰিলে ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষই। ইতিমধ্যে পদৰ পৰা ইস্তফা দিলে প্ৰধানমন্ত্ৰী ৰনিল বিক্ৰম সিংহেয়ে। ফলত প্ৰশাসন কাৰ্যত অচল হ'ল। শ্ৰীলংকাৰ এনে বিপৰ্যয়ৰ বাবে ৰাছিয়াক জগৰীয়া কৰিলে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিয়ে। বুধবাৰে ছিউলত অনুষ্ঠিত এছিয়ান লিডাৰশ্বিপ সন্মিলনত অংশ লৈ এইদৰে ৰাছিয়াৰ আগ্ৰাসনৰ বিৰুদ্ধে সৰৱ হ'ল জেলেনস্কি। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিয়ে দাবী কৰি কয় যে ৰাছিয়াৰ আগ্ৰাসনৰ



পৰিণতিতে বিশ্বজুৰি খাদ্যদ্ৰব্য আৰু ইন্ধনৰ যোগান ব্যৱস্থা বাধাগ্ৰস্ত হৈছে। ফলত বিশ্বত মূল্যবৃদ্ধিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ইয়াৰ ফল ভুগিব লগা হৈছে শ্ৰীলংকাৰ দৰে দেশসমূহে। দ্বীপ ৰাষ্ট্ৰখনৰ বৰ্তমানৰ পৰিস্থিতিৰ সন্দৰ্ভত জেলেনস্কিয়ে কয়, 'যোগান ব্যৱস্থা ব্যাহত হোৱাৰ ফলত খাদ্য আৰু ইন্ধনৰ মূল্য আকাশলংঘী হৈছে। ফলত সমাজত বিস্ফোৰণ ঘটিছে। কোনেও নাজানে এই পৰিস্থিতি কিমান দিনলৈ অব্যাহত থাকিব? ৰাছিয়াৰ এনে আগ্ৰাসনৰ পৰিণতিত শ্ৰীলংকাৰ দৰে দেশসমূহে ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছে।' উল্লেখ্য যে ১৯৪৮ত স্বাধীন হোৱাৰ পাছত সবাতোকৈ বৃহৎ আৰ্থিক বিপৰ্যয়ৰ সন্মুখীন হৈছে শ্ৰীলংকা।

## ইন্দিৰা গান্ধীৰ চৰিত্ৰত কংগনা, টিজাৰতে চমক নায়িকাৰ



**নিউজ ব্যুৰ', মুম্বাই, ১৪ জুলাই ঃ** আকৌ এবাৰ চৰ্চালৈ আহিল বলিউডৰ বিতৰ্কিত অভিনেত্ৰী কংগনা ৰণৌট। ইতিমধ্যে কংগনা অভিনীত 'ইমাৰ্জেন্সি' ছবিখনৰ টিজাৰ মুকলি কৰা হৈছে। এই ছবিত ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ চৰিত্ৰত অভিনয় কৰিছে কংগনাই। অভিনয়ৰ লগতে ছবিখনৰ পৰিচালনা আৰু প্ৰযোজনাও কংগনাৰে। 'ইমাৰ্জেন্সি'ৰ টিজাৰ মুকলি হোৱাৰ লগে লগে অনুৰাগীসকলক বৃহৎ চমক দিলে অভিনেত্ৰীগৰাকীয়ে। টিজাৰৰ আৰম্ভণিতে এজন ব্যক্তিৰ স'তে কংগনাক ফোনত বাৰ্তালাপ কৰা দেখা যায়। ফোন ৰখাৰ পাছতে এক সুবিশাল কাৰ্যালয়ত এগৰাকী মহিলাৰ ওচৰলৈ গ'ল অভিনেত্ৰীগৰাকী। সেই একেটা কোঠাতে হাতত কিছু ফাইল লৈ উপস্থিত আছিল এগৰাকী মহিলা। ফাইলত থকা চহীৰ পৰা জানিব পৰা গ'ল যে উক্ত মহিলাই হৈছে ইন্দিৰা গান্ধী। সেই ব্যক্তিয়ে তদানীন্তন ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক প্ৰশ্ন কৰে, আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে তেওঁক 'মেডাম' বুলি সম্বোধন কৰিব নে নাই সেই কথা জানিবলৈ কাৰ্যালয়ৰ পৰা ফোন কৰিছিল। উত্তৰত ইন্দিৰা গান্ধীয়ে কয়, আমেৰিকাৰ ৰাষ্ট্ৰপতিক জনাই দিয়ক যে মোক কাৰ্যালয়ৰ সকলোৱে 'ছাৰ' বুলি সম্বোধন কৰে। এইদৰে 'ইমাৰ্জেন্সি'ৰ টিজাৰত ইন্দিৰা গান্ধীৰ চৰিত্ৰত আত্মপ্ৰকাশ কৰি সকলোকে চমকিত কৰিলে কংগনাই। 'ইমাৰ্জেন্সি' প্ৰথমটো টিজাৰে সামাজিক মাধ্যমত বিশেষ চৰ্চা লাভ কৰিছে। ছবিখনৰ টিজাৰ আৰু প'ষ্টাৰ শ্বেয়াৰ কৰি সামাজিক মাধ্যমত কংগনাই এইদৰে লিখিলে, 'বিশ্বৰ ইতিহাসৰ অন্যতম শক্তিশালী আৰু বিতৰ্কিত নাৰীৰ চৰিত্ৰ চিত্ৰায়ন কৰিলো। আৰম্ভ হ'ল দৃশ্যগ্ৰহণ।'

## ক'ভিড সংক্ৰমিত হ'ল তামিলনাডুৰ মুখ্যমন্ত্ৰী ষ্টেলিন



**নিউজ ব্যুৰ' চেন্নাই, ১৪ জুলাই ঃ** তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিন ক'ভিড-১৯ত সংক্ৰমিত হ'ল। দুদিন পূৰ্বে অৰ্থাৎ ১২ জুলাইত মুখ্যমন্ত্ৰীজনৰ ক'ভিড পৰীক্ষণৰ ফলাফলত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিছিল। আজি ষ্টেলিনৰ চিকিৎসা আৰু পৰ্যবেক্ষণৰ বাবে চেন্নাইৰ এখন চিকিৎসালয়ত পৰিয়ালৰ লোকে ভৰ্তি কৰে। সম্প্ৰতি তামিলনাডুৰ মুখ্যমন্ত্ৰীজন চিকিৎসকৰ নিৰীক্ষণত আছে।

## কোন হ'ব বিৰোধীৰ উপৰাষ্ট্ৰপতি প্ৰাৰ্থী, ১৭ জুলাইত আলোচনা কৰিব ১৭ দলে



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ জুলাই ঃ** দেশৰ নতুন উপৰাষ্ট্ৰপতি পদৰ বাবে এন ডি এ আৰু বিৰোধী পক্ষই প্ৰাৰ্থী নিৰ্বাচনৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰিছে। এন ডি এই এতিয়ালৈকে উপৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই। একেদৰে বিৰোধী শিবিৰেও এই পদৰ বাবে বৰ্তমানলৈকে প্ৰাৰ্থীৰ নাম ৰাজহুৱা কৰা নাই। কংগ্ৰেছে এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ বাবে দলৰ জ্যেষ্ঠ নেতা মল্লিকাৰ্জুন খাৰ্গেক দায়িত্ব দিছে। প্ৰকাশিত বাতৰি অনুসৰি বিৰোধীৰ উপৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰ নাম স্থিৰ কৰাৰ সন্দৰ্ভত খাৰ্গেয়ে অহা ১৭ জুলাইত ১৭ টা দলৰ স'তে এক আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। কংগ্ৰেছৰ এক সূত্ৰই প্ৰকাশ কৰা মতে, এন ডি এয়ে উপৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ পাছতহে বিৰোধীয়ে এই পদৰ বাবে প্ৰাৰ্থী নিৰ্বাচন কৰিব।

## হিজাবৰ বিৰুদ্ধে ইৰানৰ ৰাজপথত ব্যাপক প্ৰতিবাদ মহিলাৰ



**নিউজ ব্যুৰ', তেহৰান, ১৪ জুলাই ঃ** ইছলামিক দেশ হিচাপে ইৰানত মহিলাই হিজাব পৰিধান কৰাটো বাধ্যতামূলক। ইৰানৰ মহিলাই যোৱা মঙলবাৰে দেশজুৰি হিজাব বিৰোধী অভিযান আৰম্ভ কৰিলে। ইতিমধ্যে সামাজিক মাধ্যমত ইৰানৰ একাংশ মহিলাই হিজাব পৰিধান নকৰাকৈ এই ইছলামিক পোছাক পৰিধানৰ বাধ্যবাধকতাৰ তীব্ৰ বিৰোধিতা কৰি ভিডিঅ' শ্বেয়াৰ কৰিছে। এনে প্ৰতিবাদৰ জৰিয়তে ইছলামিক ৰিপাব্লিক অৱ্ ইৰানৰ কঠোৰ হিজাব নীতি ভংগ কৰিলে এইসকল মহিলাই। সামাজিক মাধ্যমত ইৰানৰ একাংশ মহিলাই হিজাব বিৰোধিতাৰে 'নো টু হিজাব' শীৰ্ষক এক অভিযান আৰম্ভ কৰিছে। যোৱা ১২ জুলাইত এইসকল মহিলাই হিজাব বিৰোধিতাৰে উক্ত অভিযান আৰম্ভ কৰাৰ কাৰণটো হৈছে উক্ত দিনটো ইৰানত হিজাব আৰু শুদ্ধতাৰ ৰাষ্ট্ৰীয় দিৱস হিচাপে পালন কৰা হয়।

**ডিগবৈৰ টুৰিষ্ট ল'জৰ দেহ ব্যৱসায় কাণ্ড**

## টুৰিষ্ট ল'জৰ স্বত্বাধিকাৰী পংকজ বৰুৱা আৰক্ষীৰ জালত

**ডিগবৈ, ১৪ জুলাই ঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ গোলাইস্থিত চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত টুৰিষ্ট ল'জত তিনিচুকীয়া আৰক্ষীয়ে আকস্মিক অভিযান চলাই তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ মুঠ ১১ গৰাকী যুৱক-যুৱতীক আটক কৰিবলৈ সক্ষম হোৱা বাতৰিয়ে শিৰোনামা দখল কৰাত সমগ্ৰ জিলাখনতে এক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ অনুসৰি, ডিগবৈ আৰক্ষী থানা চৌহদৰ পৰা মাত্ৰ দুশ মিটাৰ নিলগত অৱস্থিত টুৰিষ্ট ল'জখনত দীৰ্ঘদিনৰ পৰা দেহ ব্যৱসায় চলি থকাৰ কথা ডিগবৈ আৰক্ষী জ্ঞাত আছিল। তৎসত্ত্বেও সুদীৰ্ঘ দিন ডিগবৈ আৰক্ষীয়ে টুৰিষ্ট ল'জৰ বিৰুদ্ধে কিয় কোনো আইনীভাৱে ব্যৱস্থা গ্ৰহণ কৰা নাছিল তাকে লৈ ডিগবৈবাসীৰ মাজত চৰ্চাই স্থান লাভ কৰিছে। তিনিচুকীয়া আৰক্ষীৰ আকস্মিক অভিযানত আটক হোৱা ১১ যুৱক-যুৱতীৰ স্বীকাৰোক্তিত টুৰিষ্ট ল'জৰ পৰিচালক তথা ল'জখনত আঠ পৃষ্ঠাত চাওক

## সদৌ অসম প্ৰাদেশিকীত শিক্ষক-কৰ্মচাৰীৰ যৌথ মঞ্চৰ ৰাজভৱন চলো কাৰ্যসূচী

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৪ জুলাই ঃ** সদৌ অসম প্ৰাদেশিকৃত শিক্ষক (টিউটৰ) কৰ্মচাৰী যৌথ মঞ্চৰ শিৱসাগৰ জিলা সমিতিখন যোৱা সাত জুলাইত গঠন কৰা হয়। ২০২১ৰ পাঁচ ফেব্ৰুৱাৰীত অসম চৰকাৰে অনুষ্ঠিত কৰা নিয়োগ মেলাই অসমৰ প্ৰায় ২৭ হেজাৰ শিক্ষক (টিউটৰ)ৰ জীৱনলৈ অন্ধকাৰ নমাই আনিছে বুলি অভিযোগ উত্থাপন কৰি ইয়াৰ বিৰুদ্ধে যৌথ মঞ্চ গঠন হৈছে বুলি নৱ নিৰ্বাচিত সভাপতি ৰজত পাচনী আৰু সম্পাদক সীমান্ত গগৈয়ে জানিবলৈ দিছে। লগতে তেওঁলোকে ১৯ জুলাইত ৰাজভৱন চলো কাৰ্যসূচী হাতত লোৱাৰ কথাও সংবাদ মাধ্যমক জনায়।

## লাওখোৱাৰ পৰা ওলাই অহা বন্যহস্তীৰ উপদ্ৰৱ নগাঁও জিলাৰ ভিন্ন প্ৰান্তত

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৪ জুলাই ঃ** খাদ্যৰ সন্ধানত লাওখোৱা অভয়াৰণ্যৰ পৰা ওলাই অহা দুটাকৈ বন্য হস্তীয়ে নগাঁও জিলাৰ ভিন্ন প্ৰান্তত তাণ্ডৱ অব্যাহত ৰাখিছে। এটা পোৱালিসহ এজনী বনৰীয়া হাতীয়ে আজি পুৱাৰে পৰা নগাঁও চহৰৰ পাৰ্শ্ববৰ্তী চলচলি, টকৌবাৰী, বহুৱাভেটি আদি অঞ্চলত মুক্ত বিচৰণ কৰি থকাত ৰাইজ আতংকিত হৈ পৰিছে। শেহতীয়াকৈ নগাঁও বন বিভাগৰ লোক চলচলিত উপস্থিত হৈ হাতী দুটাক খেদি পঠিওৱাৰ চেষ্টা অব্যাহত ৰাখিছে। অৱশ্যে হাতীজনীয়ে এই অঞ্চলটোত কোনোধৰণৰ ক্ষয়ক্ষতি কৰা নাই। ইপিনে, নগাঁও জিলাৰ পুৰণিগুদামতো বন্যহস্তীৰ উপদ্ৰৱত আতংকিত হৈ পৰিছে অঞ্চলবাসী। এটি পোৱালিসহ এজনী বনৰীয়া মাখুন্দী হাতী যোৱা নিশাই অঞ্চলটোত প্ৰৱেশ কৰি তাণ্ডৱ চলায়। পুৰণিগুদামৰ বিষয়াচুক, হাতীগাঁও, নআলিমুৰ, ৰেলষ্টেছন, মাজগাঁৱত দিনে-নিশাই মুক্ত বিচৰণ কৰি হাতী দুটাই আতংকময় পৰিৱেশৰ সৃষ্টি কৰে। পাছত স্থানীয় লোকৰ খবৰৰ ভিত্তিত বন বিভাগৰ লোক উপস্থিত হৈ আতচবাজী ফুটাই বুধবাৰে বিয়লি ভাগৰ পৰা আৰম্ভ কৰে হাতী খেদোৱাৰ অভিযান। অভিযানৰ মাজতে যোৱা নিশা অঞ্চলটোৰ কে'বাজনো লোকৰ চৌহদৰ ৱাল, গেট, গ্ৰীল, মূল্যবান গছ আদি ভাঙি তহিলং কৰে হাতী দুটাই। অৱশ্যে বন বিভাগে হাতী দুটাক কিছু দূৰলৈহে খেদি পঠিয়াবলৈ সক্ষম হৈছে।

■ চাওতালসকলক চাহ জনগোষ্ঠী কৰাৰ বিৰোধিতা-জনজাতিকৰণৰ দাবী

# চিৰাঙত চাওতাল ছাত্ৰ সন্থাৰ ভূঁই ৰুই প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১৪ জুলাই ঃ** অসমৰ চাওতালসকলৰ জনগোষ্ঠীয় পৰিচয়ৰ সকলো অৰ্হতা থকাৰ পাছতো চাহ জনগোষ্ঠীৰ স'তে চৰকাৰে চামিল কৰিব বিচৰা কাৰ্যৰ বিৰোধিতাৰে আজি চাওতাল ছাত্ৰ সন্থাই চিৰাঙত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। জিলাখনৰ জাউলীয়াবাৰীৰ বীৰগাঁৱত পথাৰত ভূঁই ৰুই প্ৰতিবাদ সাব্যস্ত কৰে সদৌ চাওতাল ছাত্ৰ সন্থাৰ চিৰাং জিলা সমিতিয়ে। চাওতালসকলক জনজাতিকৰণ আৰু ভূমিপট্টা প্ৰদানৰ দাবী জনাই চাওতাল ছাত্ৰ সন্থাই এইদৰে প্ৰতিবাদ জনায়। ছাত্ৰ সংগঠনটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰিমান চোৰেনে কয় যে চাওতালসকল অসমৰ ভূমিপুত্ৰ আৰু প্ৰাচীন এটা জনগোষ্ঠী। কিন্তু চৰকাৰে ষড়যন্ত্ৰমূলকভাৱে এই জনগোষ্ঠীটোক নিঃশেষ কৰিব বিচাৰিছে। চাওতালসকলে ভাৰতৰ প্ৰতিখন ৰাজ্যত জনজাতিকৰণ লাভ কৰাৰ বিপৰীতে অসমত জনজাতিকৰণ নাপালে, যাৰ বাবে দীৰ্ঘদিনৰ পৰাই আন্দোলন চলাই থাকিবলগীয়া হৈছে। চাওতালসকলৰ জনজাতিকৰণ, ভূমিপট্টা প্ৰদান আন্দোলন মষিমূৰ কৰাৰ বাবে অসম চৰকাৰে এতিয়া জনগোষ্ঠীটোক নিঃশেষ কৰি চাহ জনগোষ্ঠীৰে চামিল কৰিব বিচাৰিছে। কিন্তু চাওতাল ছাত্ৰ সন্থাই চৰকাৰৰ এই সিদ্ধান্ত কেতিয়াও মানি নল'ব বুলি সকীয়াই দি চোৰেনে কয় যে প্ৰয়োজনত দেশৰ ৰাজধানী দিল্লীত তীব্ৰ আন্দোলন গঢ়ি আঠ পৃষ্ঠাত চাওক



**ডিব্ৰুগড়ৰ ন-খাটত গাহৰিৰ দেহত ছোৱাইন ফ্লু'**

## ডিব্ৰুগড়তো নিষিদ্ধ হ'ব গাহৰি মাংস

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৪ জুলাই ঃ** ডিব্ৰুগড়ত গাহৰিৰ দেহত ছুৱাইন ফ্লু' চিনাক্ত হোৱাত আতংকৰ সৃষ্টি হৈছে। তথ্য মতে, খোৱাং ন-খাট ৰাজ্যিক পশু চিকিৎসালয়ৰ অন্তৰ্গত ভোগালী পথাৰ গাঁৱত গাহৰিৰ ছুৱাইন ফ্লু' চিনাক্ত হৈছে। গাঁওখনৰ এজন গাহৰি পালকৰ ঘৰৰ পৰা লোৱা নমুনাত এই ৰোগৰ অৱস্থিতি ধৰা পৰিছে। আজি পৰীক্ষাগাৰৰ পৰা অহা নমুনাৰ ফলাফলত আফ্ৰিকান ছুৱাইন ফ্লু' প'জিটিভ বুলি পোহৰলৈ অহাৰ পাছতে বিভাগে উক্ত বাসগৃহটোৰ এক কিলোমিটাৰ ব্যাসাৰ্দ্ধলৈকে ৪৮ টা গাহৰি সংশ্লিষ্ট পশুপালন বিভাগে বৈজ্ঞানিক পদ্ধতিৰে নিধন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আনহাতে, উক্ত স্থানৰ পৰা ১০ কিলোমিটাৰ ব্যাসাৰ্দ্ধলৈকে গাহৰি অথবা গাহৰি মাংস কিনা-বেচাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। লগতে সমগ্ৰ বিষয়টো বিভাগৰ নজৰত ৰখাৰ ব্যৱস্থা কৰিছে। তথ্য মতে, দীৰ্ঘদিন গাহৰিটো অত্যধিক জ্বৰত আক্ৰান্ত হোৱাৰ লগতে দেহৰ বৰণ সলনি হৈছে। বিষয়টো আঠ পৃষ্ঠাত চাওক

## তেজপুৰত অকৰ্তৃত্বশীলভাৱে হৰ্ডিং দখলক লৈ প্ৰতিক্ৰিয়া

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৪ জুলাই ঃ** চৰকাৰী আঁচনিসমূহৰ বিষয়ে সৰ্বসাধাৰণৰ মাজত প্ৰচাৰ কৰাৰ বাবে যিসমূহ হৰ্ডিং তেজপুৰৰ বিভিন্ন স্থানত আছে তাত একাংশ ব্যক্তিগত এজেন্সীয়ে তেওঁলোকৰ বিজ্ঞাপন প্ৰচাৰ কৰাৰ লগতে চৰকাৰী বিজ্ঞাপনো আঁতৰাই দিয়াৰ ঘটনা সংঘটিত হৈছে। আনহাতে, তেজপুৰৰে এনে ব্যক্তিগত এজেন্সীৰ হৰ্ডিং লোহা কাটি নিয়া তথা তেজপুৰৰ এজেন্সীৰ হৰ্ডিঙত গুৱাহাটীৰ একাংশ এজেন্সীয়ে অনুমতিবিহীনভাৱে তেওঁলোকৰ বিজ্ঞাপন আঁৰি দিয়া আদি ঘটনাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে একোটা এজেন্সীয়ে এনে হৰ্ডিং স্থাপনৰ বাবে প্ৰয়োজনীয় স্থান তথা ব'ৰ্ডৰ বিপৰীতে চৰকাৰক নিয়ম অনুসৰি ৰাজহ আদায় দি অআহিছে। শেহতীয়াকৈ একাংশ নতুন এজেন্সীয়ে বিজ্ঞাপন প্ৰচাৰৰ বাবে অনুমতি লাভ কৰিছে যদিও এনে এজেন্সীৰ নিজাববীয়াকৈ নিৰ্দিষ্ট কোনো স্থানত হৰ্ডিং বা ইয়াৰ বাবে প্ৰয়োজনীয় স্থান নাই। তেজপুৰতো জিলা প্ৰশাসনৰ আঠ পৃষ্ঠাত চাওক

## জাপানী এনকেফেলাইটিছত চতিয়াত এজনৰ মৃত্যু ঃ স্বাস্থ্য বিভাগৰ তৎপৰতা

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ১৪ জুলাই ঃ** বিশ্বনাথ জিলাৰ চতিয়া নগৰৰ পুৰণি বজাৰৰ প্ৰমোদ ভট্টাচাৰ্য (৮৬) নামৰ লোকজনৰ যোৱা নিশা জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ তেজপুৰৰ এখন চিকিৎসালয়ত মৃত্যু ঘটে। তথ্য মতে, ভট্টাচাৰ্যই জ্বৰ-কাঁহত ভুগি থকা বাবে যোৱা ন জুলাইত তেজপুৰৰ চিকিৎসালয় এখনত ভৰ্তি কৰোৱা হয়। ৰোগৰ লক্ষণলৈ চাই সন্দেহ কৰি চিকিৎসকে ১২ জুলাইত তেজৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। ইতিমধ্যে ৰোগীৰ অৱস্থা ক্ৰমে জটিল হৈ পৰে আৰু নিশা তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। আজি প্ৰকাশ পোৱা তেজৰ পৰীক্ষাৰ ফলাফলত তেওঁ জাপানী এনকেফেলাইটিছত আক্ৰান্ত হোৱাটো নিশ্চিত হয়। এই খবৰ প্ৰকাশ পোৱাৰ লগে লগে স্বাস্থ্য বিভাগ তৎপৰ হৈ পৰে আৰু পৰিয়ালটোৰ অন্য সদস্যৰ ৰক্ত পৰীক্ষাৰ ব্যৱস্থা কৰে। এই ফলাফল নিগেটিভ আহিছে। স্বাস্থ্য আঠ পৃষ্ঠাত চাওক

## ডিব্ৰুগড়ত গ্ৰেপ্তাৰ মুন্না ভাইৰূপী চিকিৎসক

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৪ জুলাই ঃ** ডিব্ৰুগড়ত পুনৰ মুন্না ভাইৰ সন্ত্ৰাস অৱশেষত ডিব্ৰুগড় সদৰ আৰক্ষীৰ জালত পৰিল মুন্না ভাই এমবিবিএছ। ডিব্ৰুগড় চাউলখোৱাৰ পৰা আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে ছফিকুল হক নামৰ ভুৱা চিকিৎসকজনক। এই মুন্না ভাই চিকিৎসক ছফিকুলে ডিব্ৰুগড়ৰ লাহোৱালত চেম্বাৰ খুলি প্ৰায় সাতমাহ ধৰি চিকিৎসা চলাই আহিছিল বিভিন্নজনক। কেৱল সিমানেই নহয় ছফিকুলৰ ভুৱা চিকিৎসাত কে'বাজনো লোকৰ কথমপি প্ৰাণৰক্ষা পৰাত বিষয়টোৱে সৰ্বাধিক চৰ্চা লাভ কৰে আৰু স্থানীয় ৰাইজৰ মাজত ভীষণ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। সঁচাকৈয়ে আজৰ এই চিকিৎসকৰ চিকিৎসাৰ পদ্ধতি শুনিলে আপোনাৰো চকু কপালত উঠিব। আঙুলি কাটিলে কোন চিকিৎসকে চেলাইন দিয়ে বাৰু? মূৰৰ বিষ হ'লে কোন চিকিৎসকে কিডনি-লিভাৰৰ চিকিৎসা কৰে? আচৰিত নহ'ব, এয়া কিন্তু সম্ভৱ কৰি তুলিছিল ডিব্ৰুগড়ত ধৃত এইজন ভুৱা এমবিবিএছ চিকিৎসক ছফিকুলে। শেষত উপায়ান্তৰ হৈ স্থানীয় ৰাইজৰ দীৰ্ঘদিনীয়া আঠ পৃষ্ঠাত চাওক

**আজৰ চিকিৎসাৰে জীৱনৰ স'তে ধেমালি মুন্না ভাইৰূপী ছফিকুলৰ**

**আজি ভূঞাপাৰা ৰেঞ্জত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ**

## মানাহৰ পৰ্যটন ক্ষেত্ৰত কৰ বৃদ্ধিৰ বিৰুদ্ধে আন্দোলন অব্যাহত

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৪ জুলাই ঃ** প্ৰকৃতিৰ ৰম্যভূমি বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰ্যটনক্ষেত্ৰত বিভিন্ন কৰ বৃদ্ধিৰ বিৰুদ্ধে অব্যাহত আছে আন্দোলন। উল্লেখ্য যে যোৱা পাঁচ জুলাইত বিটিচি চৰকাৰৰ এক নিৰ্দেশনা অনুসৰি মানাহত পৰ্যটকৰ প্ৰৱেশকে ধৰি বিভিন্ন ক্ষেত্ৰত তিনিগুণ পৰ্যন্ত মাচুল বৃদ্ধি কৰাৰ কথা সদৰী কৰিছিল মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালক বৈভৱ চি মাথুৰে। ইয়াৰ পাছতে মানাহৰ পৰ্যটনৰ লগত জড়িত বিভিন্ন সংগঠন জাঙুৰ খাই উঠে আৰু মুঠ ১৪ টা সংগঠনৰ সন্মিলিত সংগঠন 'গ্ৰেটাৰ মানাহ কনজাৰভেছন এণ্ড টুৰিজ্যিম ডেভেলপমেণ্ট ছচাইটি'ৰ উদ্যাগত ১১ জুলাইত বাঁহবাৰী ৰেঞ্জত বৃহৎ প্ৰতিবাদী ধৰ্ণা ৰূপায়ণ কৰা হৈছিল উক্ত কৰ বৃদ্ধিৰ বিৰুদ্ধে। একেদৰে কৰ বৃদ্ধিৰ প্ৰতিবাদত পুনৰ আজি ৰাষ্ট্ৰীয় উদ্যানখনৰ ভূঞাপাৰা ৰেঞ্জৰ প্ৰৱেশদ্বাৰত এঘণ্টীয়া এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত প্ৰতিবাদকাৰী সকলে 'মানাহৰ কৰ বৃদ্ধিৰ সিদ্ধান্ত বাতিল কৰক, ডাইৰেক্টৰ হাটাও মানাহ বচাও, মানাহ আমাৰ গৌৰৱ' আদি বিভিন্ন শ্ল'গান দিয়াৰ উপৰি কৰ বৃদ্ধিৰ প্ৰতীকি নিৰ্দেশনা এখনো দাহ কৰে। আনহাতে কৰ বৃদ্ধিৰ পূৰ্বে সেই সন্দৰ্ভত মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালকগৰাকীয়ে মানাহৰ পৰ্যটনৰ লগত জড়িত বিভিন্ন সংস্থা-সংগঠনৰ স'তে কোনো আলোচনাত মিলিত নোহোৱাকৈ একাকীভাৱে কৰ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰা কাৰ্যত তেওঁৰ বিৰুদ্ধে যথেষ্ট ক্ষোভ প্ৰকাশ কৰে আন্দোলনৰ নেতৃত্ব দিয়া সংগঠনটোৰ বিষয়ববীয়াই। উল্লেখ্য যে আন্দোলনকাৰী সংগঠনৰ লগত বিটিআৰৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰণজিত বসুমতাৰীয়ে ইতিমধ্যে এক আলোচনাত মিলিত হৈ এইক্ষেত্ৰত যথোচিত ব্যৱস্থা লোৱাৰ আশ্বাস প্ৰদান কৰা বুলি জনাইছে গ্ৰেটাৰ মানাহ কনজাৰভেছন এণ্ড টুৰিজ্যিম ডেভেলপমেণ্ট ছচাইটিৰ সভাপতি বুবুল নাথে।

**ধোঁৱা চাঙত উঠিল প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ আঁচনি**

## মিছামাৰীত ভৰ বাৰিষাৰ সময়ত ছিৰাল ফাট দিছে কৃষি পথাৰত

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ১৪ জুলাই ঃ** প্ৰায় এসপ্তাহ মানৰ পূৰ্বে ৰাজ্যখনত হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত নৈ, উপনৈ সমূহৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে কৃষি পথাৰত বৰষুণৰ পানীয়ে উপচি পৰিছিল। কৃষি পথাৰত বৰষুণৰ পানীৰে ভৰি থকাত কৃষক ৰাইজে কঠিয়া সিঁচাৰ লগতে ৰোৱনীসকলে ভুঁইৰোপণ কৰিছিল। কিন্তু বৰ্তমানৰ সময়ত গোলকীয় উষ্ণতা বৃদ্ধি পোৱাৰ ফলত ক্ৰমান্বয়ে কমিবলৈ ধৰিছে বৰষুণ। যাৰ ফলত পানীৰ অভাৱত ভুগিছে একাংশ কৃষক ৰাইজ। ৰাজ্যৰ ৮০ শতাংশ কৃষকেই প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। কৃষি পথাৰত পানী নথকাৰ ফলত মিছামাৰীৰ একাংশ কৃষক সম্প্ৰতি চিন্তিত হৈ পৰিছে। শোণিতপুৰ জিলাৰ মিছামাৰীৰ ভেৰভেৰি কঠালগুৰি গাঁৱৰ একাংশ কৃষি পথাৰত আজিও পানী অভাৱৰ ফলত খেতি পথাৰ শুকান হৈ পৰি আছে। ইফালে যিসকল আঠ পৃষ্ঠাত চাওক



## ভুলবোৰ শুধৰোৱাৰ চেষ্টা কৰিব লাগিব ঃ সাংসদ তাচা

### নগাঁৱত বিজেপিৰ বুথ সশক্তিকৰণ শিবিৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৪ জুলাই ঃ** নগাঁৱত বুথ সশক্তিকৰণ কৰ্মশালা অনুষ্ঠিত কৰি বিজেপিয়ে জিলাখনত দলটোৰ ভেটি আৰু অধিক মজবুত কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। দলটোৱে আজি নগাঁও নাট্য মন্দিৰৰ প্ৰেক্ষাগৃহত নগাঁও লোকসভা সমষ্টিৰ 'বুথ সশক্তিকৰণ অভিযান' শীৰ্ষক এক কৰ্মশালা অনুষ্ঠিত কৰে। দলটোৰ ভিন্ন সমষ্টিত থকা দুৰ্বলতাবোৰ বুজ লৈ অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে এই কৰ্মশালাৰ আয়োজন কৰা হয়। কৰ্মশালাত উপস্থিত থাকে বুথ সশক্তিকৰণ অভিযানৰ আহ্বায়ক, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, শিবু মিশ্ৰ, ৰামকৃষ্ণ ঘোষ, ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক দিপ্লুৰঞ্জন শৰ্মা, জিলা বিজেপিৰ সভাপতি আৰু বিষয়ববীয়াৰ লগতে শতাধিক বিজেপি কৰ্মীয়ে অংশগ্ৰহণ কৰে। বিগত লোকসভা নিৰ্বাচন বা বিধানসভাৰ নিৰ্বাচনত যিবোৰ বুথত বিজেপি জয়ী আঠ পৃষ্ঠাত চাওক

**ব্যৱসায়-বাণিজ্যত পৰা বিৰূপ প্ৰভাৱক লৈ চিন্তিত ব্যৱসায়ী**

## শিৱসাগৰ জিলাত প্ৰচণ্ড উত্তাপত স্তব্ধ জনজীৱন

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১৪ জুলাই ঃ** প্ৰকৃতিৰ ৰূদ্ৰমূৰ্তিৰ পৰিমাণ যেন দিনক দিনে বৃদ্ধি পাব ধৰিছে। পলমকৈ যোৱা এসপ্তাহৰে পৰা হোৱা প্ৰচণ্ড ৰ'দ আৰু গৰমৰ উত্তাপে ভয়ংকৰ ৰূপ ধাৰৰণ কৰিছে জিলাখনৰ সৰ্বস্তৰতে। দিনক দিনে বৃদ্ধি পাব ধৰা টিকা ফটা ৰ'দ আৰু প্ৰচণ্ড গৰমত শিৱসাগৰ জিলাৰ নগৰ-চহৰৰ উপৰি গ্ৰামাঞ্চলৰ ৰাইজৰ স্বাভাৱিক জীৱন যাত্ৰা অচল হৈ পৰিছে। প্ৰচণ্ড উত্তাপত ঘৰ ভিতৰত সোমাব নোৱৰা পৰিস্থিতিৰ সন্মুখীন হৈ গছৰ ছাঁত আশ্ৰয় লোৱাৰ উপৰি নিশা পাৰ কৰি লগা হৈছে জনসাধাৰণে বিনীদ্ৰ ৰজনী। বিশেষকৈ গ্ৰামাঞ্চলত সঘনে হোৱা বিদ্যুতৰ লুকা-ভাকুৰ বাবেই দুৰ্বিষহ জীৱন অতিবাহিত কৰি লগা হৈছে জনসাধাৰণে। স্মৰ্তব্য যে জিলাখনৰ বিভিন্ন প্ৰান্তত থকা ব্যৱসায়িক অঞ্চলসমূহত প্ৰচণ্ড গৰমৰ বাবে গ্ৰাহকৰ সমাগম নিচেই নগণ্য হোৱাত ব্যৱসায়-বাণিজ্যৰে আত্মসংস্থাপনৰ পথ বাছি লোৱা শিক্ষিত নিবনুৱাসকলে নিজৰ ভৱিষ্যতক লৈ বাৰুকৈয়ে উদ্বিগ্ন হৈ পৰিব লগা হৈছে। উল্লেখ্য যে শিৱসাগৰ নৰকে ধৰিগৌৰীসাগৰ, ভটিয়াপাৰ আদি স্থানৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহত প্ৰচণ্ড ৰ'দ আঠ পৃষ্ঠাত চাওক

## ডিব্ৰুগড় চহৰৰ মাজমজিয়াত জ্বলিল মটৰ চাইকেল

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৪ জুলাই ঃ** ডিব্ৰুগড় চহৰৰ মাজমজিয়াত আজি দাও-দাওকৈ হঠাৎ জ্বলি উঠিল এখন মটৰ চাইকেল। ডিব্ৰুগড় চহৰৰ পল্টনবজাৰস্থিত এইছএম হাস্পতালৰ চৌহদত পাৰ্কিং কৰি ৰখা অৱস্থাত প্ৰচণ্ড গৰমত কাৰিকৰী বিজুতি ঘটি অগ্নিকাণ্ড সংঘটিত হয় বুলেটখনত। পিবি-০২ ডিএইছ-৩৬৮৪ বুলেটখন জ্বলি যায়। অৱশ্যে হাস্পতালখনৰ কৰ্মচাৰীসকলে ফায়াৰ এক্সটিং গুইচাৰেৰে বুলেটখনৰ জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয় যদিও কোনো লোক হতাহত হোৱা নাই।

## শ্ৰীৰামপুৰত ইটা কঢ়িওৱা ট্ৰাকৰ পৰা উদ্ধাৰ ৭০ কাৰ্টন সুৰা ঃ এজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১৪ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰত আজি আৰক্ষীয়ে বিশেষ খবৰৰ ভিত্তিত অভিযান চলাই এখন ইটাভৰ্তি ট্ৰাকৰ পৰা বৃহৎ পৰিমাণৰ মেঘালয়ৰ সুৰা জব্দ কৰাৰ লগতে এজনক গ্ৰেপ্তাৰ কৰে। শ্ৰীৰামপুৰ আৰক্ষী চকীৰ আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰায়ৰ নেতৃত্বত আৰক্ষীৰ দলে ৩১ নম্বৰ (গ) ৰাষ্ট্ৰীয় পথৰ পৰা ইটাভৰ্তি এখন ট্ৰাক জব্দ কৰে। বৰপেটাৰ পৰা বংগ অভিমুখে যোৱা ট্ৰাকখন জব্দ কৰি তালাচী চলোৱাৰ পাছত ট্ৰাকখনত থকা ইটাৰ ভিতৰত মদৰ কাৰ্টন ওলাই পৰে। এটা দুষ্ট চক্ৰই ইটাৰ ভিতৰত লুকাই আনিছিল ৭০ টা সুৰাৰ কাৰ্টন। কঢ়িওৱা বি আৰ-০৬ জিডি-২৪৪৪ নম্বৰৰ ট্ৰাকখন বৰপেটাৰ পৰা পশ্চিমবংগৰ জলপাইগুৰিলৈ যোৱাৰ কথা আছিল যদিও বিশেষ সূত্ৰে লাভ কৰা তথ্যৰ ভিত্তিত অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰত ট্ৰাকখনৰ লগতে চালক ৰফিকুলক খেদি খেদি আঠ পৃষ্ঠাত চাওক

## শিৱসাগৰৰ গৌৰৱ শিৰীষ কুমাৰ ভট্টাচাৰ্যৰ চণ্ডীগড়ত চিকিৎসাধীন অৱস্থাত মৃত্যু

**গৱেষণামূলক সাহিত্য সৃষ্টি সাধকৰ মৃত্যুত শোকস্তব্ধ শিৱসাগৰ**

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৪ জুলাই ঃ** শিৱসাগৰ ছোৱালী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, শিক্ষাবিদ, চিন্তাবিদ, সুলেখক, প্ৰবন্ধকাৰ শিৰীষ কুমাৰ ভট্টাচাৰ্য (৭৮)ৰ আজি পুৱা ৭.৩০ বজাত চণ্ডীগড়ত মৃত্যু হয়। হৃদৰোগকে ধৰি বিভিন্ন ৰোগত আক্ৰান্ত ভট্টাচাৰ্য চণ্ডীগড়ৰ 'প'ষ্ট গ্ৰেজুৱেট ইনষ্টিটিউট অৱ মেডিকেল এণ্ড ৰিচাৰ্ছ'ত বিগত মে'ৰ পৰা চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ স'তে যুঁজ দি আজি পুৱা চণ্ডীগড়ত থকা কনিষ্ঠ কন্যাৰ ঘৰত শিৱসাগৰৰ অন্যতম গৌৰৱগৰাকীৰ মৃত্যু হয়। নিৰলে জ্ঞান আৰু সত্যৰ সাধনা কৰা ভট্টাচাৰ্যৰ দিখৌমুখ খনাখোকোৱা ধনেখোৱা গাঁৱত ১৯৪৪ৰ ৩০ ছেপ্টেম্বৰত জন্ম হয়। তেওঁৰ পিতৃ আছিল কত্যায়ন বংশৰ মুক্তানাথ ভট্টাচাৰ্য আৰু মাতৃ লোকদা ভট্টাচাৰ্য। ৬২ নম্বৰ খৰাধৰা এলপি স্কুলৰ পৰা প্ৰাথমিক শিক্ষা সাং কৰি ভট্টাচাৰ্যই খনাখোকোৱা এমভি আৰু এমই স্কুলত শিক্ষা গ্ৰহণ কৰি অৱশেষত গৌৰীসাগৰ ইণ্ডাষ্ট্ৰিয়েল ইনষ্টিটিউটৰ পৰা মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। শিৱসাগৰ কলেজৰ পৰা আইএ পাছ কৰি কটন আঠ পৃষ্ঠাত চাওক

## গধুৰ যান-বাহন চলাচল বন্ধ কৰাৰ দাবীত কামপুৰত পথ অৱৰোধ

**বিশেষ সংবাদদাতা**


**নগাঁও, ১৪ জুলাই ঃ** কপিলীৰ প্ৰলয়ংকৰী বানে কামপুৰ অঞ্চলৰ বিভিন্ন ৰাস্তা-ঘাট বিধ্বস্ত কৰি পেলোৱাত ৰাইজে যাতায়তৰ ক্ষেত্ৰত চৰম হাৰাশাস্তি ভুগিবলগীয়া হৈছে। ইয়াৰ মাজতে শেহতীয়াকৈ কামপুৰ-ভলভলীয়াগাঁও-কঠীয়াতলী পথটোহে কামপুৰক বহিঃজগতৰ স'তে সম্পৰ্ক অব্যাহত ৰাখিছে। নিতৌ শ শ গধুৰ যান-বাহন, অধিক বোজাই কৰা বালিৰ ট্ৰাক অহৰহ চলাচল কৰি থকাৰ ফলত পথটোলৈ ভাবুকি নামি আহিছে। এই কামপুৰ-ভলভলীয়া গাঁও-কঠীয়াতলী পথটোৰ মাজৰ আটি, ভলভলীয়া গাঁও, শান্তি পট্টিকে ধৰি কে'বা স্থানত বৃহৎ বৃহৎ ফাঁট মেলা পৰিলক্ষিত হৈছে। সেয়ে আজি এই পথটোৰ একাংশ ৰাইজ অতিষ্ঠ হৈ পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে 'বালি মাফিয়াৰাজ বন্ধ কৰক, বন বিভাগ মুৰ্দাবাদ, অধিক বোজাই বালি ট্ৰাক চলাচল বন্ধ কৰক, কামপুৰ ৰেঞ্জাৰ মুৰ্দাবাদ' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল আঠ পৃষ্ঠাত চাওক

**বিধ্বস্ত পথ অধিক শোচনীয় কৰিছে বালিৰ ট্ৰাকে**

## বানপানীত বিস্তৰ ক্ষতি সাওঁৰাচৰা পাথাৰ মধ্য চৰপাৰা প্ৰাথমিক বিদ্যালয়ৰ

**কলগাছিয়া, ১৪ জুলাই ঃ** বৰপেটা জিলাৰ ৰূপসী প্ৰথামিক শিক্ষাখণ্ডৰ অন্তৰ্গত সাওৰাচৰা পাথাৰ মধ্য চৰপাৰা প্ৰাথমিক বিদ্যালয়ত নাই কোনো পাঠদানৰ পৰিৱেশ। অলপতে হৈ যোৱা বানপানীয়ে তচনচ কৰি গৈছে বিদ্যালয় গৃহ। বিদ্যালয় গৃহৰ মাজেদি বানপানীৰ প্ৰৱল সোঁতে খহাই নিছে গৃহৰ ভেঁটি। আনকি বালিৰ তলত পোত গৈছে কে'বাটাও শ্ৰেণী কোঠা। ফলত বিদ্যালয়খন পাঠদানৰ বাবে অনুপযোগী হৈ পৰিছে। ইফালে, বেঁকী নদীৰ খহনীয়াৰ চৰম ভাবুকিৰ আঠ পৃষ্ঠাত চাওক





## নগাৰ নৰোত্তম এজন উত্তম ভকত

**খগেন বৰুৱা**

**শ্ৰীমন্ত** শংকৰদেৱ গুৰুজনাই প্ৰৱৰ্তন কৰা একশৰণ হৰিনাম ধৰ্মই এটা সময়ত পাহাৰ-ভৈয়ামৰ সকলোতে খলকনি তুলিছিল। সেই খলকনি নগাপাহাৰৰ নামচাং গাঁৱতো উঠিছিলগৈ।

চাচনিত শ্ৰীৰাম আতা নামে এজন ভকতে বাৰেঘৰীয়া সত্ৰ প্ৰতিষ্ঠা কৰিছিল। এইজন শ্ৰীৰাম আতা বোধকৰো গুৰুজনাৰ একান্ত শিষ্য আৰু সেৱক সেইজন শ্ৰীৰাম আতা নহয়। যিহেতু তেৰাই ১৫ শতিকাত জন্ম লাভ কৰিছিল। আৰু বাৰেঘৰীয়া সত্ৰৰ প্ৰতিষ্ঠাতা এইজন শ্ৰীৰামৰ আতা ১৮ শতিকাত জন্ম গ্ৰহণ কৰিছিল। বাৰেঘৰীয়া সত্ৰখন নানা মহিমাৰে মহীয়ান আছিল বুলি প্ৰবাদ আছে। এজন নগা প্ৰায়ে লামচাঙৰ পৰা ভৈয়ামলৈ নামি আহে। আন এদিন নামি আহি চাচনি নৈ পালেহি। উত্তৰ পাৰে শ্ৰীৰাম আতাই গা ধুবলৈ চাচনি নদীত নমাৰ লগে লগে নদীৰ পানী শুকাই গ'ল। সিটো পাৰৰ পৰা নগাজনে আতাক গা-ধোৱা চাই আছিল। হঠাতে নদীৰ পানী কমি যোৱাত তেওঁ বিস্ময় মানিলে। এনে বিস্ময়কৰ ঘটনা দেখি তেওঁ ভক্তি ধৰ্ম বা নামধৰ্মৰে মহিমা বুলি ধৰি ল'লে। তেওঁৰ অনুসন্ধিৎসু মানুহটোৰ বাৰেঘৰীয়া সত্ৰত উপস্থিত হ'লগৈ। সত্ৰৰ ভকতীয়া আচৰণ বিধি আৰু তেওঁলোকৰ স্নেহাশিস সম্ভাষণে তেওঁৰ মন পুলকিত কৰিলে আৰু তেওঁ সঘনাই সত্ৰলৈ গৈ থাকিল। সত্ৰত দৈনিক হৈ থকা নাম প্ৰসংগ আৰু ভাগৱত চৰ্চাই তেওঁৰ প্ৰাণত ভক্তিৰ সঞ্চাৰ কৰিলে। ভক্তি ধৰ্মৰ প্ৰতি আকৰ্ষিত হোৱাত ভক্তি ধৰ্মৰ একো আও-ভাও নোপোৱা পাহাৰীয়া লোক এজন হৈয়ো তেওঁ ভক্তি ধৰ্মত দীক্ষিত হ'বলৈ ইচ্ছা প্ৰকাশ কৰিলে। সত্ৰাধিকাৰ শ্ৰীৰাম আতাই ধৰ্মপ্ৰাণ পুৰুষজনৰ পৰীক্ষা ল'লে তেওঁ ধৰ্ম পালন কৰিবলৈ সমৰ্থ হ'ব নে নহয়। আটায়ে এগছি বন্তি জ্বলাই চাচনি নদীত উটুৱাই দিলে। আতাই মনতে ভাবিলে। বন্তি গছি যদি সিটো পাৰে অৰ্থাৎ দক্ষিণ পাৰে ঘাতটো য'ত নগাজনম ৰৈ আছিল বন্তিগছি ৰৈ যায়। তেনেহ'লে ভক্তি প্ৰয়াসী লোকজনক নামধৰ্মত দীক্ষিত কৰিব পৰা যাব। দৈৱক্ৰমে বন্তিগছি সেই বিশেষ বাটটোত ৰৈ গ'ল। অৰ্থাৎ তেওঁ পৰীক্ষাত উত্তীৰ্ণ হ'ল আৰু শ্ৰীৰাম আতাই শৰণ দি তেওঁক নাম ধৰ্মত দীক্ষিত কৰিলে। তেতিয়াৰ পৰা তেওঁ একশৰণ হৰিনাম ধৰ্মৰ একান্ত সেৱক হৈ পৰিল আৰু একান্ত ভকত হিচাপে তেওঁক নাম দিয়া হ'ল নৰোত্তম।

নগাসকলৰ মাজত ছেমা, আও, আংগামীকে ধৰি ভালেমান গোষ্ঠী আছে। নৰোত্তম নক্তে গোষ্ঠীৰ আছিল আৰু সেই বিশেষ ভক্তজনে ঈশ্বৰ কৃষ্ণৰ চৰণত মনপ্ৰাণ সপি দি বন্দনা কৰিলে 'মই দুৰাচাৰ/কেৱলে তোমাৰ/অপৰাধী নাৰায়ণ। ক্ষমিয়োক হৰি/লৈয়ো দাস কৰি পশিলো হেৰা শৰণ।' তেওঁ নামচাং আৰু তাৰ আশে-পাশে হৰিনাম ধৰ্ম প্ৰচাৰ-প্ৰসাৰ কৰিছিল। এই ক্ষেত্ৰত নৰোত্তম যথেষ্ট সফল হৈছিল। নামচাং অঞ্চলত এতিয়াও বৰ্তি থকা নামঘৰ কেইটাই তাৰ সাক্ষ্য প্ৰমাণ দিয়ে। বৰ্তমানেও কে'বাটাও নামঘৰ আটক ধুনীয়া হৈ জিলিকি আছে। কিছুমান মেৰামতিৰ অভাৱত জহি-খহি গৈছে। এই নামঘৰবোৰৰ মেৰামতি বা উন্নীতকৰণৰ বাবে নাগালেণ্ড চৰকাৰে কোনো অনুদান দিয়া নাই। আজি কিছু বছৰৰ আগৰ পৰাই সেই অঞ্চলবোৰত খ্ৰীষ্টান ধৰ্মৰ প্ৰভাৱ পৰিছে।

অসমৰ মহাপুৰুষীয়া সত্ৰবোৰ নিজক লৈয়ে ব্যস্ত হৈ থাকিল। পাহাৰ-ভৈয়ামৰ জনজাতি অঞ্চলবোৰত আমাৰ ভক্তি ধৰ্মটোৰ প্ৰচাৰ-প্ৰসাৰৰ কোনো ব্যৱস্থা গঢ়ি নুঠিল। মিছনাৰীসকলে ইয়াৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰি জনজাতীয় ভাই-ভনীসকলৰ মাজত তেওঁলোকৰ ধৰ্মটো প্ৰচাৰ-প্ৰসাৰ কৰাত কৃতকাৰ্য হ'ল আৰু এই সুযোগতে তেওঁলোকৰ মাজত আত্মীয়তাও গঢ়ি উঠিল। ইমানবোৰ জটিলতাৰ মাজতো নগা পাহাৰত নৰোত্তমৰ বংশধৰ নক্তেসকলে ক্ষীণকৈ হ'লেও হৰিনাম ধৰ্মটো নগা পাহাৰত জীয়াই ৰাখিছে।

নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মিচিঙৰ পৰমানন্দ, মুছলমানৰ চান্দ সাঁই, কৈৱৰ্তৰ পূৰ্ণানন্দ এইসকল একান্ত ভকতে শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি ধৰ্মলৈ যথেষ্ট অৱদান আগবঢ়াই থৈ গৈছে। বিশেষকৈ জনজাতিসকলৰ ভক্তি ধৰ্ম গ্ৰহণে সমাজত চলি থকা ভেদাভেদবোৰ বহু পৰিমাণে দূৰ কৰিছিল আৰু বিভিন্ন জাতি-জনগোষ্ঠীবোৰ ইটোৰে সিটোৰ ওচৰ চাপি অহাত সমন্বয়ৰ বাট মুকলি কৰিছিল, কিন্তু একালৰ বৃন্দাৱন একালত পৰে ছন। সময় বাগৰাৰ লগে লগে পাহাৰ-ভৈয়ামৰ জনজাতি অঞ্চলবোৰত ভক্তি ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰ সংকুচিত হ'বলৈ ধৰিলে। ৰাজনৈতিক, সামাজিক আৰু বিভিন্ন কাৰণত এই সংকোচনৰ গতি থমকি ৰোৱাৰ পৰিৱৰ্তে অৱধাৰিতভাৱে চলি থাকিল। দুৰ্ভাগ্য আৰু দুখৰ কথা যে ভক্তি ধৰ্ম আৰু সত্ৰ-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীৰ গাতে লাগি বহুতো মিচিং লোক ভক্তি ধৰ্ম এৰি খ্ৰীষ্টান ধৰ্মত দীক্ষিত হৈছে। তেওঁলোকৰ অভিযোগ—তেওঁলোকক অৱজ্ঞাৰ চকুৰে চোৱা হয় আৰু তেওঁলোকে সত্ৰৰ পৰা যিমানখিনি মৰম-চেনেহ, আদৰ-সাদৰ পাব লাগে, তেওঁলোক তাৰ পৰা বঞ্চিত। সেয়েহে এতিয়া মাজুলীত গিৰ্জাই গিজগিজাই আছে।

বাৰেঘৰীয়া সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীৰাম আতা ১৭৪৭ খ্ৰীষ্টাব্দত বৈকুণ্ঠগামী হয়। সেই একে দিনাই নৰোত্তম ভকতজনাৰো বৈকুণ্ঠ গমন হয়। দুয়োকে একেলগে সংকাৰ কৰা হয়। দেহ দুটা হ'ব পাৰে, কিন্তু আত্মা যে এক, তেওঁলোক দুজনৰ সমূহীয়া সংকাৰে সনাতন সত্যটোকে প্ৰকাশ কৰিছে।

*ফোন ঃ ৯৯৫৪৮৯০০৬৫*

## বিশ্বাস ঈশ্বৰ আৰু বিজ্ঞান

**নীলিমা গোস্বামী**

**ব্ৰহ্মস্বৰূপ মানুহে বৈষয়িক তাড়নাত পৰি, ব্ৰহ্মত্বৰ বিলোপ সাধন কৰে। পাহৰি যায় তেওঁ কোন, কিয় তেওঁ পৃথিৱীত জন্মলাভ কৰিছিল! তেওঁৰ কৰ্তব্য কি? পূজা-সেৱা, নাম-কীৰ্তন, ধ্যান বা মেডিটেছন আদি হ'ল সেই তত্ত্ব উপলব্ধি কৰাৰ এক সাধনা। নিজৰ মাজৰ পৰা জড়তা, মলিনতা দূৰ কৰাৰ এক প্ৰচেষ্টা। মায়া-মলিনতাই আমাক আৱৰি ৰখাৰ বাবে আমি উপলব্ধি কৰিব নোৱাৰো যে আমি পৰমাত্মাৰেই অংশ**



**ঈশ্বৰ** বিশ্বাসৰ ক্ষেত্ৰখন, আস্তিক, নাস্তিক, বিশ্বাস আৰু অন্ধ বিশ্বাসৰে ভৰা। 'নাস্তিক' বুলি এটা শ্ৰেণী থাকিলেও সম্পূৰ্ণ নাস্তিক লোক বিচাৰি পোৱা নাযায়। বৈজ্ঞানিক ধাৰণা মতে, তামোল-পাণ-চূণ একেলগে খালে ৰঙা পিক উৎপন্ন হোৱাৰ দৰে, এটি স্বতঃস্ফূৰ্ত কেমিকেল ৰিয়েকছন হৈ এই বিশ্বজগত সৃষ্টি হৈছে। চৌদিশত যে এটা 'হাৰমনি' প্ৰত্যক্ষ কৰা যায়, সেয়াও বিশেষ কাৰ্য কাৰণৰ ভিত্তিতেই হৈছে। ওপৰত কোনো সচ্চিদানন্দৰ খেলা নাই। বিজ্ঞানে আৰু ক'বলৈ বিচাৰে যে— ভক্তৰ ওপৰত তুষ্ট, অভক্তৰ ওপৰত ৰুষ্ট ভগৱানজন বা স্বৰ্গ-নৰকৰ কল্পনা এইবিলাক সংস্কাৰবদ্ধ অজ্ঞানীৰহে কথা। কিন্তু বিখ্যাত বৈজ্ঞানিক আইনষ্টাইনে প্ৰকাৰান্তৰে এক শক্তিক স্বীকাৰ কৰিছে। তেওঁৰ মতে— 'এই বিশ্বব্ৰহ্মাণ্ড সৃষ্টিৰ মূলত আছে— অজ্ঞেয় অলৌকিক আৰু চিৰ ভাস্বৰ এক বিস্ময়কৰ প্ৰতিভাৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণ। আমাৰ পাৰ্থিৱ জীৱনৰ অনুভূতিসমূহে সেই অতিন্দ্ৰীয় জগতৰ স্পৰ্শ নাপায়। আমাৰ জাগতিক স্থূল বুদ্ধি-বৃত্তিবোৰ তীব্ৰ বাস্তৱতাৰে নিয়ন্ত্ৰিত আৰু দৈহিক সীমনাত আবদ্ধ, সেয়ে আমাৰ ইন্দ্ৰিয়জাত অনুভূতি আৰু জ্ঞানে সেই বিস্ময়কৰ প্ৰতিভাৰ সন্ধান নাপায়...।' সৰ্বসাধাৰণ লোক এই উপলব্ধিৰ পৰা শতযোজন দূৰৈত থাকে, স্পিনোজা আৰু অন্যান্য বৈজ্ঞানিকসকলেও কৈছে— 'এই মহাবিশ্ব সদায় নিয়ন্ত্ৰিত শৃংখলাৰে ছন্দিত হৈ থাকে। বৈজ্ঞানিক স্পিনোজাই মহা প্ৰকৃতিৰ এই কৰ্মময় ছন্দৰ নামকৰণ কৰিছে ঈশ্বৰ বুলি। ভাৰতীয় পণ্ডিত আৰু চিন্তাবিদ ৰামানুজাচাৰ্যৰ 'সৰ্বং খল্বিদং ব্ৰহ্ম' এই চিন্তাধাৰাৰ স'তে স্পিনোজাৰ ঈশ্বৰ বিশ্বাসৰ সাদৃশ্য লক্ষ্য কৰা যায়। সৰ্বসাধাৰণে কেতিয়াও ঈশ্বৰ বিশ্বাস নকৰাকৈ থাকিব নোৱাৰে। প্ৰায় সকলো লোকেই ঈশ্বৰ বিশ্বাস কৰে। ঈশ্বৰৰ প্ৰতি এনে বিশ্বাস থকাৰ বাবেই মানুহে কেতিয়াও নিজকে নিৰাশ্ৰয়, নিঃসহায় বুলি নাভাবে। জীৱনৰ বাটত বাট বুলি অগ্ৰসৰ হওঁতে—সফলতাৰ বেলিকাও ভগৱানক ধন্যবাদ জনায়— অসফল হ'লেও— 'হে' ভগৱান কি কৰিলা' বুলি ঈশ্বৰক দোষাৰোপ কৰে। সৰ্বসাধাৰণৰ কাৰণে জীৱনৰ প্ৰতিটো খোজ ভগৱানময়। সৰুতে পৰীক্ষা আহিলেই ঘিউৰ চাকি এসোপা লৈ দললৈ যোৱাটো নিৰ্ঘাত আছিল। তেতিয়া এনেকুৱা লাগিছিল দ'লকেইটা যেন শিৱসাগৰবাসীৰ ৰক্ষাকবচ। জীৱনৰ ভাল-বেয়া ঘটনা-দুৰ্ঘটনাবোৰো যেন দ'লকেইটাই নিয়ন্ত্ৰণ কৰি থাকে।

কোনেও ঈশ্বৰ বিশ্বাস বা ভগৱানক এৰাই চলিব নোৱাৰে। জীৱনত মানুহে বহুত সংগ্ৰাম কৰিবলগীয়া হয়। প্ৰত্যক্ষ কৰিবলগীয়া হয় জীৱনৰ উঠা নমা গতি। দুখ-শোকৰ বোজাৰে ভাৰাক্ৰান্ত মানুহৰ জীৱনত সুখ এচমকা বিজুলীৰ দৰে ক্ষণস্থায়ী। ঈশ্বৰ যেন এক আলম। এক অৱলম্বন, যাৰ ভৰসাত মানুহে স্বপ্ন দেখে উজ্জ্বল ভৱিষ্যতৰ, ঈশ্বৰ হ'ল মানুহৰ অৱশেষ আশা-ভৰসাৰ স্থল। প্ৰতিজন মানুহৰ অন্তৰত সুপ্তভাৱে হ'লেও এনে বিশ্বাসৰ বীজ থাকে। নাস্তিকজনৰ অন্তৰতো এনে বিশ্বাসৰ বীজ থাকে। তেওঁ হয়তো ক'ব— 'মই ঈশ্বৰ বিশ্বাস নকৰো কিন্তু মানুহৰ বিশ্বাসক বিশ্বাস কৰো। 'I believe in people and people believe in God'। ঈশ্বৰ ধৰ্ম-কৰ্ম নামানো বুলি কোৱাজনক উদ্দেশ্য কৰি বিজ্ঞজনে কৈছে— You want to get rid of religion? Religion is a fixture, Get over it'

নিজকে নাস্তিক বুলি কোৱা এজনে এবাৰ বিমান যাত্ৰা কৰিছিল। হঠাতে বিমানখনত কিবা এটা হ'ল। থৰথৰাই কঁপি উঠিল, বিমান ইফালে সিফালে গতি কৰি দিকভ্ৰান্তৰ দৰে হ'ল। অভাৰহেড কম্পাৰ্টমেণ্টৰ পৰা লাগেজবোৰ ধুপধাপকৈ তলত পৰিল। এয়াৰ হ'ষ্টেছ আৰু ষ্টুৱাৰ্টকেইজনে খোজৰ নিয়ন্ত্ৰণ ৰাখিবলৈ য'তে ত'তে খামুচি ধৰিলে। ভিতৰৰ আৰোহীসকলে অত্ৰাহি হৈ চিঞৰিবলৈ ধৰিলে। যেয়ে যেনেকৈ পাৰে ভগৱানৰ নাম ল'লে, নিজকে নাস্তিক বুলি কোৱা জনেও ভগৱানৰ যিমান নাম মনত পৰিল সকলো নামেৰে এফালৰ পৰা চিঞৰি মাতিবলৈ ধৰিলে। অৱশ্যে ভবা ধৰণে একো নহ'ল— সকলো শান্ত হৈ পৰিল আৰু বিমানখনেও নিৰাপদে অৱতৰণ কৰিলেগৈ।

বিপদৰ সময়ত স্বতঃস্ফূৰ্তভাৱেই নাস্তিকৰ মুখৰ পৰাও ঈশ্বৰৰ নাম ওলায়। ঈশ্বৰ বিশ্বাস সকলোৰে মনত সুপ্তভাৱে হ'লেও শিপাই থকা এক বদ্ধমূল ধাৰণা। কোনেও এৰাই চলিব নোৱাৰে। আমাৰ পঞ্চ ইন্দ্ৰিয় থাকিলেও এনে এক ইন্দ্ৰিয় নাই যাৰ দ্বাৰা আমি কাইলৈটো, পৰহিলৈটো বা ভৱিষ্যতটো দেখা পাওঁ। অদৃষ্টৰ ৰূপত কণাৰ লাখুটিৰ দৰে তেতিয়া ঈশ্বৰ আমাৰ সহায় হয়। এনে বিশ্বাসে যদি ঘাত-প্ৰতিঘাতেৰে ভৰা জীৱন যন্ত্ৰণাৰ অৱসান ঘটাব পাৰে, এটা বলিষ্ঠ আৰু জীৱন্ত আশ্বাসে যদি মানুহৰ মনত চৰৈৱেতি মহামন্ত্ৰৰ প্ৰেৰণাৰে আগবাঢ়ি যোৱাত সহায় কৰে তেন্তে তেনে 'বিশ্বাস' মানুহ জৱীনৰ কাৰণে অপৰিহাৰ্য বুলি ক'ব পৰা যায়। এনে বিশ্বাস মানুহৰ জীৱনৰ সঞ্জীৱনী শক্তি। এই বিশ্বাসৰ আলম লৈয়েই মানুহে নিশ্চিন্ত হৈ কামত অগ্ৰসৰ হয়। এনে বিশ্বাসৰ কাৰণে মানুহে অহৰহ পূজা কৰে, ধ্যান কৰে, নাম-কীৰ্তন কৰে, প্ৰাৰ্থনা কৰে। এবাৰ 'Galton' নামৰ এজন বৈজ্ঞানিকে মানুহে কৰা প্ৰাৰ্থনাই কাম দিয়ে নে নিদিয়ে সেই বিষয়ত বোলে এটা সমীক্ষা চলাইছিল। তেওঁৰ প্ৰশ্নটো আছিল— ব্ৰিটেইনৰ সমস্ত গিৰ্জা ঘৰত, দেওবাৰৰ দিনা প্ৰজাবিলাকে, ৰয়েল ফেমিলীৰ সু-স্বাস্থ্যৰ কাৰণে প্ৰাৰ্থনা কৰে কিন্তু সাধাৰণ লোকৰ কাৰণে, প্ৰাৰ্থনা কেৱল পৰিয়ালৰ লোক আৰু বন্ধু-বান্ধৱেহে কৰে, সেই দৃষ্টিকোণেদি সৰ্বসাধাৰণসকল বেছি ৰুগীয়া আৰু ৰয়েল ফেমিলীৰ লোকসকল স্বাস্থ্যবান হোৱা উচিত আছিল। কিন্তু আচলতে তেনে নহয়। কিয়? কিছুমান প্ৰশ্নৰ উত্তৰ অংকৰ দৰে যোগ-বিয়োগ কৰি বিচাৰি পোৱা নাযায়। য'ত ভক্তি আৰু বিশ্বাসে কাম কৰে তাত যুক্তি নাথাকে, কিন্তু প্ৰেম ভক্তিৰ অভাৱত কামৰ অৰ্থও নাথাকে।

বিভিন্ন দেশৰ, বিভিন্ন লোকৰ, বিভিন্ন বিশ্বাসৰ আধাৰত গঢ় লৈ উঠা বিভিন্ন আচৰণ প্ৰত্যক্ষ কৰা যায়। কিছুলোকে পশু বলি দিয়ে, কিছুলোকে আত্মোৎসৰ্গাও কৰে, পানীত শৰীৰৰ অৰ্ধেক ডুবাই ৰাখি পূজা কৰে, মাটিত বাগৰি বাগৰি মন্দিৰলৈ আহে, অমৰনাথত প্ৰাকৃতিক দুৰ্যোগত অসংখ্য ভক্তৰ মৃত্যু হয় তথাপি মানুহ আহে। ঈশ্বৰৰ নামত অজস্ৰ বিশ্বাসে মানুহৰ মনত ক্ৰিয়া কৰি থাকে। সেয়ে এজন আস্তিক, এজন নাস্তিকতকৈ বেছি সুখী। কিয়নো তেওঁ নিচাসক্ত এজনৰ দৰে আপোনভোলা হৈ নিজৰ বিশ্বাসত আকণ্ঠ ডুবি জীৱন নিৰ্বাহ কৰে। কথাষাৰ কৈছিল— জৰ্জ বাৰ্ণাৰ্ড শ্বই।

কিছুমান বিশ্বাসে মানুহক হাৰাশাস্তিও কৰে, যিবোৰ অন্ধবিশ্বাস ডাইনী প্ৰথাৰ দৰে ভয়ানক। উচ্চশিক্ষিত বা বুদ্ধিজীৱীৰ মনতো কেতিয়াবা নিজাকৈ কিছুমান বিশ্বাসে বাহ লৈ থাকে। অষ্ট্ৰেলিয়াৰ দৰে উন্নত মহাদেশতো, এব'ৰিজিন বা আদিবাসীসকলে হাবি-জংঘলত ঘূৰি-ফুৰি অঘৰী জীৱন যাপন কৰাৰ পোষকতা কৰে, ডাইনী প্ৰথাত বিশ্বাস কৰে। মানুহৰ বোধ-বুদ্ধিৰ এই ভাৰসাম্যহীনতাক লক্ষ্য কৰি বৈজ্ঞানিক Sterelny য়ে কৈছিল— 'How we can be simultaneously so smart and so dumb.'

ব্ৰহ্মস্বৰূপ মানুহে বৈষয়িক তাড়নাত পৰি, ব্ৰহ্মত্বৰ বিলোপ সাধন কৰে। পাহৰি যায় তেওঁ কোন, কিয় তেওঁ পৃথিৱীত জন্মলাভ কৰিছিল! তেওঁৰ কৰ্তব্য কি? পূজা-সেৱা, নাম-কীৰ্তন, ধ্যান বা মেডিটেছন আদি হ'ল সেই তত্ত্ব উপলব্ধি কৰাৰ এক সাধনা। নিজৰ মাজৰ পৰা জড়তা, মলিনতা দূৰ কৰাৰ এক প্ৰচেষ্টা। মায়া-মলিনতাই আমাক আৱৰি ৰখাৰ বাবে আমি উপলব্ধি কৰিব নোৱাৰো যে আমি পৰমাত্মাৰেই অংশ। আমাৰ মাজতেই ঈশ্বৰ বিদ্যমান। ধৰ্ম, পূজা, ধ্যান, বিজ্ঞান সকলোৰে উদ্দেশ্য একেটাই। ঐক্য স্থাপন। ঐক্য স্থাপন কৰে আত্মাৰ লগত পৰমাত্মাৰ। বিজ্ঞানে যদিও ধৰ্ম, ঈশ্বৰ আদিক এৰাই চলে বা অৱজ্ঞা কৰে তথাপি বিজ্ঞানীসকলৰ অহৰহ সাধনা বা গৱেষণাৰ যোগেদি বিশ্বব্ৰহ্মাণ্ডৰ সাঁথৰ ভাঙিবলৈ তৎপৰ হৈ থাকে।

ধৰ্মৰ তত্ত্বয়ো ভক্ত সাধনাৰ দ্বাৰা একে উদ্দেশ্যকে প্ৰতীয়মান কৰিবলৈ বিচাৰে, কিন্তু মানুহৰ তৰল বিশ্বাস আৰু ভাৱনাৰ দ্বাৰা প্ৰেৰিত হৈ ধৰ্ম-ঈশ্বৰৰ অৰ্থ বিকৃত হৈ পৰিছে। স্বাৰ্থান্ধ মানুহে নিজ স্বাৰ্থৰ অনুকূলে এইবোৰ ব্যৱহাৰ কৰি, নিজৰ বৈষয়িক স্বাৰ্থসিদ্ধি কৰাত গুৰুত্ব আৰোপ কৰিছে।

আচাৰ-অনুষ্ঠানৰ ভিন্নতা থাকে, নিয়ম-নীতিৰ ভিন্নতা থাকে— কিন্তু মানুহে তেওঁক বিচাৰি উদগ্ৰীৱ হৈ থাকে। তেওঁ হ'ব পাৰে কৃষ্ণ, শিৱ, দুৰ্গা, আল্লা, গড, পৰমেশ্বৰ নাইবা স্পিনোজাৰ সেই ঈশ্বৰ আইনষ্টাইনৰ 'বিস্ময়কৰ প্ৰতিভা'। সৰ্বসাধাৰণে আকাৰ-প্ৰকাৰ দি পূজি আছে আৰু বিজ্ঞানীয়ে মহাশক্তিৰূপে স্বীকৃতি দিছে।

*ফোন ঃ ৯৯৫৪০৩৫৪৪৪*

## কোৰানত আল্লাহ জাল্লে-শ্বানুহে নিজকে 'আমি' সৰ্বনামেৰে কিয় সম্বোধন কৰিছে?

**ছাদুল্লাহ আহমেদ**

**পৰমস্ৰষ্টা** এক, একক; অদ্বৈত। ইয়াৰ কোনো শ্বৰীফ বা অংশীদাৰ নাই, অৰ্থাৎ ইয়াৰ সমকক্ষ নাই নতুবা কদাপি হ'বও নোৱাৰে; ইয়াৰ সাৰ্বভৌমত্ব সৰ্বত্ৰ, সৰ্বব্যাপী। এই কথাষাৰ বিশ্বৰ প্ৰায়বোৰ মুখ্য বা প্ৰধান, প্ৰধান ধৰ্মবিশ্বাস বা আস্থাত সন্নিবিষ্ট তথা অন্তৰ্ভুক্ত হৈ আছে, যদিও ইয়াৰ ব্যতিক্ৰমী, মতানৈক্য তথা পাৰ্থক্য ধৰা-ধামত নথকা নহয়। হোৱাও স্বাভাৱিক; 'নানা মুনিৰ নানা মত' প্ৰবাদটোৰ সাৰ্থকতা জানো থাকিব?

সিযিকি নহওক, অদ্বিতীয় 'আল্লাহ' জাল্লে শ্বানুহে নিজকে বহুবচনাত্মক (আমি) শব্দৰে পৰিচয় দাঙি ধৰাৰ আৱশ্যকতা অনুভৱ কৰিলেই বা কিয়? সমীকৰণটোৰ সমীক্ষাৰ প্ৰয়োজন নিশ্চয় আছে বুলি মোৰ অনুভৱ হয়।

আলোচ্য বিষয়টো আগুৱাই লৈ যাবলৈ, বিষয় সম্পৰ্কে সবিশেষ অধ্যয়নৰ প্ৰয়োজন আছে। সেয়েহে জানিবলৈ, অনুসন্ধিৎসু মনক পৰিতৃপ্ত কৰিবলৈ, পৱিত্ৰ কোৰান অধ্যয়নৰ লগতে আনুসংগিক পুথি বা গ্ৰন্থ অন্বেষণ কৰি প্ৰশ্নটোৰ উত্তৰ এইদৰে পাব পাৰি।

১। প্ৰচলিত আৰবী ভাষাৰ ষ্টাইল আছিল যে বক্তাই নিজৰ শ্ৰেষ্ঠত্ব, গুৰুত্ব, মহত্ত্ব, সন্মান, সৌন্দৰ্য তথা গুণাৱলীৰ চমৎকাৰিত্ব অধিক আকৰ্ষণীয় কৰি উপস্থাপন কৰিবলৈ বহুবচনাত্মক সৰ্বনাম 'ইন্না' বা 'নাহনু' (অৰ্থাৎ আমি) শব্দ ব্যৱহাৰ কৰি নিজকে সম্বোধন কৰিছিল। এয়া আৰবী ভাষাৰ এটা বৈশিষ্ট্য বা সৌন্দৰ্য তথা ষ্টাইল, যি প্ৰায়বোৰ ভাষাতেই বিদ্যমান।



যিহেতু পৱিত্ৰ কোৰান আৰবী ভাষাত নাছিল (অৱতীৰ্ণ) হৈছিল; গতিকে পৰম প্ৰভুৱে তেওঁৰ প্ৰভুত্ব শ্ৰেষ্ঠত্ব, গুৰুত্ব, মহত্ত্ব, সন্মান, মৰ্যাদা, সৌন্দৰ্য তথা গুণাৱলীৰ চমৎকাৰিত্ব বুজাবলৈ বহুবচনাত্মক সৰ্বনাম 'নাহনু' অৰ্থাৎ 'আমি' ব্যৱহাৰ কৰি নিজকে সম্বোধন কৰিছে। এয়া 'সংখ্যা' বুজাবলৈ নহয়; বৰঞ্চ পুঞ্জীভূত গুণাগুণ, বৈশিষ্ট্য, মহত্ত্ব, মৰ্যাদা তথা গুৰুত্ব বুজাবলৈ বহুবচনাত্মক 'আমি' সৰ্বনাম ব্যৱহৃত হৈছে। উদাহৰণস্বৰূপে ছুৰা ফাতাহৰ এক নম্বৰ আয়াতটো উল্লেখ কৰিব পাৰি—

'নিশ্চয়, আমি (ইন্না) তোমাক প্ৰদান কৰিছো সুস্পষ্ট বিজয়', (আল কোৰান, ৪৮ঃ১)।

বিষয়টো অধিক মনোগ্ৰাহী আৰু সুস্পষ্ট কৰিবলৈ উনুকিয়াব পাৰি ছুৰা আল হিজৰৰ ন নম্বৰ আয়াত ঃ

'নিশ্চয় , আমিয়েই (নাহনু) কোৰান অৱতীৰ্ণ কৰিছো আৰু নিশ্চয় আমিয়েই ইয়াৰ সংৰক্ষক। (আল কোৰান, ১৫ঃ৯)।

ওপৰোক্ত আয়াত দুটাত 'নাহনু' (আমি) শব্দৰ দ্বাৰা বিষয়ৰ গভীৰতা তথা গুৰুত্ব সম্পৰ্কে উপস্থাপন কৰাৰ লগতে আল্লাহৰ বিভিন্ন নাম, মান-মৰ্যাদা, মহত্ত্ব তথা গুণাৱলীৰ চমৎকাৰিত্বৰ কথাহে প্ৰকাশ কৰিছে; সংখ্যাৰ বহুবচন বুজোৱা হোৱা নাই, বৰঞ্চ সন্মানসূচক বহুবচনহে চিত্ৰিত কৰিছে।

আনহাতে, পৰম কৰুণাময় আল্লাহ জাল্লে শ্বানুহে নিজৰ একক বা একাত্ব, একাত্মবোধ সৰ্বনাম 'হুয়া' (সি বা তেওঁ) আদি ব্যৱহাৰ কৰিছে। কিন্তু দ্বিতীয় পুৰুষৰ দ্বি-বচনাত্মক তুমি (আনতুমা) সৰ্বনাম কদাপি ব্যৱহৃত হোৱা নাই। ইয়াৰ দ্বাৰা এইটোৰেই প্ৰতিপন্ন কৰিছে যে আল্লাহ অদ্বিতীয়; একক আৰু অতুলনীয়, যাৰ সমকক্ষ কোনো নাই।

যিদৰে অন্যান্য ভাষাত দেশৰ ৰাষ্ট্ৰনায়ক বা অধিনায়কে কোনো সিদ্ধান্ত ঘোষণা কৰাৰ সময়ত নিজকে 'আমি' বুলি সম্বোধন কৰিহে সাৰ্বজনীন নিয়মাৱলী তথা ৰাষ্ট্ৰীয় পত্ৰ বা ঘোষণা জাৰি কৰে যেনে ঃ 'আমি আজিৰ পৰা ঘোষণা কৰিলো যে...। বিশেষকৈ ব্ৰিটিছৰ ৰাণীয়ে ৰাজকীয় পত্ৰ ঘোষণাৰ মুহূৰ্তত সদায় সন্মানসূচক সৰ্বনাম 'আমি' বুলি নিজকে সম্বোধন কৰি নিজৰ মহত্ত্ব, মৰ্যাদা তথা শ্ৰেষ্ঠত্ব অভিব্যক্ত কৰাৰ অভ্যস্ত হৈছিল; যি নিয়ম বিশ্বৰ বিভিন্ন প্ৰান্তত আজিও প্ৰচলিত হৈ আছে। সেয়েহে ইয়াক ৰাজকীয় 'আমি' বুলি কোৱা হয়। আমাৰ দেশৰ ৰাষ্ট্ৰপতিয়েও সাৰ্বজনীন 'ৰাজকীয় ঘোষণাত' নিজকে 'আমি' বুলি সম্বোধন কৰে।

তদ্ৰূপ আল্লাহ ছোৱহানুহু তা'লাই (সমগ্ৰ বিশ্বৰ পৰম স্ৰষ্টা বা মালিক) সৃষ্টিৰ ৰহস্য সম্পৰ্কে যথাৰ্থ জ্ঞান বিজ্ঞানৰ শিক্ষা প্ৰদানৰ শুভ সন্ধিক্ষণত নিজকে 'আমি' (ইন্না বা নাহনু) সৰ্বনামেৰে সম্বোধন কৰি নিজৰ একছত্ৰী, সাৰ্বভৌমত্ব অভিব্যক্ত কৰাৰ লগতে বিষয়টোৰ গুৰুত্ব, মহত্ত্ব তথা গভীৰতাৰ প্ৰতি সমগ্ৰ মানৱজাতিৰ দৃষ্টি আকৰ্ষণ কৰিছে। সেয়েহে কোনো শক্তি বা ব্যক্তিক আল্লাহৰ সমকক্ষ বুলি ভবা 'শিৰ্কৰ' অন্তৰ্ভুক্ত; যি অক্ষমনীয় গুনাহ হয় বুলি ইছলামিক দৰ্শনত সাব্যস্ত হৈছে।

সি যি কি নহওক, এয়া কোৱা সমীচীন যে এজনতকৈ অধিক স্ৰষ্টা, আল্লাহ বা ঈশ্বৰৰ অস্তিত্ব পাৰ্থিৱ জীৱনত বিশ্বাস বা স্বীকাৰ কৰা কিমান সমীচীন সেয়া পাঠকৰ বিচাৰ্যৰ বাবে প্ৰক্ষেপণ কৰিলো। কিন্তু আল্লাহৰ একাত্ম তথা একাত্ম সন্দৰ্ভত আশ্বস্ত তথা বিশ্বস্ত হ'বলৈ হ'লে সত্য সন্ধানকাৰীৰ বাবে পৱিত্ৰ কোৰানৰ ছুৰা এখলাছৰ এক আৰু দুই নম্বৰ আয়াত দুটাই যথেষ্ট বুলি মোৰ অনুধাৱন হয়। আয়াত দুটা অসমীয়া ভাষাত এইদৰে পুনৰাবৃত্তি কৰিব পাৰি ঃ

'কোৱা 'তেওঁ আল্লাহ, এক-অদ্বিতীয়; আল্লাহ হৈছে ছামাদ; (তেওঁ কাৰো মুখাপেক্ষী নহয়, সকলো তেওঁৰেই মুখাপেক্ষী)। (আল কোৰান, ১১২ ঃ ১-২)।

## মহাকাব্যৰ স্বৰূপ

**ড° গিৰীশ বৰুৱা**




**মহাকাব্যবোৰ** যুদ্ধ-বিগ্ৰহেৰে ভৰপূৰ। ৰামায়ণ-মহাভাৰতৰ কথা নকওঁৱেই, ইলিয়াড ওডিছিতো এনে যুদ্ধ-বিগ্ৰহ অতি মাত্ৰাত আছে।

ৰামায়ণত যেনেকৈ সীতাক পৃথিৱীৰ কন্যা বুলি ধৰা হয়, ঠিক তেনেকে ওডিছিত টিট্যাছক পৃথিৱীৰ পুত্ৰ বুলি কোৱা হৈছে।

ৰামায়ণত সীতাক পুষ্পক ৰথেৰে অযোধ্যালৈ আনোতে তলৰ দৃশ্যৰ বিৱৰণ বা মেঘদূতত যক্ষই কৰা তলৰ পৃথিৱীৰ বিৱৰণ ওডিছিত ওডিছিয়াছে ঘৰলৈ জাহাজত ওভতাৰ বিৱৰণৰ লগত প্ৰায় মিলে।

ভাৰতীয় মহাকাব্য আৰু গ্ৰীক মহাকাব্য উভয়তে অসম্ভৱ কথা কিছুমান আছে। যুদ্ধক্ষেত্ৰত কৃষ্ণই অৰ্জুনক দাৰ্শনিক আৰু নৈতিক শিক্ষা দিয়াটো অসম্ভৱ কথা। ৰামায়ণত বসুমতীয়ে ফাট মেলা কথাটো অসম্ভৱ কথা। ওডিছিত এজন মানুহেই শত-সহস্ৰ ৰজাক পৰাভূত কৰিব পৰাটো অসম্ভৱ কথা ইত্যাদি।



ৰামায়ণত আমি জানো যেতিয়া সীতা অযোধ্যালৈ ঘূৰি আহিছিল তেতিয়া ৰাস্তাৰে যোৱা মানুহে কোৱা-মেলা কৰা ৰামে শুনিলে, যে ৰাম বহুত দিন লোকৰ লগত থকা এগৰাকী মানুহৰ লগতে সহবাস কৰিছে। সেয়ে ৰামে সীতাৰ সতীত্বৰ পৰীক্ষা লৈছিল; নিজৰ বাবে নহয়, লোকপ্ৰবাদৰ বাবেহে। ঠিক তেনেকৈ ওডিছিত যেতিয়া ওডিছিয়াছ ঘৰলৈ ঘূৰি আহিছিল তেতিয়া ৰাজ কাৰেঙত বিবাহৰ নিচিনা উৎসৱ চলিছিল। তেতিয়া মানুহে এইদৰে কোৱা মেলা কৰিছিল, "মই জানিছো, কোনোবাই ৰাণীক বিয়া কৰাইছে। তেওঁ বৰ নিৰ্দয়, আৰু তেওঁৰ ধৈৰ্যও নাছিল; সেয়ে তেওঁ স্বামী ঘূৰি নহালৈকে ৰ'ব নোৱাৰিলে।" এইবোৰ কথাৰ মাজত সাংঘাতিক মিল আছে।

ওডিছিয়ে (অৰ্থাৎ হোমাৰে) ৰাণী গেলেলপৰ চৰিত্ৰ বৰ সুন্দৰভাৱে অংকন কৰিছে। বিশ বছৰৰ পাছত স্বামী ঘৰলৈ ঘূৰি আহিছে যদিও আৰু বিশ বছৰ ধৰি দেশৰ ৰাজকুমাৰ আৰু ৰজাসকলৰ প্ৰেম প্ৰত্যাখ্যান কৰি আহিছে যদিও ৰজা ঘৰত উপস্থিত হোৱাত তেওঁ সাধাৰণ তিৰোতাৰ দৰে প্ৰথমতে আনন্দত ভাগি পৰা নাই বা ৰজাক গালে-মুখে চুমা খাই সাবটি ধৰা নাই। পিছতহে তেওঁ এনে কৰিছে। আৰু এটা আচৰিত ঘটনা যে ৰামায়ণৰ হনুমান মহাভাৰততো আছে। দ্ৰৌপদীৰ বাবে যেতিয়া ভীমে সোণালী পদুম বিচাৰি অৰণ্য চলাথ কৰিছিল তেতিয়া হনুমানৰ নেজে তেওঁৰ বাট ভেটি ধৰিছিল। ভীমে বোলে কোনোপধ্যে নেজডাল বাটৰ পৰা গুচাব পৰা নাছিল। দুয়োৰে ভিতৰত আৰু এটা মিল আছে। উভয়ে মৰুতৰ পুত্ৰ। সেয়ে ভীমে কুৰুক্ষেত্ৰ যুদ্ধত তেওঁৰ ৰথৰ পতাকাত হনুমানৰ চিত্ৰ আঁকাই লৈছিল।

ব্যাসে বোলে লিখা মতেই মহাভাৰতৰ ঘটনাবোৰ ঘটিছিল। মানুহ এজনে ভবাৰ দৰেই ঘটনাবোৰ ঘটিব পাৰেনে?

মহাভাৰতখন বোলে গণনশে লিখিছিল; কোনোবাই কৈ গৈছিল, তেওঁ লিখিছিল। গণেশ বোলে আৰম্ভণিৰ দেৱতা, সেয়ে সকলো দেৱতাৰ আগতে তেওঁক পূজা কৰা হয়। গীতা মহাভাৰতৰ অংশ বিশেষ। এই অংশক গীতা বুলি কিয় কোৱা হয়? গীতা শব্দটো গীতৰ পৰা আহিছেনে কি, যাৰ অৰ্থ গান। কৃষ্ণই অৰ্জুনক মহাভাৰতৰ যুদ্ধত কোৱা কথাখিনি কি গান আছিল? যুদ্ধ ক্ষেত্ৰত প্ৰতিদিনে কৃষ্ণই অৰ্জুনক উপদেশ দিব পাৰিছিল নে? হয়তো অৰ্জুন যুদ্ধ কৰিবলৈ আহি চাৰিওফালে তেওঁৰ অঙহী-বঙহী দেখি দুখত ভাগি পৰিছিল। সেয়ে যুদ্ধ ক্ষেত্ৰত গাণ্ডীৱ পেলাই তলমুৱা হৈ বহি পৰিছিল। হয়তো সেই অৱসৰতে কৃষ্ণই তেওঁক যুদ্ধ কৰিবলৈ প্ৰস্তুত কৰিবৰ বাবে উপদেশ দিছিল। কিন্তু কিয় ১৮টা অধ্যায়? গীতাৰ ১৮টা অধ্যায়ৰ লগত যুদ্ধৰ ১৮ টা দিনৰ কিবা সম্পৰ্ক আছেনে কি? যদি আছে কি সম্পৰ্ক আছে। কোনোৱে কয় যে প্ৰতিদিনে কৃষ্ণই গীতাৰ এটা এটা অধ্যায় অৰ্জুনক কৈছিল। কিন্তু এইটো মিছা কথা, কাৰণ প্ৰতিদিনে অৰ্জুন দুৰ্বল হোৱা নাছিল; যদি হৈছিল তেন্তে প্ৰথম দিনাহে হৈছিল।

কৃষ্ণই অৰ্জুনক দিয়া উপদেশ হয়তো এক প্ৰতীক হ'ব পাৰে। কৃষ্ণ হ'ল অৰ্জুনৰ বিবেক। অৰ্জুনৰ বিবেকে তেওঁক যুদ্ধ কৰিবলৈ হাক দিছিল। সেয়ে অৰ্জুনৰ মনত বিবেক আৰু আবেগৰ মাজত যুদ্ধ লাগিছিল। মহাভাৰতৰ যুদ্ধ এই মানসিক যুদ্ধৰেই প্ৰতীকনে কি?

*ফোন ঃ ৭০০২৩৭৬৫০৫*



# ডিব্ৰুগড়ৰ ন-খাটত গাহৰিৰ দেহত

*ছয় পৃষ্ঠাৰ পৰা* পশুপালন বিভাগত জনোৱাত সন্দেহ হৈ পৰীক্ষাগাৰলৈ পঠোৱা হৈছিল। সেই অনুসৰি গাহৰিটোৰ দেহত আফ্ৰিকান ছুৱাইন ফ্লু' প'জিটিভ পোৱা গৈছে। জিলা পশু চিকিৎসা বিষয়াৰ পৰা জানিব পৰা অনুসৰি, আফ্ৰিকান ছুৱাইন ফ্লু' ৰোগবিধত আক্ৰান্ত হ'লে গাহৰি ৯০৭ৰ পৰা ১০০ শতাংশ পৰ্যন্ত মৃত্যুমুখত পৰে। আনহাতে, এই ৰোগবিধ অতি ক্ষিপ্ৰতাৰে ব্যাপক হাৰত সংক্ৰমিত হয়।

আনহাতে, এতিয়ালৈকে ইয়াৰ কোনো প্ৰতিষেধক ছিটা উদ্ভাৱন হোৱা নাই। অসমত আফ্ৰিকান ছুৱাইন ফ্লু'ৰ প্ৰাদুৰ্ভাৱ আৰু সংক্ৰমণত ৰাজ্যখনৰ ধেমাজি, লখিমপুৰ, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় আদি কে'বাখনো জিলাত ভালে সংখ্যক গাহৰি মৃত্যুমুখত পৰিছিল। পশুপালন আৰু পশু চিকিৎসা বিভাগে বিষয়টো অতি গুৰুত্ব হিচাপে গণ্য কৰি বিভাগৰ তৰফৰ পৰা যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰি ৰোগবিধৰ চূড়ান্ত কাৰক নিৰূপণৰ বাবে আক্ৰান্ত জিলাসমূহৰ পৰা মৃত গাহৰিৰ প্ৰয়োজনীয় নমুনা সংগ্ৰহ কৰি ভূপালস্থিত ৰাষ্ট্ৰীয় উচ্চ সুৰক্ষা পশুৰোগ নিৰূপণ প্ৰতিষ্ঠানলৈ প্ৰেৰণ কৰি আহিছে।

# তেজপুৰত অকৰ্তৃত্বশীলভাৱে হৰ্ডিং দখল

*ছয় পৃষ্ঠাৰ পৰা* জৰিয়তে নিজস্ব কোনো স্থান তথা হৰ্ডিঙৰ ব্যৱস্থা নথকা একাংশ ফাৰ্মে এনে বিজ্ঞাপন প্ৰচাৰৰ ঠিকা ৰহস্যজনকভাৱে লাভ কৰাৰ পাছত চৰকাৰী হৰ্ডিং তথা ৰাজহ আদায় দিয়া এজেন্সীৰ বিজ্ঞাপন গোপনে আঁতৰাই এই নতুন ফাৰ্মে অকৰ্তৃত্বশীলভাৱে এনে বিজ্ঞাপন অঁৰা ঘটনা সংঘটিত কৰিছে। অভিযোগত অনুসৰি, গুৱাহাটীৰ একাংশ ফাৰ্মেও তেজপুৰত একেই কাৰ্য সংঘটিত কৰিছে। অভিযোগ অনুসৰি এইসমূহ ফাৰ্মে ৰাজ্যৰ বিভিন্ন স্থানত তেওঁলোকৰ নামত হৰ্ডিঙৰ বাবে প্ৰয়োজনীয় স্থান নিয়ম অনুসৰি সংৰক্ষিত কৰি ৰখা বুলি ভুৱা তথ্য দাখিলৰে লাখ লাখ টকাৰ ঠিকা আদায় কৰিছে আৰু পৰৱৰ্তী সময়ত চৌৰ্যবৃত্তিৰে স্থান বেদখল কৰিছে। এই সমগ্ৰ ঘটনাৰ আঁৰত এনেবোৰ ফাৰ্ম আৰু সংশ্লিষ্ট পক্ষৰ মাজত কমিছনৰ বুজাবুজি হোৱা বুলিও অভিযোগ উঠিছে। তেজপুৰতো এনে ফাৰ্ম নিশাটোৰে ভিতৰতে গঢ়ি ঠিকা আদায় কৰাৰ বিপৰীতে মিছন চাৰিআলিত শেহতীয়াকৈ হৰ্ডিং অঁৰাৰ বাবে স্থানীয় ফাৰ্মে ব্যৱহাৰ কৰা লোহাৰ ফ্ৰেম কাটি বিক্ৰী কৰাৰ দৰে আচৰিত ঘটনা সংঘটিত হৈছে। তদুপৰি ৰাজিক পৰিবহণৰ বাছ আস্থানৰ সমীপত চৰকাৰী হৰ্ডিং একাংশ ফাৰ্মে দখল কৰি লোৱা সত্ত্বেও এনে ফাৰ্মৰ বিৰুদ্ধে ৰহস্যজনকভাৱে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই।

# ডিব্ৰুগড়ত গ্ৰেপ্তাৰ মুন্না ভাইৰূপী

*ছয় পৃষ্ঠাৰ পৰা* অভিযোগৰ ভিত্তিত অৱশেষত আৰক্ষীৰ জালত পৰিল ভুৱা চিকিৎসক ছফিকুল। প্ৰাপ্ত তথ্য অনুসৰি, ভুৱা ধৰ্ত চিকিৎসকজনে প্ৰায় সাতমাহ ধৰি ডিব্ৰুগড়ৰ চাউলখোৱাত 'এলাইড হেলথ ক্লিনিক' নামৰ এক চেম্বাৰ খুলি ৰোগীৰ চিকিৎসাৰ নামত একপ্ৰকাৰ লুণ্ঠন কৰি আহিছিল। এই মুন্না ভাইৰূপী চিকিৎসকজনে হাইপাৰটেনছন, চৰ্ম ৰোগ, মধুমেহ, শিশু ৰোগ, মৃগী ৰোগ, হাওঁফাওঁ ৰোগৰ লগতে আৰু বহু ৰোগৰ চিকিৎসা কৰি আহিছিল আৰু বহু ৰোগৰ চিকিৎসা প্ৰদান কৰি আহিছিল। বহু ৰোগীৰ চিকিৎসা কৰাৰ পাছতো ৰোগীয়ে আৰোগ্য লাভ নকৰাত সন্দেহ ওপজে স্থানীয় ৰাইজৰ। ইয়াৰ পাছতে কেইগৰাকীমান সচেতন ব্যক্তিয়ে চিকিৎসা বিভাগৰ স'তে যোগাযোগ কৰাত ছফিকুল এজন ভুৱা চিকিৎসক বুলি পোহৰলৈ আহে, আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰে স্থানীয় ৰাইজে। অৱশেষত আজি গ্ৰেপ্তাৰ কৰে ভুৱা চিকিৎসকজনক। সৰ্বসাধাৰণ ৰাইজৰ জীৱনক লৈ হেতালি খেলি অহাৰ কথা ব্যক্ত কৰে ডিব্ৰুগড় সদৰ থানাৰ ছফিকুলক প্ৰত্যক্ষ কৰিবলৈ সমবেত হোৱা শতাধিক ভুক্তভোগী লোকে। অভিযোগ মতে, জ্বৰ-পানী লগাৰ পৰা আৰম্ভ কৰি বিভিন্ন ৰোগৰ চিকিৎসা পদ্ধতিৰে পৰ্যন্ত চিকিৎসা প্ৰদান কৰিছিল ধৃত চিকিৎসকজনে। এনে এজন ভুৱা চিকিৎসক গ্ৰেপ্তাৰ হোৱাত স্থানীয় ৰাইজে স্বস্তিৰ নিশ্বাস পেলাইছে।

# চিৰাঙত চাওতাল ছাত্ৰ সন্থাৰ ভুঁই ৰুই

*ছয় পৃষ্ঠাৰ পৰা* *ছয় পৃষ্ঠাৰ পৰা* তোলা হ'ব। চাওতাল জনগোষ্ঠীৰ কিছু লোক চাহ বাগিচাত কাম কৰে বাবে যদি চাহ জনগোষ্ঠী কৰিব বিচাৰিছে তেন্তে আজি আমি ভুঁই কইছো, আমাক ভুঁই বোৱা জনগোষ্ঠী কৰিব নেকি বুলিও প্ৰত্যাহ্বান জনায় সংগঠনটোৱে। এনডিএ চৰকাৰে চাওতাল জনগোষ্ঠীৰ এগৰাকী মহিলাক দেশৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰা কাৰ্যক আদৰণি জনাই কয় যে চাওতাল জনগোষ্ঠীৰ শিক্ষা, জনজাতিকৰণ, নিজস্ব জনগোষ্ঠীয় পৰিচয় দিয়া আদিৰ বিষয়েও চৰকাৰে গুৰুত্ব প্ৰদান কৰক। ভুৱা চৰকাৰে ইয়াৰ পৰিণাম ভুগিব লাগিব। চাওতাল ছাত্ৰ সন্থাই ধাৰাবাহিকভাৱে তথা নিৰৱচ্ছিন্নভাৱে সমগ্ৰ দেশতে আন্দোলন গঢ়ি তুলিব বুলি সকীয়নি দিয়ে চাওতাল ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকজনে। ইপিনে, ছাত্ৰ সংগঠনটোৰ সাংগঠনিক সম্পাদক দুৰ্গা চোৰেনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ কৰিছিল গতিকে আমি যদি তেওঁক কংগ্ৰেছ নেতা বুলি কওঁ তেন্তে'নে কি হ'ব বুলি প্ৰশ্ন উত্থাপন কৰি কয় যে চৰকাৰে চাওতাল জনগোষ্ঠীক লৈ ৰাজনীতি বন্ধ কৰি জনগোষ্ঠীটোৰ উন্নয়ন কৰাত সহায় কৰক অন্যথা চৰকাৰে চাওতালসকলৰ পৰা তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। চিৰাং জিলা সমিতি চাওতাল ছাত্ৰ সন্থাৰ সভাপতি ছোলেমন মুৰ্মুয়ে কয় যে চৰকাৰে ভূমিপুত্ৰ চাওতালসকলক এটা জনগোষ্ঠী হিচাপে থাকিব দিব বিচৰা নাই। চৰকাৰী সুবিধা দিব বিচৰা নাই। চাওতালসকলৰ বিষয়ে ১৮৮৬ৰ ভূমি আইনমতে স্পষ্ট উল্লেখ আছে। কিন্তু ভূমিপট্টা দিয়া নহ'ল। সন্থাৰ এই ভুঁই ৰুই প্ৰতিবাদ কাৰ্যসূচীত বৃহৎ সংখ্যক চাওতাল পুৰুষ-মহিলাই সহযোগ কৰে।

# টুৰিষ্ট ল'জৰ স্বত্বাধিকাৰী পংকজ বৰুৱা

*ছয় পৃষ্ঠাৰ পৰা* নাবী আৰু যুৱতী যোগান ধৰাত নাবী দেহ ব্যৱসায়ীৰ মূল অভিযুক্ত ডিগবৈৰ টিংৰাই নিবাসী হৰি শৰ্মা আৰু তিনিচুকীয়া নিবাসী কবি বৰুৱা নামৰ এগৰাকী মহিলাৰ নাম স্পষ্ট ভাষাৰে প্ৰকাশ কৰিছে। উল্লেখ্য যে হৰি শৰ্মা নামৰ নাৰীদেহ ব্যৱসায়ীজন তিনিচুকীয়া আৰক্ষীয়ে চলোৱা অভিযানৰ নিশা ল'জতে আছিল। কিন্তু আৰক্ষীয়ে অভিযান চলোৱাৰ সময়তে সুযোগ বুজি পলায়ন কৰিবলৈ সক্ষম হয়। লগতে আটকাধীন যুৱক-যুৱতীয়ে তিনিচুকীয়া নিবাসী কবি বৰুৱা নামৰ এগৰাকী মহিলাৰ নাম উল্লেখ কৰিছে, যি গৰাকী মহিলাৰ জৰিয়তে ল'জখনত দীৰ্ঘদিনৰ পৰা নাৰীদেহ ব্যৱসায় চলি আহিছিল। দুৰ্যোজনকৈ কিন্তু ডিগবৈ আৰক্ষীয়ে বৰ্তমানো সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। ঐতিহ্যমণ্ডিত ডিগবৈ চহৰৰ পৰা নাতিদূৰৈত অৱস্থিত টুৰিষ্ট ল'জৰ লজ্জাজনক কাণ্ডৰ তথ্য পোহৰলৈ অহাৰ পাছতে ডিগবৈবাসীৰ মাজত ডিগবৈৰ আৰক্ষীক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত ভত্তাৰ মুখা পিন্ধা টুৰিষ্ট ল'জৰ স্বত্বাধিকাৰ পংকজ বৰুৱাক যোৱা নিশা আটক কৰে। আটকাধীন পংকজ বৰুৱাৰ লগতে পাঁচ যুৱকৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন কৰি জেললৈ প্ৰেৰণ কৰাৰ লগতে আটকাধীন ল'জখনৰ কৰ্মচাৰী সোমনাথ উপাধ্যায়ক মুকলি কৰি দিয়ে। আন এক উল্লেখনীয় বিষয় যে দীৰ্ঘদিনীয়া অভিযোগ থকাৰ বিপৰীতে ল'জখনৰ ১২ আৰু ১৩ নম্বৰ কোঠাত আপত্তিজনক সামগ্ৰীৰ স'তে অসংযত অৱস্থাত ১১ গৰাকীকৈ যুৱক-যুৱতীক তিনিচুকীয়া আৰক্ষীয়ে হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হোৱাৰ পাছতো কিন্তু ল'জখনৰ বিৰুদ্ধে তিনিচুকীয়া জিলা প্ৰশাসনে তৎকালীনভাৱে কোনো ব্যৱস্থা গ্ৰহণ নকৰা বিষয়টোৱে ডিগবৈবাসীৰ মাজত আন এক ৰহস্যময় পৰিবেশৰ সূচনা কৰিছে।

# মিছামাৰীত ভৰ বাৰিষাৰ সময়ত

*ছয় পৃষ্ঠাৰ পৰা* কৃষক ৰাইজে কঠিয়া সিঁচি খেতি কৰিলে সেয়া আকৌ পানীৰ অভাৱত শুকাই পৰি যাবলৈ ধৰিছে। পৰিতাপৰ বিষয় যে কেন্দ্ৰীয় চৰকাৰৰে কৃষক ৰাইজৰ খেতি পথাৰত যথা সময়ত পানী যোগান ধৰাৰ উদ্দেশ্যৰে ৰূপায়ণ কৰা জলসিঞ্চন আঁচনিখন ধোঁৱা চাঙত উঠিছে। অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংঘালৰ গৃহ সমষ্টিত একাংশ প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ আঁচনিখন বিকল অৱস্থাত পৰি আছে। কেন্দ্ৰীয় চৰকাৰৰ আবণ্টন দিয়া লাখ লাখ টকা ব্যয়ৰে ৰূপায়ণ কৰা প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ আঁচনিসমূহৰ পৰা স্থানীয় কৃষক ৰাইজ উপকৃত নহ'ল। পূৰ্বৰ দৰে মিছামাৰীৰ ভেৰভেৰি কঠালগুৰি গাঁৱৰ কৃষক ৰাইজে সম্প্ৰতি প্ৰকৃতিৰ ওপৰতে ভৰষা কৰিবলগীয়া হৈছে। ৰাজ্য চৰকাৰৰ বিয়াগোম জলসিঞ্চন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ চৰম হেমাহিৰ বাবে দুখনকৈ পানী যোগান আঁচনি বিকল অৱস্থাত পৰি থাকিল। এই সন্দৰ্ভত কঠালগুৰি গাঁৱৰ দুজন কৃষকে ক্ষোভ উজাৰি সংবাদ মাধ্যমৰ আগত কয় যে পানীৰাম কুৰ্মী আৰু বিনয় কুৰ্মীৰ খেতি পথাৰত ঠিকাদাৰে পৃথকে পৃথকে দুখনকৈ সৌৰশক্তি চালিত জলসঞ্চিন আঁচনিখন নিৰ্মাণ কৰিছিল। প্ৰথমাৱস্থাত পথাৰত কৃষকে পানী লাভ কৰিছিল যদিও প্ৰায় চাৰি মাহ পূৰ্বে হোৱা ধুমুহা-বৰষুণৰ ফলত আঁচনি দুখনৰ সৌৰশক্তিৰ চালিখন ভাঙি পৰে। তাৰ পাছৰে পৰা আঁচনি দুখন মেৰামতিৰ অভাৱত পৰি থাকিল। যদি সময়ত কৃষকে পানীয়েই লাভ নকৰে তেতিয়াহ'লে চৰকাৰে আঁচনি ৰূপায়ণ কৰিলে উপকৃত হ'ব নেকি বুলি কৃষকদুজনে প্ৰশ্ন উত্থাপন কৰে। লগতে তেওঁলোকে কয় যে বৰ্তমান পানীৰ অভাৱত কঠালগুৰিৰ একাংশ কৃষক ৰাইজে খেতি কৰ্মৰ পৰা বিৰত থাকিবলগীয়া হৈছে। এতিয়া প্ৰশ্ন হয় প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ আঁচনিখনৰ পৰা কৃষক ৰাইজ উপকৃত নহ'ল নেকি? কৃষকে পানী লাভ নকৰা আঁচনিখন ধোঁৱা চাঙত উঠাৰ পাছত জলসিঞ্চন বিভাগৰ মন্ত্ৰী সিংঘালে ঠিকাদাৰসকলৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা আৰু জল জীৱন মিছনৰ পৰা ৰাজ্যৰ একাংশ ৰাইজে সদায় পানীৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হোৱাৰ অভিযোগ প্ৰায়েই উত্থাপিত হৈ আহিছে।

# শিৱসাগৰৰ গৌৰৱ শিৰীষ কুমাৰ

*ছয় পৃষ্ঠাৰ পৰা* কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা ভট্টাচাৰ্যই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত স্নাতকোত্তৰ, এলএলবি আৰু বিটি সম্পূৰ্ণ কৰি এক বিশেষ কৃতিত্বৰ পৰিচয় দিছিল। একে সময়তে তিনিটা পৃথক পৃথক পাঠ্যক্ৰমত কৃতিত্ব লাভ কৰাতো নিশ্চিতভাৱে গৌৰৱৰ বিষয়। ভট্টাচাৰ্যই পঢ়ি থকা অৱস্থাত হাজো হায়াৰ ছেকেণ্ডাৰী স্কুলত চাকৰি কৰাৰ লগতে পৰৱৰ্তী সময়ত নিউ যোৰহাট কলেজত শিক্ষকতা কৰি ওকালতি অব্যাহত ৰাখিছিল। মৰিগাঁও হায়াৰ ছেকেণ্ডাৰী স্কুলৰ লগতে মৰিগাঁও কলেজতো ভট্টাচাৰ্যই অংশকালীন শিক্ষকৰূপে সেৱা আগবঢ়াই অৱশেষত ১৯৭১ত শিৱসাগৰ ছোৱালী কলেজত ইংৰাজী বিষয়ৰ প্ৰৱক্তাৰূপে যোগদান কৰে। সমান্তৰালভাৱে ভট্টাচাৰ্যই শিৱসাগৰ বিটি কলেজতো বহু বছৰ ধৰি প্ৰৱক্তাৰূপে সেৱা আগবঢ়াইছিল। ২০০৪ত শিৱসাগৰ ছোৱালী কলেজৰ পৰা ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপকৰূপে অৱসৰ গ্ৰহণ কৰা ভট্টাচাৰ্য শিৱসাগৰৰ সমাজ, সংস্কৃতি আৰু সাহিত্য জীৱনৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত আছিল। শিৱসাগৰৰ আগশাৰীৰ অনুষ্ঠান যুৱদলৰ সাধাৰণ সম্পাদক আৰু সভাপতিৰ পদ আলংকৃত কৰা ভট্টাচাৰ্য শিৱসাগৰৰ বিভিন্ন সামাজিক, সাংস্কৃতিক, সাহিত্য তথা ক্ৰীড়া সংগঠনৰ স'তে জড়িত আছিল। চিন্তাশীল সাহিত্য সৃষ্টি আৰু সত্য সন্ধানৰ বাবে ভট্টাচাৰ্য সুধী মহলৰ আগত পৰিচিত। এশখনৰো অধিক গ্ৰন্থ ৰচনা তথা সম্পাদনা কৰা ভট্টাচাৰ্যৰ 'শিৱসাগৰ নগৰ আৰু পৌৰসভাৰ জিলিঙণি' এক তথ্যসমৃদ্ধ গ্ৰন্থ। সেইদৰে 'চাৰি ৰাজসত্ৰৰ চমু বুৰঞ্জী', 'অসমৰ সত্ৰ পৰিচয়', 'শিৱসাগৰ জিলাৰ স্বায়ত্তশাসনত এভুমুকি', 'দক্ষিণপাট সত্ৰৰ পুথি' আদি তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ সৃষ্টি। ব্যতিক্ৰমী চিন্তাধাৰাৰে সাহিত্য চৰ্চা কৰা ভট্টাচাৰ্যই বহু গ্ৰন্থ সম্পাদনা কৰাৰ উপৰি বিভিন্ন শিতানত বহু প্ৰবন্ধ লিখি থৈ গৈছে। মৃত্যুৰ সময়ত ভট্টাচাৰ্যই শিক্ষাবিদ পত্নী অনিমা ভট্টাচাৰ্য, ডাঙৰ জীয়ৰি অধ্যাপক সচীলতা ভট্টাচাৰ্য, সৰু জীয়ৰী চিকিৎসক অনুসূয়া ভট্টাচাৰ্য আৰু গৱেষক পুত্ৰ জৈমিনী ভট্টাচাৰ্যৰ লগতে বহু নিকট আত্মীয়ক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যু শোকস্তব্ধ হৈ পৰা শিৱসাগৰ সমাজে গভীৰ সমবেদনা জ্ঞাপন কৰিছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কথাশিল্পী ইমৰান শ্বাহে শিৰীষ ভট্টাচাৰ্যৰ মৃত্যুত গভীৰ দুখ প্ৰকাশ কৰি তেওঁৰ সৃষ্ট অমূল্য সাহিত্য সম্পদসমূহৰ সংৰক্ষণৰ পোষকতা কৰে। অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক বিশিষ্ট সাহিত্যিক নাহেন্দ্ৰ পাদুনে ভট্টাচাৰ্যৰ মৃত্যু গৱেষণাধৰ্মী সাহিত্যৰ বাবে এক ডাঙৰ ক্ষতি বুলি উল্লেখ কৰি পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। আনহাতে, ভট্টাচাৰ্যৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে অনেক ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। কাইলৈ চণ্ডীগড়ৰ পৰা ভট্টাচাৰ্যৰ মৃতদেহ বিমানযোগে শিৱসাগৰলৈ আনি সম্ভৱতঃ অন্তেষ্টিক্ৰীয়া সম্পন্ন কৰা হ'ব।

# গোসাঁইগাঁৱত অঘটন ঃ বনৰক্ষীৰ হাতৰ পৰা ৰক্ষা পাবলৈ নদীত জাঁপ দি মৃত্যু কাঠকটীয়াৰ

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১৪ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ তথা ভূটান সীমান্তৱৰ্তী সোণকোষ নৈত জাঁপ দিয়াত মৃত্যু হয় এজন কাঠকটীয়াৰ। প্ৰাপ্ত তথ্য অনুসৰি জংঘলত খৰি কাটিবলৈ যোৱা এটি দলৰ স'তে বনৰক্ষীৰ মুখামুখি হোৱাত বনৰক্ষীয়ে লোককেইজনক ধৰিবলৈ যাওঁতে কাঠকটীয়া সাতজনীয়া দলটোৱে বনৰক্ষী বাহিনীৰ পৰা ৰক্ষা পাবলৈ নদীত জাঁপ মাৰে আৰু সোণকোষ নৈৰ কোবাল সোঁতত ভাহি গৈ তাৰে এজন লোকে মৃত্যুক সাৱটি লয়। এই মৃত্যুক লৈ অসম-বংগ সীমান্তৱৰ্তী অঞ্চলত চেপা উত্তেজনাৰ সৃষ্টি হয়। গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত শিমুলটাপু আৰক্ষী চকীৰ জাৰাগুৰি-পি জি আৰৰ নিবাসী ছফৰ আলীৰ পুত্ৰ ছকীয়ত আলী (২৭)এ গাঁৱৰ আন ছজন লোকৰ স'তে ভাৰত-ভূটান সীমান্তৱৰ্তী তথা পশ্চিমবংগ স্পৰ্শ কৰি থকা ৰিপু বনাঞ্চলৰ ১০ নম্বৰ ৰাইটত শুকান গছ কাটিবলৈ যায়। ১২ জুলাইৰ পুৱা লোককেইজন ওলাই যায় যদিও বিয়লি নিৰ্দিষ্ট ঠাইত গৈ উপস্থিত হয়। বনাঞ্চলৰ কাঠ কাটি নদীৰে আহি থকা সময়ত বন বিভাগে অসম-বংগ সীমান্তৱৰ্তী বিত্তিবাৰী অঞ্চলত খোপনি পাতে। কালি বিয়লি চোৰাং কাঠৰ কুণ্ডা নদীৰে আনি থকা সময়ত বন বিভাগৰ মুখামুখি হোৱাত লোককেইজনে সোণকোষ নদীত জাঁপ মাৰে। কিছু সময় পাছত লোককেইজন সোণকোষ নদীৰ পাৰত বংগ সীমাৰ এটা ঠাইত পাৰত উঠে যদিও ছকীয়তৰ কোনো সন্ধান নাছিল। তেওঁলোকে আজি ঘৰত উপস্থিত হৈ ঘটনাৰ সবিশেষ অৱগত কৰে। পাছত পৰিয়ালৰ লোকে আৰক্ষীক অৱগত কৰাৰ লগতে ভূটান সীমান্তৱৰ্তী সোণকোষ নদীত বিচাৰি থকা অৱস্থাত আজি বিয়লি ছকীয়তৰ মৃতদেহ নৈত ওপঙি থকা প্ৰত্যক্ষ কৰে। বিয়লি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ লোকজনৰ মৃতদেহ উদ্ধাৰ কৰি আনে। মৃতকৰ পৰিয়ালে জনোৱা মতে লোক সাতজন খৰি বিচাৰি ৰিপু সংৰক্ষিত বনাঞ্চলত গৈছিল। খৰি কাটি আহি থকা সময়ত বন বিভাগে খেদি যোৱাত এই অঘটন সংঘটিত হয়। পৰিয়ালৰ উক্ত কথাক লৈ সকলো শ্ৰেণীৰ লোকৰ মাজত সন্দেহৰ সৃষ্টি হৈছে। খৰি বিচাৰি নে চোৰাং কাঠ কাটিবলৈ ভূটান সীমান্তৰ ১০ নম্বৰ ৰাইটত গৈছিল তাক লৈ সন্দেহ ঘনীভূত হৈছে যদিও আন এটা সূত্ৰই প্ৰকাশ কৰা মতে, জাৰাগুৰি-পি জি আৰৰ লোককেইজনে জংঘলত মৰা গছৰ ডাল অৰ্থাৎ খৰি বিচাৰি গহীন হাবিত যোৱা নাছিল। কাঠৰ চোৰাং সৰবৰাহকাৰীয়ে বনাঞ্চলৰ মূল্যবান গছ কাটি কাঠৰ ভুৰ সাজি নৈৰে আনি থকা সময়ত বন বিভাগৰ দলটোৰ স'তে খৰি কাটি অনা দলটোৰ মুখামুখি হোৱাত খৰিকটীয়া দলটোৱে বনৰক্ষী বাহিনীৰ হাতৰ পৰা ৰক্ষা পাবলৈ সোণকোষ নদীত জাঁপ মাৰে। সাতজনে নদীত জাঁপ দিয়াৰ পাছত ছজনৰ প্ৰাণ ৰক্ষা পৰে যদিও ছকীয়ত নামৰ যুৱকজন তীব্ৰ বেগী নদীৰ সোঁতত উটি যায় আৰু মৃত্যুমুখত পৰে।

# তেজপুৰত যুৱকৰ মৃতদেহ উদ্ধাৰ উৎকট গৰমত মৃত্যুৰ সন্দেহ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৪ জুলাই ঃ** তেজপুৰৰ তৰাজান কুমাৰগাঁও অঞ্চলত আজি সন্ধিয়া প্ৰায় ৬-৩০ বজাত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিত উদ্ধাৰ হোৱা এই মৃতদেহ স্থানীয় শিৱ কেওট (৩০) নামৰ যুৱকজনৰ বুলি স্থানীয় লোকে চিনাক্ত কৰিছে। আজি দুপৰীয়া একাংশ লোকে যুৱকজনক আশে-পাশে দেখা পোৱাৰ বিষয়ে উল্লেখ কৰাৰ লগতে যুৱকজনে উৎকট গৰমত সুৰাপান কৰাৰ বাবেই মৃত্যু হোৱা বুলি আশংকা কৰা হৈছে। ইতিমধ্যে আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

# শ্ৰীৰামপুৰত ইটা কঢ়িওৱা

*ছয় পৃষ্ঠাৰ পৰা* গ্ৰেপ্তাৰ কৰে যদিও ট্ৰাকত থকা আন এজন লোক আৰক্ষীৰ বেহুৰ পৰা দৌৰি পলাই যায়। জব্দকৃত মেঘালয়ৰ সুৰাখিনিৰ বজাৰ মূল্য প্ৰায় পাঁচ লাখ টকা হ'ব বুলি আৰক্ষীয়ে সদৰী কৰিছে। শিমুলটাপু আৰক্ষী চকীত সুৰাসহ জব্দ কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# বানপানীত বিস্তৰ ক্ষতি

*ছয় পৃষ্ঠাৰ পৰা* সন্মুখীন হৈছে বিদ্যালয়খন। ইতিমধ্যে বেঁকী নৈৰ খহনীয়াৰ কবলত পৰিছে সাওঁৰাচৰা গাঁৱৰ প্ৰায় অৰ্ধশতাধিক পৰিয়াল। দুৰ্ভগীয়া পৰিয়ালকেইটা ওচৰৰে শান্তি বজাৰত অস্থায়ীভাৱে আশ্ৰয় গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত বানে ক্ষতিগ্ৰস্ত কৰা বিদ্যালয়খন পুনৰ নিৰ্মাণ কৰি শিক্ষাৰ বাবে উপযোগী কৰি তোলাৰ লগতে বেঁকী খহনীয়াত সৰ্বস্বান্ত হোৱা পৰিয়ালকেইটাক ক্ষতিপূৰণ দিয়াৰ বাবে চৰকাৰ তথা বৰপেটা জিলা প্ৰশাসনৰ ওচৰত দাবী জনাইছে ভুক্তভোগী ৰাইজে।

# জাপানী এনকেফেলাইটিছত

*ছয় পৃষ্ঠাৰ পৰা* বিভাগ আৰু মেলেৰীয়া বিভাগৰ বিষয়া বিপুল শইকীয়াই জানিবলৈ দিয়া মতে, কাইলৈৰ পৰা অঞ্চলটোত আঁঠুৱা ঔষধিকৰণ কৰাৰ উপৰি সন্ধিয়াৰ ভাগত ধোঁৱা দিয়াৰ ব্যৱস্থা কৰা হ'ব। মেলেৰীয়া বিভাগে আগৰে পৰাই বৃহত্তৰ অঞ্চলটোৰ ভেলেউগুৰি, বালিজান, পাতৰগাঁও, বালিজুৰি, বাকীডোঙা, নাগশংকৰ আদি অঞ্চলত এই ৰোগৰ প্ৰতিৰোধ সন্দৰ্ভত সজাগতা সভাৰ আয়োজন কৰি আহিছে। ভট্টাচাৰ্যই দুজন পুত্ৰক ইহসংসাৰত এৰি গৈছে।

# শিৱসাগৰ জিলাত প্ৰচণ্ড উত্তাপত

*ছয় পৃষ্ঠাৰ পৰা* আৰু উত্তাপৰ বাবে গ্ৰাহকতো বাদেই অধিকাংশ ব্যৱসায়িক প্ৰতিষ্ঠানত স্বত্বাধিকাৰ সকলো সোমাই থাকিব নোৱৰা পৰিস্থিতিৰ সৃষ্টি হৈছে। বিশেষকৈ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ কাষত থকা ব্যৱসায়িক অঞ্চলসমূহত গছ-গছনি নথকাৰ পৰিণতিত উত্তাপৰ পৰিমাণ অধিক হোৱাই নহয়, ৰাইজে যানবাহন ৰখাবলৈও কোনো ঠাইতে ছাঁ নথকাত ৰাইজ অভাৱনীয় সমস্যাত পৰিব লগা হৈছে। কিয়নো ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ কাষত থকা গছ-গছনিসমূহ তিনি বছৰৰ পূৰ্বে পথ নিৰ্মাণকাৰী সংস্থাই কাটি পেলোৱাত অঞ্চলসমূহ মৰুভূমিলৈ পৰ্যবেশিত হৈ পৰিছে। ফলত দ্ৰুতগতিত হ্ৰাস পাব ধৰিছে গ্ৰাহকৰ সংখ্যা।

# গধুৰ যান-বাহন চলাচল বন্ধ

*ছয় পৃষ্ঠাৰ পৰা* কৰি তোলে। প্ৰতিবাদকাৰীসকলে আজি গধুৰ যান-বাহন চলাচল বন্ধ কৰাৰ লগতে প্ৰশাসনক শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। অন্যথা ব্যাপক গণ আন্দোলন গঢ়ি তোলা হ'ব বুলি প্ৰশাসনক সতৰ্ক কৰি দিয়ে। ইফালে প্ৰতিবাদকাৰীসকলে এই গ্ৰাম্য পথছোৱাৰে চলাচল কৰা তীব্ৰবেগী যানবাহনসমূহৰ গতি নিৰ্ধাৰণ কৰাৰো দাবী জনায়। অন্যথা ভয়ানক দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰে। আজি এই প্ৰতিবাদী কাৰ্যসূচীত ৰাইজৰ লগত কামপুৰ পৌৰসভাৰ দুজনকৈ ৱাৰ্ড কাউঞ্চিলাৰে অংশগ্ৰহণ কৰে। উল্লেখ যে কামপুৰ--কঠীয়াতলী মূল গড়কাপ্টানী পথটো বলিয়া বানে কামপুৰ চেনি কলৰ ওচৰত এখন দলঙৰ দুইটা মূৰ বহু অংশ খহাই নিয়াৰ ফলত আজি পৰ্যন্ত যাতায়াত বন্ধ হৈ আছে।

# ভুলবোৰ শুধৰোৱাৰ চেষ্টা

*ছয় পৃষ্ঠাৰ পৰা* হোৱা নাই অথবা ভাল ফলাফল দেখুৱাবলৈ সক্ষম হোৱা নাছিল সেই সেই বুথবোৰত কিদৰে এইবাৰ জয় নিশ্চত কৰিব পাৰি সেই সম্পৰ্কে আজি আলোচনা কৰা হয়। কৰ্মশালাৰ অন্তত সাংবাদিকৰ আগত সাংসদ তাচাই কয়, 'সমগ্ৰ ভাৰতবৰ্ষতে বুথ সশক্তিকৰণ অভিযান আৰম্ভ হৈছে। অসমৰ বিভিন্ন ঠাইৰ লগতে আজি নগাঁৱতো আৰম্ভ হৈছে। বিগত লোকসভা নিৰ্বাচনত আমি নগাঁও লোকসভা সমষ্টিৰ নিৰ্বাচনত অতি কম ভোটৰ ব্যৱধানত পৰাস্ত হৈছিলো। যিবোৰ বুথত আমাৰ দুৰ্বলতা আছিল সেইবোৰ চিহ্নিত কৰি পৰ্যালোচনা কৰি সেই বুথসমূহত যাতে অধিক ভোট লাভ কৰিব পাৰো তাৰ চেষ্টা অব্যাহত ৰাখিছো।' সাংসদ তাচাই আৰু কয়, 'আমাৰো কৰবাত দুৰ্বলতা আছে। তাকে চিনাক্ত কৰি পৰ্যালোচনা কৰিছো। বিচাৰ-বিশ্লেষণ কৰাটো এটা ইতিবাচক দিশ। আমাৰো কৰবাত ভুল হ'ব পাৰে। সেই ভুলবোৰ শুধৰাবলৈ চেষ্টা কৰিব লাগিব।'

# নগাঁৱত এখুদ ককাইদেউৰ স্মৃতি দিৱস উদ্‌যাপন

## শব্দ-সুৰৰ ধ্বনিত মুখৰিত কলঙৰ দুয়োপাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৪ জুলাই ঃ** 'মই নাহো! মই নাহো! এবাৰেই আহি গুচি গ'লো মই!উভতি অহাৰ কথা নাই! মই জানো মই নাহো! মই জানো কোনো নাহে... পৃথিৱী তোমাক ভাল পাই গ'লো!তথাপি মই নাহো' অসমীয়া আধুনিক কাব্য সাম্ৰাজ্যৰ অপ্ৰমাদী কবি নৱকান্ত বৰুৱাৰ ধজ্ঞাপ্ৰসূত আত্মবেদতেই যেন লিপিবদ্ধ কৰি গ'ল স্ৰষ্টাৰ দৰে এই নিটোল নিভাঁজ শাৰীকেইটা। কবিৰ আশা আছিল 'মোৰ শেষ কবিতাটো মই আৰম্ভ কৰিব নোৱাৰালৈকে!তোমালোকেই লিখি যাবা মোৰ নতুন কবিতাবোৰ! তোমালোকৰ শেষ শাৰীটোৰ পাছত! মই আৰম্ভ কৰিম নজনাকৈয়ে! তোমালোকৰ কবিতা...।' কবিৰ এই ফিনিক্সৰ দৰে মৃত্যুহীন চেতনাক সঞ্জীৱিত কৰি আজি নগাঁৱৰ ছোৱালী মহাবিদ্যালয়ৰ সন্মুখৰ ৰত্নকান্ত বৰকাকতি সেতুত সমবেত হ'ল কাব্যপ্ৰেমী এজাক মানুহ। বন্দিত হ'ল বহুজনৰ শব্দ-সুৰ-ছন্দৰে প্ৰবুদ্ধ নৱকান্ত। গ্ৰীষ্মৰ প্ৰখৰ উত্তাপকো আওকাণ কৰি নগঞা কবি-শিল্পীসকলে নৱকান্তকে ধৰি প্ৰয়াত কবিসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদি কলঙৰ বুকুত পুষ্পাঞ্জলি অৰ্পণ কৰে। শিশুৰ প্ৰাণৰ 'এখুদ ককাইদেউ' কলঙৰ বাকৰিৰে যেন শ্বাশ্বত, সুমিষ্ট হাঁহিৰে খুপি-খুপি আহিছিল, যেতিয়া অসমৰ জনপ্ৰিয় কবি তথা নৱকান্তৰ লগত একপ্ৰকাৰ আত্মিক সম্পৰ্ক ৰঞ্জিত দেশ-বিদেশৰ কবিতা, মিচিক' খ্যাত কবি ডাঃ প্ৰয়াগ শইকীয়াই কবি নৱকান্তৰ কালজয়ী কে'বাটাও কবিতা অন্তৰ্ভেদী যোৱাকৈ আবৃত্তি কৰে। কাব্যানুৰাগী পুলকানন্দ কৌশিকে যান্ত্ৰিকতাৰ গ্ৰাসত পৰা আমাৰ সমাজখনত গোপন ব্যাধিয়ে মানুহৰ মনৰ সমস্ত সেউজীয়া গ্ৰাস কৰাৰ ফলত পৃথিৱীখন ফুটছাই বৰণীয়া হৈ পৰা, এই বাস্তৱ ছবিক প্ৰতিফলিত কৰি নৱকান্ত বৰুৱাই লিখা 'গোপন ব্যাধিৰ দৰে' লাহে-লাহে মচি নিয়ে। প্ৰাণৰ যিমান ৰং, সেউজীয়া সোণালী' এই কবিতাটো। সম্প্ৰতি ভৌগোলিকভাৱে প্ৰদূষিত কলংখন নিমিষতে যেন সগৰ্ভা হৈ ওফন্দি উঠিছিল, যেতিয়া সাংবাদিক প্ৰাঞ্জল বৰদলৈৰ কণ্ঠৰ পৰা নিঃসৃত হৈছিল- 'আমাৰ পলসে সাৰুৱা কৰক, কলঙৰ দুয়োকুল। আমাৰ নাতিৰ নাঙলৰ সিৰলুত আমি সাৰ পাম' শীৰ্ষক কালজয়ী কবিতাৰ সমান্তৰালভাৱে সদৌ অসম কবি সন্মিলনৰ নগাঁও জিলাৰ সভাপতি দ্বীজেন্দ্ৰ মোহন হাজৰিকা, জ্যেষ্ঠ কবি অশোক ৰাম ভট্টাচাৰ্য, নগেন চন্দ্ৰ খাউণ্ড, আতিকুৰ ৰহমান, অঞ্জলি মহন্ত, কুমকুম বৰুৱা, দেৱযা শৰ্মা পাঠক, দুলাল বৰা, বন্দনা নাথ শইকীয়া, দেৱানন্দ মহন্ত, সুকন্যা শইকীয়া, স্ততিনন্দা শইকীয়া, অজিত প্ৰীতম দাস আদি বহুজন উপস্থিত থকাৰ লগতে কবিতা পাঠ কৰি দুঃসময়ৰ অনাহূত পাৰিপাৰ্শ্বিকতাক একপ্ৰকাৰ প্ৰত্যাহ্বান জনাইছিল। উল্লেখ্য যে যি সময়ত জীৱিকাৰ তাগিদাত আমি হেৰুৱাই পেলাইছো কোমল অনুভূতি, কঢ়িয়াই লৈ ফুৰিছো এক ৰুগ্ন মন, নিস্তেজ জীৱন অথবা হৃদয়ত সংগোপনে বাঢ়ি আহিছে এখন মৰুভূমি। ঠিক নৱকান্তই কোৱাৰ দৰেই 'মৰুভূমি এইদৰে আহে! লাহে লাহে মাহে মাহে বছৰে বছৰে ঠিক তেনে সময়তে নগাঁৱৰ ৰত্নকান্ত বৰকাকতি সেতু (লাভাৰ ব্ৰীজ)ত আজি অনুষ্ঠিত 'দলঙত কবিতা' অনুষ্ঠানে আমাৰ হৃদয়েদিও বোৱাওক পলসুৱা কৰা এখন সতেজ কলং। উৰুখা পানীয়ে উটাই নিয়ক মৰা মকৰাৰ খোলা।' ঠিক এইদৰেই যেন আজি কবি সম্ৰাট নৱকান্তৰ সোঁৱৰণী দিনটোৱে যেন বহু কথাই সোঁৱৰাই থৈ গ'ল...।

# ৰঙাপৰাৰ তাৰাজুলি চাহ বাগিচাত বনৰীয়া হাতীৰ উপদ্ৰৱ

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১৪ জুলাই ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত যোৱা নিশা পুনৰ বনৰীয়া হাতীয়ে উপদ্ৰৱ চলায়। খাদ্যৰ সন্ধানত ওলাই অহা পাঁচটা বনৰীয়া হাতীয়ে তাৰাজুলি চাহ বাগিচাত উপদ্ৰব চলায়। চাহ বাগিচাখনৰ দুই নম্বৰ লাইনৰ নিবাসী বিষ্ণু নায়কৰ বাসগৃহত নিশা প্ৰায় ১২ বজাত বন্যহস্তীকেইটাই ভাঙি লণ্ড-ভণ্ড কৰি পেলায়। উল্লেখ্য যে ৰঙাপৰা অঞ্চলত বনৰীয়া হাতীয়ে বছৰৰ পাছত বছৰ ধৰি তাণ্ডৱলীলা চলাই ৰাইজৰ বিস্তৰ ক্ষতিসাধন কৰি আহিছে। বনৰীয়া হাতীৰ সমস্যাটিয়ে ৰাইজক একপ্ৰকাৰ চিন্তিত কৰি তুলিছে।

# মাটিয়াৰ ইছলামপুৰত স্বামীয়ে ঘপিয়াই হত্যা কৰিলে পত্নীক

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৪ জুলাই ঃ** গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত ইছলামপুৰত আজি পুৱতি নিশা স্বামীয়ে পত্নীক দাৰে ঘপিয়াই হত্যা কৰা ঘটনাই অঞ্চলটোত উত্তেজনাৰ সৃষ্টি হৈছে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে বৰপেটা জিলাৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত ধৰ্মপুৰ চৰৰ স্থায়ী বাসিন্দা আলেকবৰ মণ্ডলৰ পুত্ৰ জীৱন আলীয়ে কিছুদিন পূৰ্বে ইছলামপুৰত নতুন ঘৰ সাজি বসবাস কৰিবলৈ লয়। ইপিনে, আজি পুৱতি নিশা জীৱনে পত্নী ছাবিনা খাতুন (২২)ক নিজ গৃহত দাৰে ঘপিয়াই হত্যা কৰে। প্ৰায় তিনি বছৰ ধৰ্মপুৰ চৰৰে ছাবিনাৰ স'তে জীৱনে বিবাহপাশত আবদ্ধ হৈছিল আৰু তেওঁলোকৰ এটি পুত্ৰ সন্তানো আছে। হত্যাকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও কিছুদিন পূৰ্বৰে পৰা পতি-পত্নীৰ মাজত সঘনে হাই-কাজিয়া সংঘটিত হৈ থকা বুলিও স্থানীয় একাংশ লোকে সদৰী কৰিছে। এই সন্দৰ্ভত ভুক্তভোগীৰ পৰিয়ালে মাটিয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ইপিনে, আৰক্ষীয়ে মৃতদেহটো গোৱালপাৰা অসামৰিক চিকিৎসালয়ত নি মৰণোত্তৰ পৰীক্ষাৰ পাছত অন্তিম সংকাৰৰ বাবে পৰিয়ালক চমজাই দিয়ে। লগতে হত্যাকাৰী জীৱন আৰু পিতৃ আলেকবৰক ইতিমধ্যে গ্ৰেপ্তাৰ কৰি মাটিয়া থানালৈ আনে।

### হাতীৰ আক্ৰমণত নিহত দুটা পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান বিটিচিৰ কৰ্তৃপক্ষৰ

# কোকৰাঝাৰৰ ভাৰত-ভূটান সীমান্তত হাতী-মানুহৰ সংঘাত

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১৪ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তীৰ সৰলপাৰা আৰু উল্টাপানী অঞ্চলত খাদ্যৰ সন্ধানত বনৰীয়া হাতীৰ জাকে সময়ে সময়ে জনবসতি অঞ্চললৈ ওলাই অহাত সীমান্তৱৰ্তী অধ্যুষিত অঞ্চলত হাতী-মানুহৰ সংঘাত ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে। ইপিনে, ভাৰত-ভূটান সীমাঞ্চলত হাতী-মানুহৰ সংঘাতময় পৰিস্থিতিৰ বাবে যোৱা জুনত মহিলাসহ দুজনকৈ নিৰীহ লোকে কৰুণ মৃত্যুক আঁকোৱালি ল'ব লগা ঘটনা সংঘটিত হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত কোকৰাঝাৰ জিলাত হাতী-মানুহৰ সংঘাতময় পৰিস্থিতি অধ্যয়ন কৰিবলৈ কালি ইউপিপিএলৰ এটি সঁজাতী দল সীমান্তৱৰ্তী অঞ্চল পৰিভ্ৰমণ কৰি ৰাইজৰ বিভিন্ন সমস্যাৰ বুজ লয়। উল্লেখ্য যে ইউপিপিএলৰ সঁজাতী দলটি ভাৰত-ভূটান সীমান্তৱৰ্তী সৰলপাৰাত বনৰীয়া হাতীৰ আক্ৰমণত কৰুণ মৃত্যুক সাৱটি লোৱা প্ৰয়াত দুৰ্গা বাহাদুৰ মগৰ (৪০) আৰু উল্টাপানী গাঁৱৰ প্ৰয়াত ৰাণী নাৰ্জাৰী (৫০)ৰ বাসগৃহত উপস্থিত হৈ দুয়োটাৰ নিকটম পৰিয়ালক বিটিচি ছিফ কেয়াৰ ফাণ্ডৰ পৰা এক লাখ টকাকৈ আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে। ইউপিপিএলৰ কোকৰাঝাৰ জিলা সমিতিৰ উপ-সভাপতি ৰুধিৰ দৈমাৰী আৰু দেৱৰগাঁও ব্লকৰ সম্পাদক অশোক গয়াৰীৰ নেতৃত্বত যোৱা সঁজাতী দলটি হাতীৰ আক্ৰমণত নিহত হোৱা পৰিয়ালদ্বয়ক সাক্ষাৎ কৰি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু কোকৰাঝাৰ পূব বিধানসভা সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰীৰ নিৰ্দেশ মৰ্মে উক্ত চেক দুখন বিটিচি চীফ কেয়াৰ ফাণ্ডৰ পৰা প্ৰদান কৰা হৈছে বুলি জানিব দিয়ে। চেক প্ৰদানৰ সময়ত সৰলপাৰা আৰু উল্টাপানী গাঁৱৰ গাঁওবুঢ়া আৰু ভিচিডিচিৰ অধ্যক্ষসহ বহু ইউপিপিএলৰ স্থানীয় নেতা উপস্থিত থাকে।

# টিহুৰ ৰণাকুছি-বৰাগাঁৱত কৃষকৰ হাহাকাৰ

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১৪ জুলাই ঃ** টিহুৰ মথুৰাপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰণাকুছি আৰু বড়গাঁৱৰ কৃষিপথাৰত পানীৰ অভাৱত কৃষকৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। শেহতীয়া আহাৰমহীয়া বানে ৰণাকুছি আৰু বৰাগাঁৱৰ কৃষিভূমি তচনচ কৰি পেলোৱাৰ পাছত সম্প্ৰতি বৰষুণৰ অভাৱ আৰু প্ৰখৰ ৰদৰ ফলত কৃষি পথাৰত ছিৰাল ফাঁট মেলিছে। কৃষিভূমি সম্পূৰ্ণ শুকান হৈ পৰিছে। ভুঁই ৰোৱা দূৰৰ কথা, মাটি চহোৱাটোৱে অসম্ভৱ হৈ পৰিছে। উপায়হীন হৈ একাংশ কৃষকে আজি বৰগাঁও জলসিঞ্চন কেন্দ্ৰলৈ যায়। কিন্তু কেন্দ্ৰটোত এজনো কৰ্মচাৰী থকা দূৰৰে কথা তলাবন্ধ হৈ আছে। এনে ঘটনা প্ৰত্যক্ষ কৰি কৃষকসকল প্ৰতিবাদ মুখৰ হৈ উঠে। উপস্থিত কৃষকসকলে এই প্ৰতিবেদকৰ আগত কোৱা অনুসৰি পূৰ্বতেও কেতিয়াবা পথাৰত পানী নোহোৱা হ'লে বৰগাঁও জলসিঞ্চন কেন্দ্ৰটোৰ জৰিয়তে কৃষি পথাৰলৈ পানী যোগান ধৰাত খেতিবাতি কৰিবলৈ কৃষকসকল উৎসাহিত হৈছিল। কিন্তু এইবাৰ কৃষকসকলৰ এনে বিপদৰ সময়ত পানী যোগান ধৰা দূৰৰে কথা, এজন কৰ্মচাৰীও কেন্দ্ৰটোত উপস্থিত নাথাকি কৃষকসকলক বিপদত পেলোৱাৰ অভিযোগ তুলি ক্ষোভ প্ৰকাশ কৰিছে।

# বৰপেটাত টেম্প'সহ বৃহৎ পৰিমাণৰ নিচাযুক্ত টেবলেট জব্দ ঃ এজন আটক

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৪ জুলাই ঃ** বৰপেটা সদৰ আৰক্ষী থানাৰ আৰক্ষীয়ে আজি দুপৰীয়া বৃহৎ সংখ্যক ড্ৰাগছ হিচাপে ব্যৱহৃত নিচাযুক্ত টেবলেট জব্দ কৰে। তথ্য মতে, বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই জনোৱা খবৰ অনুসৰি, আজি দুপৰীয়া বৰপেটা সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জন দলেৰ নেতৃত্বত যোৱা এটি আৰক্ষীৰ দলে বৰপেটা চহৰৰ বিলৰতাৰিহাটীৰ নখন্দা নখন্দা নদীৰ দলঙৰ সমীপত খাপ পিতি থাকি এএছ-১৫ চি-৫৯৮৬ নম্বৰৰ এখন টেম্প'ত তালাচী চলাই বৃহৎ পৰিমাণৰ নিচাযুক্ত টেবলেটসমূহ জব্দ কৰে। টেবলেটখিনি বৰপেটাৰোড অঞ্চলৰ পৰা অবৈধভাৱে বৰপেটাৰ সমীপৰ ভেৰালদিলৈ নি থকা অৱস্থাত আৰক্ষীয়ে জব্দ কৰে। 'স্পাজমো প্ৰক্সিভন' নামৰ টেবলেট ৫৭৫০০ টা জব্দ কৰে আৰক্ষীয়ে। একাংশই ড্ৰাগছ হিচাপে ব্যৱহাৰ কৰা এই টেবলেট চোৰাং বজাৰত ইয়াৰ মূল্য অধিক। আৰক্ষীয়ে এই সংক্ৰান্তত টেম্প' চালক আবুল কালামক আটক কৰে। সন্দেহ কৰা মতে এই নিচাযুক্ত টেবলেটখিনি বহিঃৰাজ্যৰ পৰা চোৰাংভাৱে অনা হৈছিল। এই সংক্ৰান্তত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# কাৰ্বি আংলঙত ব্ৰাউন ছুগাৰসহ যুৱক-যুৱতীক আটক

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**বকলীয়াঘাট/হাওৰাঘাট, ১৪ জুলাই ঃ** আগফালে 'আৰ্মি' বুলি লিখি এখন নম্বৰ প্লেটবিহীন মটৰ চাইকেলৰে এহাল যুৱক-যুৱতীয়ে মাঞ্জা, বকলীয়াঘাট আৰু উত্তৰ বৰবিল আৰক্ষীৰ চকুত ধূলি দি পলাই যোৱাৰ সময়তে ডকমকা আৰক্ষীয়ে থানাৰ সন্মুখতে নাকা চেকিঙৰ ব্যৱস্থা কৰি ৩৬ নম্বৰ ঘাইপথৰ ওপৰত ১০ বাকচ ব্ৰাউন ছুগাৰসহ আটক কৰে। জব্দকৃত ব্ৰাউন ছুগাৰৰ আনুমানিক বজাৰ মূল্য ৭০-৮০ লাখ টকা হ'ব বুলি সদৰী কৰিছে আৰক্ষীয়ে। ধৃত যুৱক-যুৱতীহাল মুকেশ কুমাৰ আৰু জমিলা খাতুন।

ডিমাপুৰৰ পৰা গুৱাহাটী অভিমুখে গৈ আছিল দুই সৰবৰাহকাৰী উল্লেখ্য যে এতিয়া 'আৰ্মি, এম্বুলেন্স, প্ৰেছ' আদি লিখি গাড়ীত অতি সহজেই কঢ়িয়াব পাৰি এনে সামগ্ৰী। সেয়ে সঙ্কম হৈছে আৰক্ষীও।



# অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞান

## সাগৰ-মহাসাগৰ



# QUESTION BANK

## ২০২২-২০২৩ বৰ্ষৰ দশম শ্ৰেণীৰ ইংৰাজীৰ সম্ভাব্য প্ৰশ্নোত্তৰ

Question Bank For Class 10 Seba 2022-23

Question – The children could not enter the garden because it was ......( well-decorated / well-planted / well-protected)
Answer – well-planted
Question – The swimmers refused to swim as the water of the pond was ........( clean / dirty / pure )
Answer – dirty
Question – The children could not eat the mangoes because they were..........( spoilt / bad / rotten )
Answer – rotten
Que– .......... the word in the dictionary ( look up / see / notice )ans – look up
Que – The bus overturned into a roadside ditch, because the driver ..........( lost his control / was singing / was chewing nuts )
Ans – lost his control
Que – My father will discuss ... ( about the matter / the matter )
Ans – The matter
Que – I couldn't read your handwriting because it is ............( illegible / invisible / inaudible)
Ans – illegible
Que – The bright boy could not complete his studies because of ................( carelessness / pride / poverty )
Ans – poverty
Que – When we reached his house, he was ........... television ( looking / watching )
Answer – watching
Que – I went to him to seek his ........( advice / advise )
Answer – advice
Question – The train arrived ten minutes .........( late / lately )
Ans – late.Que – It is difficult to go out in a bad ........( climate / weather )
Answer – weather
Question – He narrated the incident ............( shortly / briefly )
Answer – briefly

Que – I come to seek your ..........(advice / advise )
Answer – Advice
Que – The bright boy could not complete his studies because of ........( carelessness / pride / poverty )
Answer – poverty
Que – The young lady was appointed teacher as she was ........( intelligent / attractive / needy )
Ans – intelligent
Que – She wants to see the doctor as he is her ........( friend husband / physician )
Answer – husband
Que – The lady complained of chest pain and was taken to a ......( surgeon / dentist / cardiologist ).
Answer – cardiologist.
Que- The football field was full of ......( audience / crowd / spectator )
Answer – spectator.
Que – The police had to open fire to disperse the unruly ..........( mob / crowd / assembly )
Answer – mob
Q. The poet ......... at the beautiful flowers. (stared/gazed)
A. gazed
Q . The tailor could not thread the needle because of his ........ ( poor eyesight / old age / weak health )
A. poor eyesight.
Q . He ...... his fault openly (admit / confess )
A. admit
Q. The boy has ...... knowledge than his sister. (lesser/less/little)
A. less
Q . Man can't live by ...... alone. ( bread / food / rice )
A. bread
I only did it for a ......(fun/mock/joke)
Ans- fun

**to be continued next week**

# সানমিহলি কুইজ


# কেৰিয়াৰ ঃ ক'ত কি পঢ়িব ?

## ইলেকট্ৰিচিয়ান (Electrician)



... State Council for Vocational Training (SCVT)ৰ ... National Council for Vocational Training (NCVT) আৰু State Council for Vocational Training (SCVT)ৰ ...

## ITI Electrician



### কেৰিয়াৰ




ড° বুলজিৎ বুঢ়াগোহাঁই

... National Council for Vocational Training (NCVT)ৰ ...

www.iti.assam.nic.in

# নৱম শ্ৰেণীৰ গণিতৰ প্ৰশ্ন উত্তৰ, পাঠ ঃ ১২ হিৰ'ণৰ সূত্ৰ

... ABCD ... $\angle C = 90^\circ$, AB = 9 m, BC = 12 m, CD = 5 m আৰু AD = 8 m ...



**উত্তৰঃ**

$\because \angle C = 90^\circ$

$BC^2 + CD^2 = BD^2$

$\Rightarrow 12^2 + 5^2 = BD^2$

$\Rightarrow BD = \sqrt{144 + 25}$

$\Rightarrow BD = \sqrt{169}$

$\Rightarrow BD = 13$ m

এতিয়া, a = 12 m, b = 5 m আৰু c = 13 m

$\therefore s = \frac{12+5+13}{2}m = 15m$

∴BCD সমকোণী ত্ৰিভুজৰ কালি

$= \sqrt{15(15-12)(15-5)(15-13)}m^2$

$= \sqrt{15 \times 3 \times 10 \times 2}m^2$

$= 30m^2$

আৰু ABD ত্ৰিভুজাকাৰৰ উদ্যানখনৰ

a = 13m, b = 9m আৰু c = 8m

$\therefore s = \frac{13+9+8}{2}m = 15m$

∴ ABD ত্ৰিভুজাকাৰৰ উদ্যানখনৰ কালি

$= \sqrt{15(15-13)(15-9)(15-8)}m^2$

$= \sqrt{15 \times 2 \times 6 \times 7}m^2$

$= 6\sqrt{35}m^2$


$= 35.5 m^2$

∴ উদ্যানখনত আৱশ্যকীয় থকা মাটি

$= 30m^2 + 35.5m^2$

$= 65.5m^2$

২) ... ABCD ৰ AB = 3cm, BC = 4cm, CD = 4cm আৰু DA = 5cm আৰু AC = 5cm ...



**উত্তৰঃ**

Δ ABC ৰ

a = 3cm, b = 4cm আৰু c = 5cm

$\therefore s = \frac{3+4+5}{2}cm = 6cm$

∴ ABC ৰ কালি

$= \sqrt{6(6-3)(6-4)(6-5)}cm^2$

$= \sqrt{6 \times 3 \times 2 \times 1}cm^2$

$= 6cm^2$

আৰু Δ ACD ৰ

a = 5cm, b = 4cm আৰু c = 5cm

$\therefore s = \frac{5+4+5}{2}cm = 7cm$

∴ ত্ৰিভুজটোৰ কালি

$= \sqrt{7(7-5)(7-4)(7-5)}cm^2$

$= \sqrt{7 \times 2 \times 3 \times 2}cm^2$

$= 2\sqrt{21}cm^2$

$= 4.5cm^2$

∴ চতুৰ্ভুজটোৰ কালি

$= 6cm^2 + 8.5cm^2$

$= 14.5cm^2$

# শংকৰী সংস্কৃতিয়ে মানুহৰ মাজত সুস্থ পৰিৱেশ গঢ়ি তোলে

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৪ জুলাই ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে মানুহৰ মাজত সুস্থ পৰিৱেশ গঢ়ি তুলিবলৈ গীত, নৃত্য, বাদ্য আৰু অভিনয় সৃষ্টি কৰিছিল। শংকৰী সংস্কৃতিয়ে সমাজত সুস্থ পৰিৱেশ গঢ়ি তোলাৰ লগতে মানুহৰ আয়ুস দীঘলীয়া কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে । কালি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সংস্কৃতি শাখাৰ উদ্যোগত আৰু পূৱ যোৰহাট আঞ্চলিক শাখাৰ আতিথ্যত ১৩ জুলাই পৰা ১৭ জুলাইলৈকে অনুষ্ঠিত গ্ৰীষ্মকালীন আৱাসিক কৰ্মশালাখন উদ্বোধন কৰি শংকৰদেৱ বিদ্যাপীঠৰ পঞ্জীয়ক খগেন চন্দ্ৰ বৰাই এনেদৰে কয়। সৌৰভ হাজৰিকাৰ সভাপতিত্ব অনুষ্ঠিত কৰ্মশালা উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সভাপতি মুকুল গগৈয়ে কয় যে গুৰুজনাৰ ধৰ্ম আৰু সংস্কৃতি জাতি-জনজাতিৰ লোকে আঁকোৱালি লৈ গুৰুজনাৰ লক্ষ্য উদ্দেশ্য সাৰ্থক কৰি তুলিছে অসমৰ বিভিন্ন প্ৰান্তৰ জাতি জনজাতিৰ লোকসকলে। এইটো দেশৰ বাবে এক শুভ লক্ষণ। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বিশ্বজ্যোতি গগৈ, কল্যাণ বৰুৱা, মুকুল গগৈ, ফুনু বৰা গগৈ, দ্বীজেন শইকীয়াৰ লগতে প্ৰশিক্ষক প্ৰশান্ত গগৈ, ৰবীন বৰা, পৰমা বৰা, জিলা সেৱা বাহিনীৰ অধিনায়ক নিতুল গগৈ আদি উপস্থিত থাকে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ অন্তৰ্গত ১৬ খন আঞ্চলিক শাখাৰ পৰা অহা শিশু, যুৱক-যুৱতী আৰু আই-মাতৃসকলে বৰগীত, নাম-প্ৰসংগ, গায়ন-বায়ন আৰু নৃত্যৰ কৰ্মশালাত প্ৰশিক্ষণ গ্ৰহণ কৰিব। উদ্বোধনী অনুষ্ঠানটো আঁত ধৰে জিলা শাখাৰ সংস্কৃতি শাখাৰ সম্পাদক সৌন্দৰ্য প্ৰকাশ হাজৰিকাই।

### ■ যোৰহাট শংকৰদেৱ সংঘৰ গ্ৰীষ্মকালীন শিবিৰ উদ্বোধন

# ব্যৱসায়িক ক্ষেত্ৰলৈ উদ্যমৰে আগবঢ়াৰ আহ্বান



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৪ জুলাই ঃ** আজি তেজপুৰ মহাবিদ্যালয়ত ৰাজ্য চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ দ্বাৰা তথা শোণিতপুৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সৌজন্যত আৰু তেজপুৰৰ অসমীয়া ব্যৱসায়ী উন্নয়ন পৰিষদৰ সহযোগত এখন এদিনীয়া 'উদ্যমীয়তা বিকাশ কাৰ্যসূচী' অনুষ্ঠিত কৰা হয়। তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই বন্তি প্ৰজ্বলনৰে আৰম্ভ কৰা অনুষ্ঠানটোত আদৰণি ভাষণ আগবঢ়ায় শোণিতপুৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰবন্ধক ৰঞ্জন কুমাৰ ভট্টাচাৰ্যই। অনুষ্ঠানত ৰঙাপৰা বিধানসভা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতীয়ে চৰকাৰী চাকৰিৰ নাটনি আৰু নিবনুৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি নতুন প্ৰজন্মক উদ্যমৰে ব্যৱসায়িক ক্ষেত্ৰত আগবাঢ়ি যাবলৈ পৰামৰ্শ আগবঢ়ায়। ভাষণ প্ৰসংগত তেজপুৰৰ বিধায়ক ৰাভাই উল্লেখ কৰে—এনেকুৱা উদ্যম বিকাশ কাৰ্যসূচী সঘনাই অনুষ্ঠিত কৰিব লাগে বুলি মন্তব্য কৰি লগতে এনে কাৰ্যসূচী অনুষ্ঠিত কৰিবলৈ অসমীয়া ব্যৱসায়ী উন্নয়ন পৰিষদ তেজপুৰ আগবাঢ়ি অহাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ গুজৰাটৰ দৰে মৰুভূমি প্ৰধান ৰাজ্যত গোপালনৰ উদ্যোগ গঢ়ি কেনেদৰে স্বাৱলম্বী হ'ব পাৰিছে তাৰ উদাহৰণ দাঙি ধৰে। তেওঁ অসমীয়া ব্যৱসায়ী উন্নয়ন পৰিষদে বিভিন্ন চৰকাৰী বিভাগসমূহক সামৰি এক ম'বাইল এপ্প তৈয়াৰ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। যাতে উদ্যমী নতুন প্ৰজন্মই এখন মঞ্চৰ পৰা সকলোবোৰ তথ্য লাভ কৰিব পাৰে। সভাত শোণিতপুৰ জিলা প্ৰশাসনৰ প্ৰতিনিধি হিচাপে জিলা উন্নয়ন আয়ুক্ত উৎপল বৰাই আৰু অসমীয়া ব্যৱসায়ী উন্নয়ন পৰিষদৰ সভাপতি বিনন্দ বৰাই ভাষণ আগবঢ়ায়। অনুষ্ঠানত বিভিন্ন বিভাগৰ বিষয়াসকলে বিভিন্ন বিভাগৰ আঁচনিসমূহৰ বিষয়ে অৱগত কৰে। তেজপুৰ বিশ্ববিদ্যালয়ৰ ব্যৱসায় প্ৰশাসনীয় বিভাগৰ অধ্যাপক ড° অৰূপ কুমাৰ ৰয়, ডাইমেঞ্চন অকাডেমিৰ পংকজ বৰা আৰু দৰং মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ অধ্যাপক ড° মনোজ কুমাৰ হাজৰিকাই আমন্ত্ৰিত সমল ব্যক্তি হিচাপে কৰ্মশালাত অংশগ্ৰহণ কৰে। অনুষ্ঠানত ১৫০ৰো অধিক উদ্যমী ব্যৱসায়ীয়ে অংশগ্ৰহণ কৰে।

### তেজপুৰত উদ্যম বিকাশ কাৰ্যসূচী

# পাঁচ জনগোষ্ঠীক খিলঞ্জীয়া জনগোষ্ঠীৰ মৰ্যাদা প্ৰদান



**তামাৰহাট, ১৪ জুলাই ঃ** অসমত বসবাস কৰা দেশী জনগোষ্ঠীসকলক অসম বিধানসভাৰ কেবিনেটে খিলঞ্জীয়া জনগোষ্ঠীৰ মৰ্যাদা প্ৰদান কৰাত আজি ধুবুৰী জিলাৰ তামাৰহাটত দেশী জনগোষ্ঠীয় মঞ্চৰ উদ্যোগত এক বিশাল মটৰ চাইকেল সমদল উলিওৱা হয়। উল্লেখ্য যে আন আন চাৰিটা জনগোষ্ঠীৰ লগতে অসমত বসবাস কৰা দেশী জনগোষ্ঠীয় মঞ্চই খিলঞ্জীয়া জনগোষ্ঠীৰ মৰ্যাদাৰ বাবে দীৰ্ঘদিনৰ পৰাই অসম চৰকাৰৰ ওচৰত দাবী জনাই আহিছে । উক্ত দাবীৰ প্ৰতি সঁহাৰি জনাই অসম বিধানসভাৰ কেবিনেট বৈঠকৰ সিদ্ধান্ত মতে যোৱা পাঁচ জুলাইৰ দিনা অসমত বসবাস কৰা গৰিয়া, মৰিয়া, জলহা আৰু ছৈয়দ জনগোষ্ঠীৰ লগতে দেশী মুছলমানসকলক খিলঞ্জীয়া জনগোষ্ঠীৰ মৰ্যাদা কৰা হয়। কেবিনেটৰ উক্ত সিদ্ধান্তক ধুবুৰী জিলা দেশী জনগোষ্ঠীয় মঞ্চই আদৰণি জনোৱাৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। কেবিনেটৰ ঐতিহাসিক সিদ্ধান্তত উৎফুল্লিত হৈ ধুবুৰী জিলা দেশী জনগোষ্ঠীয় মঞ্চই কামানডাংগা আৰু ডিংডিংগা আঞ্চলিক কমিটীৰ সহযোগত আজি তামাৰহাট থানাৰ অন্তৰ্গত কাছাৰীগাঁৱৰ পৰা এক বিশাল মটৰ চাইকেল সমদল উলিয়াই কামানডাংগা, তামাৰহাট আৰু ডিংডিংগা গাঁও পঞ্চায়ত অঞ্চল পৰিভ্ৰমণ কৰে । উক্ত সমদলটোৱে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ, দেশী জনগোষ্ঠীয় মঞ্চ জিন্দাবাদ, অসম চৰকাৰ জিন্দাবাদ আদি শ্ল'গান দিয়াৰ উপৰি ফটকা ফুটাই অঞ্চলটোৰ পৰিৱেশ মুখৰ কৰি তোলে। ধুবুৰী জিলা দেশী জনগোষ্ঠীয় মঞ্চৰ সাধাৰণ সম্পাদক আব্দুল্লা খন্দকাৰৰ নেতৃত্বত উলিওৱা সমদলটোত মটৰ চাইকেল, ই-ৰিক্সা, অট'ৰ লগতে পাঁচ শতাধিক লোকে অংশগ্ৰহণ কৰে ।

### ■ তামাৰহাটত দেশী জনগোষ্ঠীয় মঞ্চৰ মটৰ চাইকেল সমদল

# অসামাজিক কাৰ্যৰ ঘাটি উত্তৰ গুৱাহাটী ৰন্ধন গেছ প্ৰকল্পৰ সমুখ

## ■ আই আই টি গেটৰ সমীপতে অসাধু বেহা

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ১৪ জুলাই ঃ** নিচাযুক্ত সামগ্ৰীৰ লগতে অসামাজিক কাৰ্যৰ মুকলি ঘাটিলৈ পৰ্যবসিত হৈছে উত্তৰ গুৱাহাটী ৰন্ধন গেছ প্ৰকল্পৰ গাড়ী পাৰ্কিং আস্থান। উত্তৰ-পূৰ্বৰ আঠ ৰাজ্যৰ লগতে চুবুৰীয়া দেশ ভূটান, নেপাল আৰু বাংলাদেশলৈও উত্তৰ গুৱাহাটী ৰন্ধন গেছ প্ৰকল্পৰ পৰা গেছৰ চিলিণ্ডাৰ সৰবৰাহ হৈ আহিছে। ৰন্ধন গেছৰ গাড়ী সচৰাচৰ কোনো ঠাইতে আৰক্ষীৰ পৰীক্ষণৰ সন্মুখীন নহয় বাবেই নিচাযুক্ত সামগ্ৰী সহজে সৰবৰাহ হয়। বিগত বৰ্ষত প্ৰকল্প আস্থানৰ স্থানীয় গাড়ী চালকৰ খবৰৰ ভিত্তিত বুজন পৰিমাণৰ ড্ৰাগছসহ কে'বাজনো মণিপুৰী যুৱকক কামৰূপ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। সেই ঘটনাৰ পাছৰে পৰা কোনো ধৰণৰ আৰক্ষীৰ অভিযান নচলোৱাত পুনৰ অসাধু চক্ৰই নিচাযুক্ত সামগ্ৰী সৰবৰাহ কৰি অহাৰ অভিযোগ কৰিছে স্থানীয় লোকে। উত্তৰ গুৱাহাটী গৌৰীপুৰ আৰক্ষীৰ দৈনিক পহৰাৰ পাছতো এইধৰণৰ সামগ্ৰীৰ সৰবৰাহে চিন্তিত কৰিছে স্থানীয় লোকক। অভিযোগ অনুসৰি, গেছ প্লাণ্টৰ এখন হোটেলৰ গৰাকীয়ে বহু বছৰৰ পৰা ৰন্ধন গেছৰ ক'লা ব্যৱসায় অতি বিপজ্জনকভাবে চলাই আহিছে। সৰ্বোপৰি গেছ প্ৰকল্প চৌহদৰ গাতে এটি কোঠাত এগৰাকী বোৱাৰীয়ে অসামাজিক কাম-কাজ চলাই আহিছে। বোৱাৰীগৰাকীৰ সামাজিক মাধ্যমত জঘন্য ফটো ভাইৰেল হোৱাত জাঙুৰ খাই উঠিছে স্থানীয় নাৰী সংগঠন। স্কুলীয়া শিক্ষাৰ্থীৰ পৰা আদি কৰি সকলো ধৰণৰ লোক অসাধু বোৱাৰীৰ কবলত পৰি সৰ্বস্বান্ত হৈ আহিছে। বোৱাৰীগৰাকীয়ে কোঠাত ম'বাইল কেমেৰা গোপনে সংস্থাপিত কৰি পাছত যুৱকৰ স'তে অসৎ কাৰ্যত লিপ্ত হোৱা ফটো ভাইৰেলৰ ভাবুকিৰে ব্লেক মেইলিং কৰাৰ অভিযোগ উঠিছে। গুৱাহাটী আই আই টি গেটৰ সমুখৰ পৰিৱেশ বিনষ্ট কৰা মহিলাৰ শাস্তিৰ দাবী কৰিছে স্থানীয় কে'বাটাও নাৰী সংগঠনে। পৰিৱেশ বিনষ্ট কৰা বোৱাৰীৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণৰ বাবে এতিয়া সকলোৱে দাবী কৰিছে ।

# জয়পুৰ জ্ঞানোদয় একাডেমী কনিষ্ঠ মহাবিদ্যালয়ত নৱাগত আদৰণি

**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া , ১৪ জুলাই ঃ** জয়পুৰৰ জ্ঞানোদয় একাডেমী কনিষ্ঠ মহাবিদ্যালয়ত যোৱা ১২ জুলাইত নৱাগত আদৰণি অনুষ্ঠান অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটি আঁত ধৰে ছাত্ৰ প্ৰতিনিধি অনুজ বৰাই। আৰম্ভণিতে মহাবিদ্যালয়ৰ গীত পৰিৱেশন কৰে দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰীসকলে। ইয়াৰ পাছতে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ অভিনন্দন পত্ৰ প্ৰদান কৰি চিনাকি পৰ্ব অনুষ্ঠিত হয়। অতি অন্তৰংগতাৰে দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰথম বৰ্ষৰ নৱাগতসকলৰ লগত ভাব বিনিময় কৰে। ছাত্ৰ-ছাত্ৰীসকলে নৃত্য, গীত পৰিৱেশন কৰি অনুষ্ঠানটি মনোগ্ৰাহী আৰু জীপাল কৰি তোলে। অনুষ্ঠানৰ শেষৰ ফালে প্ৰবক্তা প্ৰশান্ত কুমাৰ গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি চমু বক্তব্য আগবঢ়ায়। প্ৰধানতঃ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ লক্ষ্য আৰু উদ্দেশ্যৰ প্ৰতি ৰাখি অধিক অধ্যয়নৰ ওপৰত তেওঁ গুৰুত্ব প্ৰদান কৰে। অনুষ্ঠানত অধ্যক্ষা জয়শ্ৰী সান্ন্যাল, প্ৰবক্তা মধুস্মিতা কোঁৱৰ, স্মৃতি ডেকা ৰাউণ্ড, মুনমী শৰ্মা, দীপা মজুমদাৰ, মিলন তপ্প আদি উপস্থিত থাকে।

# ৰূপহীহাটত ড্ৰাগছ সৰবৰাহকাৰী আটক

**অগ্ৰদূত বাৰ্তা**

**ৰূপহীহাট, ১৪ জুলাই ঃ** ৰূপহীহাটৰ পূব ছাইদৰীয়াত আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযান চলাই এজন ড্ৰাগছ সৰবাৰহকাৰীক আটক কৰে। পূব ছাইদৰীয়াত আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ ড্ৰাগছ জব্দ কৰাৰ লগতে গ্ৰেপ্তাৰ কৰে আব্দুল ৰচিদ নামৰ সৰবাৰহকাৰীজনক। ৰূপহীত ধৃত ৰচিদে দীৰ্ঘদিন ধৰি চলাই আছিল ৰমৰমীয়া ব্যৱসায়। ৰূপহীহাট থানাৰ আৰক্ষী বিষয়া সঞ্জিত কুমাৰ ৰায়ৰ নেতৃত্বত চলিছিল এই অভিযান। ধৃত ৰচিদক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। জব্দ কৰা ড্ৰাগছৰ বজাৰ মূল্য লক্ষাধিক টকা হ'ব বুলি আৰক্ষীয়ে জানিবলৈ দিছে।



বঙাইগাঁৱত ভানুজয়ন্তী উদযাপন।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উদ্যোগত কেৰিয়াৰ সজাগতা অনুষ্ঠান

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৪ জুলাই ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিশ্ববিদ্যালয়ৰ উদ্যোগত অহা ২২ জুলাইত কেৰিয়াৰ সজাগতাৰ এক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত সমল ব্যক্তি হিচপে অংশ ল'ব অসমৰ জনপ্ৰিয় কেৰিয়াৰ পৰামৰ্শদাতা তথা অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ যান্ত্ৰিক অভিযান্ত্ৰীক বিভাগৰ মুৰব্বী ড° বুলজিৎ বুঢ়াগোহাঁয়ে। ২২ জুলাইৰ পুৱা ১১ বজাৰ পৰা বিশ্ববিদ্যালয়খনৰ নগাঁও চৌহদত আৰম্ভ হ'বলগীয়া সজাগতা অনুষ্ঠানৰ সবিশেষ জানিবৰ বাবে ৮৬৩৮৯০৯১০৩ নম্বৰত যোগাযোগ কৰিব পাৰিব। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে, উক্ত কেৰিয়াৰ সজাগতা অনুষ্ঠান উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ শিক্ষাৰ্থীৰ বাবেহে মুকলি থাকিব।

# মেৰাপানীত জাপানী এনকেফেলাইটিছত এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ১৪ জুলাই ঃ** সাম্প্ৰতিক সময়ত ৰাজ্যখনত জাপানী এনকেফেলাইটিছে সংহাৰ ৰূপ ধাৰণ কৰি বহুকেইজন মৃত্যু হোৱাৰ লগতে বহুকেইজন চিকিৎসাধীন হৈ থকা সময়তে মেৰাপানী কৃষ্ণাশ্ৰমী গাঁৱৰ এজন লোক কালি জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ মৃত্যু হোৱাৰ তথ্য পোৱহলৈ আহিছে। মৃত্যু হোৱা লোকজনৰ নাম নৰেশ্বৰ শৰ্মা (৭০)। উল্লেখ্য যে পাঁচবছৰৰ পূৰ্বে গুৱাহাটীৰ পৰা আহি শৰ্মাই কৃষ্ণাশ্ৰমী গাঁৱৰ গাঁওবুঢ়া ধেনুৰাম দাসৰ বোৱাৰী তথা শৰ্মাৰ জীয়েকৰ ঘৰত থাকি আশ্ৰয় লৈ আছিল। এসপ্তাহৰ পূৰ্বে শৰ্মাৰ অতিমাত্ৰা মূৰ বিষ, জ্বৰ, বমি হোৱাত মেৰাপানী সামূহীয়া চিকিৎসালয়ত স্বাস্থ্য পৰীক্ষা কৰে। মেৰাপানী চিকিৎসকে লোকজনৰ স্বাস্থ্য পৰীক্ষা কৰি উন্নত চিকিৎসাৰ বাবে গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। গোলাঘাটত লোকজনৰ দুদিন চিকিৎসা কৰাৰ পাছত সুস্থ নোহোৱাত চিকিৎসকে উন্নত চিকিৎসাৰ বাবে যোৰহাট মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে। যোৰহাটত বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ অন্তত শৰ্মাৰ জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত বুলি নিশ্চিত কৰি চিকিৎসা চলাই আহিছিল যদিও অৱশেষত কালি বিয়লি যোৰহাট মেডিকেলত মৃত্যু ঘটে। ইতিমধ্যে মেৰাপানীত এনকেফেলাইটিছত এজনৰ মৃত্যু আৰু কলাজানৰ এজন কিশোৰৰ দেহত জাপানী এনকেফেলাইটিছ ৰোগ ধৰা পৰাৰ পাছত অঞ্চলটোৰ ৰাইজৰ মাজত আতংকৰ সৃষ্টি হৈছে। সেয়েহে জিলা স্বাস্থ্য বিভাগক জাপানী এনকেফেলাইটিছৰ ভয়াবহতাৰ প্ৰাকক্ষণত উক্ত ৰোগৰ প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে আহ্বান জনাইছে।

# ৰঙিয়া বালিসত্ৰত ছাত্ৰ সন্থাৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ১৪ জুলাই ঃ** সাম্প্ৰতিক সময়ত সৰ্বকালৰ ৰেকৰ্ড ভংগ কৰা প্ৰলয়ংকৰী বানৰ পিছ মুহূৰ্ততে বানাক্ৰান্ত অঞ্চলসমূহত বিভিন্ন ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰঙিয়া স্পৰ্শ হাস্পতালৰ উদ্যোগত বালিসত্ৰ ছাত্ৰ সন্থা আৰু বালিসত্ৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ সহযোগত আজি বালিসত্ৰত দিনজোৱা কাৰ্যসূচীৰে এক বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হয়। শিবিৰটো উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে। স্বাস্থ্য শিবিৰত ডাঃ সৌৰভ বৰুৱা, ডাঃ ইনামুল হক চৌধুৰী, ডাঃ ৰেকিবুদ্দিন আহমেদ, ডাঃ সংগীতা যাদৱ, ডাঃ দ্বাৰা শ্বেখসহ কে'বাগৰাকী বিশেষজ্ঞ চিকিৎসকে ৰোগীসকলৰ চিকিৎসা সেৱা আগবঢ়ায়। শিবিৰত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত দাস, সাধাৰণ সম্পাদক পংকজ কলিতা, সাংস্কৃতিক সম্পাদক তৌফিকুৰ ৰহমান, কাৰ্যনিৰ্বাহক সদস্য বুবুল আলী, মহকুমা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি জিতু ডেকা, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি জয়ন্ত শৰ্মা, স্পৰ্শ হাস্পতালৰ পৰিচালক কামালুৰ জামানসহ অন্যান্য ছাত্ৰ নেতা সকলে সহায়ৰ হাত আগবঢ়ায়।

# দুৰ্নীতি-ভ্ৰষ্টাচাৰ-অৰ্থনৈতিক সুৰক্ষাৰ বাবেই আপৰ ৰাজনৈতিক সংগ্ৰাম

## ■ নাজিৰাত আম আদমী পাৰ্টিৰ উজনি অসম প্ৰশিক্ষণ শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ১৪ জুলাই ঃ** অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত উত্থান হোৱা আম আদমী পাৰ্টি (আপ)ৰ শিৱসাগৰ, যোৰহাট, গোলাঘাট, ডিব্ৰুগড়, তিনিচুকীয়া জিলা তথা উজনি অসম সামৰি যোৱা ১২ জুলাইত দিনজোৱা কাৰ্যসূচীৰে নাজিৰা নগৰৰ মাজমজিয়াস্থ এমচি ক্লাবৰ প্ৰেক্ষাগৃহত কৰ্মকৰ্তা প্ৰক্ষিণ শিবিৰ সম্পন্ন হয়। প্ৰায় সহস্ৰাধিক কৰ্মকৰ্তা অংশগ্ৰহণ কৰা প্ৰশিক্ষণ শিবিৰৰ অন্তত বিয়লি এখন সংবাদমেল সম্বোধন কৰে। আপৰ ৰাষ্ট্ৰীয় তত্বাৱধায়ক ৰাজেশ শৰ্মা, ৰাজ্যিক সমন্বয়ক ডাঃ ভৱেন চৌধুৰী, ৰাজ্যিক সংখ্যালঘু কোষৰ যুটীয়া সাংগঠনিক সম্পাদক জাকিৰুল হুছেইন, লক্ষ্মীকান্ত ডুবে, ৰাজীৱ শইকীয়া, মনোজ ধানোৱাৰ ৰাজ্যিক সম্পাদক ভিক্টৰ গগৈ, ৰুদ্ৰাংকুৰ হাজৰিকা, মিতালী গগৈ, সুদীপ্ত শৰ্মা, অংকুৰ কলিতা, অনুৰূপা বড়ো, সত্য প্ৰতীম গায়, ভৈৰৱ গগৈ, ৰূপম জ্যোতি বৰগোহাঁই, নাজিৰা সমষ্টিৰ সমন্বয়ক অৰিন্দম খাটনিয়াৰ আদিকে ধৰি ভালেকেইজন ৰাজ্যিক নেতৃত্বই অংশগ্ৰহণ কৰা প্ৰশিক্ষণৰ অন্তত এখন সংবাদমেল সম্বোধন কৰি আপৰ নেতৃত্বই ব্যক্ত কৰে যে দেশৰ স্বাধীনতাৰ দিনৰে পাৰ বৰ্তমানলৈকে শাসন কৰি অহা দলসমূহে কেৱল ৰাজনৈতিক মুনাফাৰ বাবে হিতাধিকাৰী সৃষ্টি কৰি ভোটৰ ৰাজনীতি কৰাৰ বাহিৰে দেশৰ সৰ্বসাধাৰণ জনগণক অৰ্থনৈতিকভাৱে সুৰক্ষিত কৰিব পৰা নাই। তদুপৰি শাসনাধিস্থ দলে দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ জৰিয়তে দেশৰ জনমূৰি আয় সংকুচিত কৰি আহিছে। তেনে প্ৰেক্ষাপটত দুৰ্নীতি, ভ্ৰষ্টাচাৰ দূৰ কৰি দেশৰ সৰ্বসাধাৰণ জনগণক অৰ্থনৈতিকভাৱে সুৰক্ষিত কৰাৰ উদ্দেশ্যে আম আদমী পাৰ্টিৰ উত্থান ঘটিছে। আগন্তুক পঞ্চায়ত, নগৰ পালিকা, লোকসভা আৰু বিধানসভাৰ প্ৰতিটো সমষ্টিতেই আপৰ ফালৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি দেশ তথা অসমত এখন নিকা চৰকাৰ গঠনৰ ক্ষেত্ৰত ৰাইজক সঁহাৰি জনাবলৈ আহ্বান কৰে আপৰ নেতাসকলে।



# বিশ্বনাথত হোটেল-ৰেষ্টুৰেণ্টত সেৱা মাচুল আৰোপ কৰাৰ সন্দৰ্ভত নিষেধাজ্ঞা জাৰি

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৪ জুলাইঃ** ভাৰত চৰকাৰৰ উপভোক্তা পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰণালয়ৰ অতিৰিক্ত সচিব তথা কেন্দ্ৰীয় উপভোক্তা সুৰক্ষা কৰ্তৃপক্ষ ( চিচিপিএৰ)ৰ মুখ্য আয়ুক্ত নীতিন খাৰেৰ এক নিৰ্দেশৰ ভিত্তিত বিশ্বনাথৰ জিলা দণ্ডাধীশে জিলাখনৰ হোটেল আৰু ৰেষ্টুৰেণ্টত সেৱা মাচুল আৰোপ কৰাৰ সন্দৰ্ভত কেতবোৰ বিশেষ নিৰ্দেশনা জাৰি কৰিছে। জিলাখনত অনুচিত বাণিজ্য পদ্ধতি প্ৰতিহত কৰা আৰু গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ উপভোক্তা সুৰক্ষা আইন, ২০১৯ ধাৰা ১৮ (১/২)ৰ অধীনত তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ বিশ্বনাথ জিলা দণ্ডাধীশ মুনীন্দ্ৰ নাথ ঙাটেই এই নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি বিশ্বনাথ জিলাৰ হোটেল বা ৰেষ্টুৰেণ্টসমূহে খাদ্যৰ বিলত স্বয়ংক্ৰিয়ভাৱে বা ইচ্ছাকৃতভাৱে সেৱা মাচুল যোগ কৰিব নোৱাৰিব। একেদৰে আন কোনো নামেৰে সেৱা মাচুল সংগ্ৰহ কৰিব নোৱাৰিব। ইয়াৰ উপৰি কোনো হোটেল বা ৰেষ্টুৰেণ্টে গ্ৰাহক এজনক সেৱা মাচুল পৰিশোধ কৰিবলৈ বাধ্য কৰিব নোৱাৰিব আৰু গ্ৰাহকক স্পষ্টভাৱে জনাব লাগিব যে সেৱা মাচুল স্বেচ্ছামূলক, বৈকল্পিক আৰু গ্ৰাহকৰ বিবেচনাত। লগতে হোটেল বা ৰেষ্টুৰেণ্টে গ্ৰাহকৰ প্ৰৱেশৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা আৰোপ কৰা বা সেই ব্যৱস্থাৰ ওপৰত আধাৰিত কৰি সেৱাৰ ওপৰত কোনো সেৱা মাচুল সংগ্ৰহ আৰোপ কৰিব নোৱাৰিব। জিলা দণ্ডাধীশৰ নিৰ্দেশটোত খাদ্য বিলৰ স'তে ইয়াক যোগ কৰি আৰু মুঠ পৰিমাণৰ ওপৰত জিএছটি আৰোপ কৰি সেৱা মাচুল সংগ্ৰহ কৰিব নোৱাৰিব বুলিও উল্লেখ কৰা হৈছে আৰু উপভোক্তা সুৰক্ষা আইন, ২০১৯ ৰ সংশ্লিষ্ট ধাৰা অনুসৰি এই নিৰ্দেশনা উলংঘন কৰিলে ভংগকাৰী শাস্তিৰ সন্মুখীন হ'ব লাগিব বুলি স্পষ্টকৈ উল্লেখ কৰা হৈছে। উল্লেখ্য যে কেন্দ্ৰীয় উপভোক্তা পৰিক্ৰমা বিভাগৰ দ্বাৰা অনুচিত বাণিজ্য পদ্ধতিপ্ৰতিহত কৰা আৰু গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ উপভোক্তা সুৰক্ষা আইন, ২০১৯ৰ ধাৰা ১৮ (২) (১)ৰ অধীনত জাৰি কৰা এই নিৰ্দেশনাসমূহ সমগ্ৰ দেশতে যোৱা চাৰি জুলাইৰ পৰাই কাৰ্যকৰী হোৱা বুলি কোৱা হৈছে।

### ■ সুৰক্ষা আইনৰ অধীনত জিলা দণ্ডাধীশৰ নিৰ্দেশনা

# নাজিৰাৰ শেন আলিত ছাত্ৰ-ছাত্ৰীলৈ অভিনন্দন

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ১৪ জুলাই ঃ** নাজিৰাৰ শেন আলি সাংস্কৃতিক উন্নয়ন সমিতিয়ে পূৰ্বৰ দৰে ২০২২ৰো ক্ৰমে হাইস্কুল শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা স্নাতক চূড়ান্ত পৰীক্ষা আৰু স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষা উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনায়। ২১৫ নম্বৰ চানবছা প্ৰাথমিক বিদ্যালয়ত উন্নয়ন সমিতিৰ শিক্ষা আৰু সাহিত্য শাখাৰ সভানেত্ৰী পুতলী বৰগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভা এটি সমবেত সংগীতেৰে আৰম্ভ হয়। বিশিষ্ট অতিথিৰূপে নাজিৰা শংকৰদেৱ বিদ্যা নিকেতনৰ প্ৰধানাচাৰ্য গোপাল বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনাই সম্প্ৰতি বৃত্তিগতভাৱে সংস্থাপনৰ দিশৰ লগতে উচ্চ শিক্ষাৰে জীৱনৰ অধিক উৎকৰ্ষৰ লক্ষ্যত আগবাঢ়ি যোৱাৰ দিশত পৰামৰ্শ দাঙি ধৰে। সভা উদ্বোধন কৰে শেন আলি সাংস্কৃতিক উন্নয়ন সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ দেউকন চাংমায়ে আৰু উদ্দেশ্য ব্যাখ্যা কৰে সাহিত্য শাখাৰ সম্পাদিকা দীপাঞ্জলি গগৈয়ে। আধুনিক জীৱনত ম'বাইলৰ সহায় অপৰিহাৰ্য হৈ পৰাৰ সময়ত অধ্যয়নত আত্মসমৰ্পণ কৰি অগ্ৰসৰ হওতে শিক্ষায়তনিক আৰু ৰুটিন ভিত্তিক ম'বাইল ফোনৰ ব্যৱহাৰেহে উৎকৰ্ষ যোহাব পাৰে বুলি উল্লেখ কৰে বিশিষ্ট অতিথি গোপাল বৰুৱাই। নিৰ্দিষ্ট বক্তা হিচাপে ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষা আহৰণৰ বাটত সংযম আৰু কৰ্তব্যবোধ জাগ্ৰত ৰাখি নৈতিক গুণৰ অধিকাৰী হৈ জীৱনত প্ৰতিষ্ঠা লাভৰ বাবে অগ্ৰসৰ হোৱাৰ আহ্বান জনাই সংহত শিশু উন্নয়ন প্ৰকল্পৰ ক্ষেত্ৰ বিষয়া নীলাক্ষী বৰুৱাই। সন্মানীয় অতিথিৰূপে যুৱ সমাজ কৰ্মী ময়ূৰ বৰগোহাঁই, অনুৰাগ শৰ্মা, ভাস্কৰজ্যোতি বৰগোহাঁই, উপেন দত্তই ছাত্ৰ-ছাত্ৰীসকলক দুৱাষাৰ কয়। উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ ৰশ্মি বৰগোহাঁই, অচ্যুত চেতিয়া, প্ৰণামী চেতিয়া আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ তপোৱ্ৰত সন্দিকৈ (ডিষ্টিংছন) অচ্যুৎ সন্দিকৈ, সৃষ্টি দত্ত চাংমাইক গামোচা, মানপত্ৰ আৰু কিতাপৰে অভিনন্দন জনোৱা হয়। স্নাতক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ বিৰিঞ্চি চাংমাই, জ্ঞানদ্বীপ বৰগোহাঁই, অপূৰ্ব কোঁৱৰ, লীজা সন্দিকৈ, প্ৰিন্সী কোঁৱৰ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাংবাদিকতা আৰু গণ সংযোগ বিষয়ত স্নাতকোত্তৰ পৰীক্ষাত প্ৰথম স্থান লাভ কৰা নিপন বৰগোহাঁইক অভিনন্দন জনোৱা হয়। ২০২২ৰ ২১৫ নম্বৰ চানবছা প্ৰাথমিক বিদ্যালয়ৰ বাৰ্ষিক মূল্যায়নত সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰী হিমাদ্ৰী সন্দিকৈকো অভিনন্দন জ্ঞাপন কৰা হয়। উন্নয়ন সমিতিৰ সভাপতি খগেন চাংমাই, সম্পাদক যোগেন চেতিয়া, অনিল সন্দিকৈসহ অভিভাৱকসকল উপস্থিত থকা সভাৰ শেহত দিশাশ্ৰী গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়।

# চমুখাৰ বৰলীয়া নৈৰ ভগ্ন মথাউৰিত ৰিংবান্ধৰ কাম আৰম্ভ



**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৪ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ চমুখাৰ বৰলীয়া নৈৰ ভগ্ন মথাউৰি পৰিদৰ্শন কৰাৰ পিছদিনাৰ পৰাই বিভাগীয়ভাৱে ৰিংবান্ধৰ কাম আৰম্ভ কৰে। উল্লেখ্য যে ২৬ জুনত মুখ্যমন্ত্ৰী ড° শৰ্মাই মথাউৰিটো পৰিদৰ্শন কৰি কৈছিল যে প্ৰতিটো ভগ্ন মথাউৰিয়ে শীঘ্ৰে মেৰামতি কৰাৰ ব্যৱস্থা কৰা হ'ব। আনহাতে, সকলো মথাউৰি বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ ঘোষণাৰ পাছতে বৰ্তমান ৰিংবান্ধৰ কামত প্ৰায় দুশ শ্ৰমিকে দিনে-নিশাই কাম কৰি আছে। মনকৰিবলগীয়া যে উক্ত ভগ্ন অংশৰে ওলাই অহা পানীয়ে সমগ্ৰ পশ্চিম বড়িগোগ মৌজা আৰু নলবাৰী জিলাৰ এখন গাঁও জলমগ্ন কৰি তুলিছিল। বৰ্তমান ৰিংবান্ধটো নিৰ্মাণ কৰাত অঞ্চলটোৰ ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। উল্লেখ্য যে সেইদিনা মুখ্যমন্ত্ৰীৰ লগত ভগ্ন মথাউৰি স্থানত উপস্থিত হৈ মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই ৰাইজৰ আগত কৈছিল যে মথাউৰিটো মজবুতকৈ নিৰ্মাণ কৰাৰ লগতে এটি যান-বাহন চলিব পৰা পথ হিচাপে সম্পূৰ্ণ কৰি তোলা হ'ব। বৰলীয়াৰ দুয়োটা মথাউৰি পথ কৰি নিৰ্মাণ কৰাৰ দীৰ্ঘদিনৰ পৰিকল্পনাৰ কথা সদৰী কৰে সাংসদ তথা বিজেপি ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক শইকীয়াই। দুয়োজন নেতাৰ কথাত সকলো ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছিল আৰু বৰ্তমান মথাউৰিৰ ক্ষেত্ৰত চৰকাৰে লোৱা পদক্ষেপক প্ৰশংসা কৰাৰ লগতে বাকী কামবোৰো ক্ষিপ্ৰতাৰে হ'ব বুলি আশা কৰিছে। সেইদিনাখন মুখ্যমন্ত্ৰীৰ লগত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা আৰু হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াৰ লগতে বহুতো দলীয় কাৰ্যকৰ্তা আৰু বিভাগীয় উচ্চ পদস্থ বিষয়াসকল ভগ্নস্থলীত উপস্থিত আছিল।

### ■ মুখ্যমন্ত্ৰীৰ পদাৰ্পণৰ পাছতে আগবাঢ়িছে মেৰামতি পৰ্ব






# শুদ্ধ ভোটাৰ তালিকাৰে পূব বৰক্ষেত্ৰী বহুমুখী সমবায় সমিতিৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী

## তদন্ত প্ৰক্ৰিয়া পূৰ্ণ নোহোৱালৈ স্থগিত ৰাখিব লাগে নিৰ্বাচন ঃ দাবী অংশীদাৰৰ

**বিশেষ সম্বাদাদাত**

**মুকালমুৱা, ১৪ জুলাই ঃ** নলবাৰী জিলাৰ পূব বৰক্ষেত্ৰী বহুমুখী সমবায় সমিতিখনৰ নিৰ্বাচনৰ সময় চমু চাপি অহাৰ সময়তে সমবায়খনৰ অংশীদাৰসকলে সমিতিখনৰ বিৰুদ্ধে বহু অভিযোগ উত্থাপন কৰি এই নিৰ্বাচন স্থগিত ৰাখিবলৈ দাবী জনাইছে। নিৰ্বাচনৰ দিন ঘোষণা হোৱা নাই যদিও শীঘ্ৰেই নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। এই নিৰ্বাচনৰ সময় চমু চাপি অহাৰ সময়তে অংশীদাৰসকলে অভিযোগ কৰিছে যে বাৰ পাচি ভুলৰ ভোটাৰ তালিকাৰে নিৰ্বাচন অনুষ্ঠিত হোৱাৰ দিশে আগবাঢ়িছে, যিটো আমি বিচৰা নাই। ভোটাৰ তালিকাখন সংশোধন নোহোৱা পৰ্যন্ত নিৰ্বাচন স্থগিত ৰাখিব লাগে বুলি দাবী জনাইছে সমবায়খনৰ অংশীদাৰসকলে। উল্লেখ্য যে সমবায়খনৰ সভাপতি আজগৰ আলী নেতৃত্বাধীন সমিতিখনৰ বিৰুদ্ধে বহু অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, সমিতিখনৰ প্ৰায় তিনি শতাধিক লোকৰ অংশীদাৰিত্ব কৰ্তন কৰি নিজৰ অঙহী-বঙহী অথবা নিজৰ পছন্দৰ লোকৰ নাম অবৈধভাৱে সুমুৱাই ক্ষমতা বাহাল ৰাখিব বিচাৰিছে। ইতিমধ্যে এই সন্দৰ্ভত নিৰঞ্জন কলিতা নামৰ এগৰাকী অংশীদাৰৰ অভিযোগৰ ভিত্তিত এক তদন্ত প্ৰক্ৰিয়াও চলি আছে। তদন্ত প্ৰক্ৰিয়া সমাপ্ত নোহোৱা পৰ্যন্ত নিৰ্বাচন স্থগিত ৰাখিব লাগে বুলি অংশীদাৰে দাবী জনাইছে। অভিযোগ অনুসৰি, বহু লোকৰ নাম সমবায়খনৰ সভাপতিজনে কৰ্তন কৰিছে। তেওঁলোকৰ ঠাইত নিজৰ পছন্দৰ ব্যক্তিৰ নাম তালিকাত অন্তৰ্ভুক্ত কৰিছে। ইয়াৰ জৰিয়তে তেওঁ আজীৱন ক্ষমতাত বৰ্তি থাকিব বিচাৰিছে বুলি অভিযোগ কৰিছে। সমবায় সমিতিখনত সংঘটিত এনেবোৰ দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে নিৰঞ্জন কলিতাই প্ৰথম অৱস্থাত সমবায় বিভাগৰ নলবাৰীস্থিত সহকাৰী পঞ্জীয়কৰ কাৰ্যালয়ত অভিযোগ দাখিল কৰিছিল। তাৰ পাছত তেওঁ উপায়ুক্তৰ কাৰ্যালয়ত অভিযোগ দাখিল কৰে। পৰৱৰ্তী সময়ছোৱাত গুৱাহাটীস্থিত মাণ্ডলীক কাৰ্যালয়ত অভিযোগ দাখিল কৰে। যিখন ভোটাৰ তালিকাৰে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ওলাইছে, সেই ভোটাৰ তালিকাত বহু খাম-খেয়ালি থকাৰ অভিযোগ আছে। কিয়নো সমবায় সমিতিখনত নিজৰ পিতৃৰ অংশীদাৰিত্ব পত্নী, পুত্ৰ অথবা কন্যাৰ নামত হস্তান্তৰ নকৰি আন কোনো লোকক দিয়াৰ অভিযোগ আছে। বহুলোকে অংশীদাৰৰ আবেদন নজনোৱাৰ সুযোগ বহন কৰি সমিতিখনৰ বৰমূৰীয়াসকলে তেওঁলোকৰ অঙহি-বঙহীক সেই তালিকাত অন্তৰ্ভুক্ত কৰি ক্ষমতা নিজৰ হাতত ৰখাৰ চেষ্টা কৰিছে। ইতিমধ্যে এনে বহু লোকৰ নাম অন্তৰ্ভুক্ত কৰি ভোট বেংক টনকিয়াল কৰিছে বুলিও অভিযোগ কৰিছে একাংশই। সেইবাবে তেওঁলোকে ভোটাৰ তালিকাখন শুদ্ধ বিচাৰিছে আৰু তদন্ত প্ৰক্ৰিয়া অন্ত নোহোৱা পৰ্যন্ত নিৰ্বাচন স্থগিত ৰাখিব লাগে বুলি দাবী জনাইছে।

# স্বপ্না বৰঠাকুৰলৈ ড্ৰীম পেইন্টব্ৰাছৰ হীৰা বিজয়ীৰূপে ‘ড্ৰীম প্ৰাইড এৱাৰ্ড’

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ১৪ জুলাই ঃ** ছবি আৰু বাংলা-ইংৰাজী কবিতাৰ বাবে বহুকেইটা ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বঁটা বুটলিবলৈ সক্ষম হোৱা যোৰহাটৰ স্বপ্ন বৰঠাকুৰক কলকাতাৰ আন্তঃৰাষ্ট্ৰীয় ছবি সংস্থা ড্ৰীম পেইন্টব্ৰাছে অলপতে হীৰা বিজয়ী হিচাপে ‘ড্ৰীম প্ৰাইড এৱাৰ্ড’ বঁটা প্ৰদান কৰে। উল্লেখ্য যে যোৱা ২৪ৰ পৰা ৩০ জুনলৈ ড্ৰীম পেইন্টব্ৰাছে ৰাষ্ট্ৰীয় ছবি প্ৰদৰ্শনী আয়োজন কৰিছিল আৰু এই প্ৰদৰ্শনীত বৰঠাকুৰৰ ‘প্ৰটেক্ট ছউ’ল’ আৰু ‘জাৰ্ণি টু পিচ্’ শীৰ্ষক ছবি দুখন প্ৰদৰ্শন হোৱাৰ লগতে বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। বৰঠাকুৰে উক্ত ছবিৰ বাবেই সংস্থাটোৰ পৰা লাভ কৰে হীৰা বিজয়ী হিচাপে ‘ড্ৰীম প্ৰাইড এৱাৰ্ড’। উক্ত বঁটাৰ লগতে সংস্থাটোৱে বৰঠাকুৰলৈ সোণ, মুক্তাখচিত এটি কলম আগবঢ়ায়।

# বিহালীৰ বেদেতীত সুৰা বিপণী স্থাপনৰ বিৰুদ্ধে ৰাজহুৱা সভা ঃ প্ৰস্তাৱ গ্ৰহণ

**অগ্ৰদূত বাৰ্তা**

**বিহালী, ১৪ জুলাই ঃ** বিহালীৰ বেদেতীত কালি সুৰা বিপণী স্থাপনৰ বিৰোধিতাৰে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। বেদেতীৰ ক্ৰীড়া আৰু সাংস্কৃতিক অনুষ্ঠান উদ্দীপ্ত চ’ৰাৰ আহ্বান মৰ্মে, বেদেতীৰ অমিয় ভৱনত অৱসৰপ্ৰাপ্ত অধ্যক্ষ ঘন বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে চ’ৰাৰ প্ৰাক্তন সভাপতি দীপক শৰ্মাই আৰু উদ্দেশ্য ব্যাখ্যা কৰে চ’ৰাৰ সভাপতি জয়ন্ত বৰাই। সভা মূলতঃ বেদেতী কেন্দ্ৰস্থলত ‘ডেকা’ উপাধিধাৰী এগৰাকী মহিলাই স্থাপন কৰিব খোজা এখন সুৰা বিপণীৰ বিৰুদ্ধে অনুষ্ঠিত হয়। উল্লেখ্য যে উক্ত সুৰা বিপণীখন পূৰ্বে কুলাগুৰি পথাৰত স্থাপন কৰিছিল। কিন্তু অঞ্চলটোৰ বহু নৱ-প্ৰজন্মক অবাটে লৈ যোৱা আৰু বিভিন্ন অসামাজিক কাৰ্য কলাপ সংঘটিত হোৱাত, স্থানীয় ৰাইজ তথা মহিলাই সুৰা বিপণীখনৰ তীব্ৰ বিৰোধিতা কৰে। ফলত বিপনিখন কুলাগুৰিৰ পৰা আঁতৰাই আনিবলৈ বাধ্য হয় বিতৰ্কিত ডেকা উপাধিৰ মহিলাগৰাকী। শেহতীয়াকৈ উক্ত সুৰা বিপণীখনকে শিক্ষা-সাংস্কৃতিক কেন্দ্ৰস্থল বেদেতীত স্থাপন কৰিবলৈ উঠি পৰি লাগিছে। বেদেতীৰ শৈক্ষিক, সাংস্কৃতিক দিশৰ প্ৰতি সুৰা বিপণীখন তীব্ৰ ভাবুকি স্বৰূপ হৈ পৰাৰ লগতে উঠি অহা প্ৰজন্মৰ ভৱিষ্যৎ ধ্বংস হোৱাৰ সম্ভাৱনাৰ বাবেই অঞ্চলটোৰ শতাধিক সচেতন ব্যক্তি, ১৫টাকৈ সামাজিক অনুষ্ঠানৰ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে আজিৰ সভা অনুষ্ঠিত হয়। বিশেষকৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বিহালী আঞ্চলিক সমিতি, বিহালী আঞ্চলিক মানৱ অধিকাৰ সংগ্ৰাম সমিতি, নাৰী অধিকাৰ সুৰক্ষা সমিতি, দক্ষিণ বিহালী শাখা সাহিত্য সভা, বেদেতী আঞ্চলিক উন্নয়ন সমিতি আদি উল্লেখযোগ্য।

সভাত পূব বিহালী শাখা সাহিত্য সভাৰ সভাপতি শুকদেৱ বৰুৱা, নাৰী সুৰক্ষা সমিতিৰ প্ৰতিনিধি চম্পা বৰা, বৰালিমৰা গাঁও পঞ্চায়তৰ সভাপতি লাচিত বৰা, বেদেতী উন্নয়ন সমিতিৰ প্ৰতিনিধি মঃ আলী হুছেইন, বিহালী থানা সমিতিৰ কাৰ্যকৰী সভাপতি কীৰ্তি গোস্বামী, সমাজকৰ্মী চুৰেণ বৰা, বিহালী আঞ্চলিক মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ সচিব পুতুকণ বৰুৱা, নেখামচেং মহিলা সমিতিৰ প্ৰতিনিধি অনিতা কটকী, বিহালী আঞ্চলিক জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উপদেষ্টা পুতুল দাস, দক্ষিণ বিহালী শাখা সাহিত্য সভাৰ উপ-সভাপতি দিগন্ত কুমাৰ দাস, পাহাৰী বৰা, বিহালী প্ৰেছ ক্লাবৰ সম্পাদক খগেন মটক, ৰেৰ কুৰ্মী সোঁৰণী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ সদস্য প্ৰেম দাহাল, এক নম্বৰ বৰালিমৰা প্ৰাথমিক বিদ্যালয়ৰ সভাপতি জীনা বৰা, বিহালী আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী গীতা দাস, যুৱ সমাজকৰ্মী প্ৰবীণ কৰ্মকাৰ আদিয়ে প্ৰস্তাৱিত সুৰা বিপণীখনৰ তীব্ৰ বিৰোধ কৰি অনুজ্ঞাপত্ৰ বাতিলৰ দাবীৰে বক্তব্য আগবঢ়ায়।

আনহাতে, সুৰা বিপণীখনৰ বাবে প্ৰয়োজনীয় আপত্তিবিহীন প্ৰমাণপত্ৰ বৰালিমৰা গাঁও পঞ্চায়তৰ সভাপতিগৰাকীয়ে মঞ্জুৰ নকৰাত, জিলা উপায়ুক্তক পঞ্চায়তৰ সভাপতি লাচিত বৰাৰ বিৰুদ্ধে দীপিকা ডেকাই অভিযোগ দাখিল কৰা বিষয়টোৱেও সভাত গুৰুত্বপূৰ্ণ স্থান লাভ কৰে। এই সন্দৰ্ভত সভাই পঞ্চায়ত সভাপতিৰ ভূমিকাত সন্তুষ্টি প্ৰকাশ কৰি লাচিত বৰাক সম্পূৰ্ণ সহযোগ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। সভাত কে’বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আৰু সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাই শীঘ্ৰে বিষয়টো সন্দৰ্ভত ৰাজহুৱা স্বাক্ষৰ সম্বলিত স্মাৰকপত্ৰ বিশ্বনাথ জিলাৰ উপায়ুক্তৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু সংশ্লিষ্ট কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰি, সুৰা বিপনিখনৰ অনুজ্ঞাপত্ৰ শীঘ্ৰে বাতিলৰ দাবী জনাই সিদ্ধান্ত গ্ৰহণ কৰে।

# মীন বিভাগৰ উদ্যোগত ঘগ্ৰাপাৰৰ ঘোঁহকুছিত মাছৰ খাদ্য উৎপাদন মিলৰ আধাৰশিলা

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৪ জুলাই ঃ** নলবাৰী জিলা মীন বিভাগৰ উদ্যোগত আৰু নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ প্ৰচেষ্টাত ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৫ নম্বৰ দিহজাৰী পঞ্চায়তৰ অন্তৰ্গত ঘোঁহকুছি গাঁওৰ নিবাসী দীপেন কলিতাৰ গৃহৰ চৌহদত আজি (ফিড-মিল) মাছৰ খাদ্য উৎপাদন কৰা এটা মিলৰ আধাৰশিলা স্থাপন কৰা হয়। নলবাৰী মীন বিভাগৰ দ্বাৰা আৰআইডিএফ আঁচনিৰ অধীনত প্ৰায় ১২ লাখ টকাৰে নিৰ্মাণ হ’বলগীয়া উক্ত মিলটোৰ শিলান্যাস কৰে বিজেপিৰ নলবাৰী জিলা সমিতিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰে। তালুকদাৰে বিজেপি চৰকাৰখন সকলো শ্ৰেণীৰ ৰাইজৰ বাবে আঁচনি প্ৰস্তুত কৰাই নহয় প্ৰধানো কৰি আহিছে বুলি সদৰী কৰাৰ উপৰি কে’বাখনো জনকল্যাণমুখী আঁচনিৰ কথা বিশ্লেষণ কৰে। বিজেপি নেতাজনে নিজৰ ভাষণত ভাৰতবৰ্ষক ‘আত্মনিৰ্ভৰ ভাৰত’ ৰূপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যি স্বপ্ন দেখিছে তাক বাস্তৱত ৰূপায়ণ কৰাৰ দৃঢ় লক্ষ্যৰে ৰাজ্যৰ বিজেপি নেতৃত্বাধীন ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰখনে অহৰ্নিশে কাম কৰি আহিছে বুলিও মন্তব্য কৰে। অনুষ্ঠানত নলবাৰী মীন বিভাগৰ বিষয়া-কৰ্মচাৰী, দিহজাৰী গাঁও পঞ্চায়তৰ সভাপতি দিপক কলিতা, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ মহিলা মৰ্চাৰ সভানেত্ৰী মণিকা ভৰালী, বিজেপি কিষাণ মৰ্চাৰ মণ্ডল সভাপতি প্ৰতুল চৌধুৰীৰ লগতে জিলা আৰু মণ্ডলৰ দলীয় বিষয়ববীয়াই অংশগ্ৰহণ কৰে।



# যোৰহাটত বাহনা কৃষি চক্ৰত ২০ কুইন্টল জিংক ছালফেট বিতৰণ

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**যোৰহাট, ১৪ জুলাই ঃ** ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনি আৰু ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত আজি বাহনা কৃষি চক্ৰ অনুষ্ঠিত দুটা অনুষ্ঠানত উদ্যোগী কৃষক ৰাইজৰ মাজত মুঠ ২০ কুইন্টল জিংক চালফেট বিতৰণ কৰা হয়। বাহনা কৃষি চক্ৰৰ অন্তৰ্গত কাছগড়ালৰ ৩২ নম্বৰ গাঁও পঞ্চায়তৰ সোণালী গাঁৱৰ বৰপুখুৰীৰ পাৰত অনুষ্ঠিত প্ৰথমটো ‘জিংক ছালফেট বিতৰণ অনুষ্ঠান’ত অসম ঔদ্যোগিত আন্তঃগাঁথনি উন্নয়ন নিগমৰ অধ্যক্ষ শান্তনু পূজাৰী, বাহনা কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া নিৰেন বৰাৰ লগতে অঞ্চলৰ উদ্যোগী কৃষকসকল উপস্থিত থাকে। অনুষ্ঠানত কাছগড়ালৰ ৩২ নম্বৰ গাঁও পঞ্চায়তক চাৰি কুইন্টল আৰু একে গাঁও পঞ্চায়তৰ অধীনৰ সোণাৰি গাঁৱৰ কৃষকসকলক ছয় কুইন্টল জিংক ছালফেট বিতৰণ কৰা হয়। আনহাতে, বিয়লি নিমাতী বৰআলি গাঁৱৰ ৰংগমঞ্চত তিতাবৰৰ প্ৰাক্তন বিধায়ক হেমন্ত কলিতা, বাহনা কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া নিৰেন বৰা, কৃষি সম্প্ৰসাৰণ সহায়ক মুকুল ভূঞা আৰু দুয়োখন গাঁও পঞ্চায়তৰ উদ্যোগী কৃষকসকলৰ উপস্থিতিত অনুষ্ঠিত দ্বিতীয়টো অনুষ্ঠানত ৩০ নম্বৰ উত্তৰ পশ্চিম চাৰিগাঁও গাঁও পঞ্চায়ত আৰু ৩৫ নম্বৰ পটীয়া ফকলা গাঁও পঞ্চায়তৰ কৃষকসকলৰ মাজত ১০ কুইন্টল জিংক ছালফেট বিতৰণ কৰা হয়। জিংক ছালফেট বিতৰণ অনুষ্ঠানত যোৰহাট কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক ৰাতুল বৰাৰ লগতে মৰ্চাৰ কে’বাজনো কৰ্মীয়ে সহযোগিতা আগবঢ়ায়। দুয়োটা অনুষ্ঠানতে বাহনা কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া নিৰেন বৰাই জিংক ছালফেট ব্যৱহাৰৰ বিষয়ে কৃষকসকলক বিতংকৈ বুজায় দিয়ে।



*পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ ‘মনত পৰে নে অৰুন্ধতী’ শীৰ্ষক অনুষ্ঠানত অংশগ্ৰহণকাৰী একাংশ, বৃহস্পতিবাৰে।*

# যোৰহাটত লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জন্মজয়ন্তী উপলক্ষে জীৱন বৃত্তান্তৰ লেখা আহ্বান

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**যোৰহাট ১৪ জুলাই ঃ** ৰাজ্য চৰকাৰে মহাবীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী উদ্‌যাপন কৰিবলৈ লোৱা পৰিপ্ৰেক্ষিতত যোৰহাট জিলা প্ৰশাসনে যোৰহাটবাসী ৰাইজৰ পৰা মহাবীৰগৰাকীৰ জীৱন আৰু বীৰত্বৰ গৌৰৱোজ্জ্বল কাহিনী/ঘটনাৱলী /জীৱন বৃত্তান্তৰ ওপৰত লিখিত টোকা আহ্বান কৰিছে। এই লিখনি জিলাখনৰ বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু সকলো নাগৰিকৰ বাবে মুকলি কৰা হৈছে। ইচ্ছুক ব্যক্তিসকলক এ ফ’ৰ কাগজত ১০০ৰ পৰা ১০০০ শব্দৰ ভিতৰত সীমিত লেখাসমূহ জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়, জিলা উপায়ুক্ত কাৰ্যালয় চৌহদ, যোৰহাট, পিন-৭৮৫০০১ নাই e-mail dc-jorhat@nic.in লৈ ১৫ আগষ্ট, ২০২২ৰ ভিতৰত প্ৰেৰণ কৰিবলৈ অনুৰোধ জনোৱা হ’ল। উক্ত লেখাসমূহৰ লগত ছফট ক’পিও গাঁথি দিব লাগিব। উল্লেখ্য যে প্ৰতিখন জিলাৰ পৰা পাঁচখন লেখাৰ বিজেতাক ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে বীৰগৰাকীৰ চাৰিশ বছৰীয়া জন্মজয়ন্তীৰ উদ্‌যাপন অনুষ্ঠানত বঁটা প্ৰদান কৰিব। উক্ত লেখাসমূহৰ নিৰ্বাচিত ১০০খন লেখা জিলা প্ৰশাসনৰ ফেচবুক আৰু ৱেবছাইটত আপলোড কৰা হ’ব। এই ক্ষেত্ৰত জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনে জিলাখনৰ বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু সকলো নাগৰিকক উক্ত লেখাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# সদৌ অসম প্ৰাদেশিকীকৃত শিক্ষক কৰ্মচাৰী যৌথ মঞ্চৰ ৰাজভৱন চলো কাৰ্যসূচী

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৪ জুলাই ঃ** সদৌ অসম প্ৰাদেশীকৃত শিক্ষক (টিউটৰ) কৰ্মচাৰী যৌথ মঞ্চৰ শিৱসাগৰ জিলা সমিতিখন যোৱা সাত জুলাইত গঠন কৰা হয়। ২০২১ৰ পাঁচ ফেব্ৰুৱাৰীত অসম চৰকাৰে অনুষ্ঠিত কৰা নিয়োগ মেলাই অসমৰ প্ৰায় ২৭ হেজাৰ শিক্ষক (টিউটৰ)ৰ জীৱনলৈ অন্ধকাৰ নমাই আনিছে বুলি অভিযোগ উত্থাপন কৰি ইয়াৰ বিৰুদ্ধে যৌথ মঞ্চ গঠন হৈছে বুলি নৱ নিৰ্বাচিত সভাপতি ৰজত পাচনী আৰু সম্পাদক সীমান্ত গগৈয়ে জানিবলৈ দিছে। লগতে তেওঁলোকে ১৯ জুলাইত ৰাজভৱন চলো কাৰ্যসূচী হাতত লোৱাৰ কথাও সংসাদ মাধ্যমক জনায়।

# ঢোলৰ ওজা-লোকশিল্পী ৰাজু দাসৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১৪ জুলাই ঃ** অসম ঢুলীয়া শিল্পী সন্মিলনৰ অন্তৰ্গত ধনশিৰি মহকুমাৰ বিলগাঁও শাখা সন্মিলনৰ সহকাৰী সম্পাদক তথা ঢোলৰ ওজা ৰাজু দাসৰ মটৰ চাইকেল দুৰ্ঘটনাত যোৱা চাৰি জুনত মৃত্যু হয়। সেই উপলক্ষে গোলাঘাট জিলা ঢুলীয়া সন্মিলন আৰু বিলগাঁও শাখা সন্মিলনে প্ৰয়াত লোকশিল্পীজনৰ বাসগৃহত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰি মৃতকৰ পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। প্ৰস্তাৱিত কাৰ্যসূচী অনুসৰি পুৱা অসম ঢুলীয়া সন্মিলনৰ পতাকা অৰ্ধনিৰ্মিত কৰে সন্মিলনৰ প্ৰাক্তন প্ৰধান সম্পাদক জীতেন বৰা ওজাই। বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে ক্ৰমে লোকশিল্পী কৰুণা গগৈ, গোবিন চেতিয়া আৰু তোখেশ্বৰ বৰাই। উল্লেখ্য যে বিলগাঁও শাখা ঢুলীয়া সন্মিলনৰ ধীৰেন ফুকনে আঁত ধৰা অনুষ্ঠানত চাংপুল প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কমল গগৈ ওজা, তোখশ্বৰ বৰা ওজা আৰু জীতেন বৰাই প্ৰয়াত দাসৰ জীৱন-দৰ্শন আলোকপাত কৰে।

# যোৰহাট ফাইন আৰ্টছ ছ’চাইটিৰ সোণালী জয়ন্তীৰ প্ৰস্তুতি

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**যোৰহাট, ১৪ জুলাই ঃ** যোৰহাট ফাইন আৰ্টছ ছ’চাইটিত যোৱা ১০ জুলাইত মিঠাপুখুৰী পথস্থিত কলাভৱনত ছ’চাইটিৰ আগন্তুক সোণালী জয়ন্তী উপলক্ষে এখন প্ৰস্তুতি সভা আৰু ইয়াৰ স’তে সংগতি ৰাখি ছ’চাইটিৰ দ্বাৰা পৰিচালিত যোৰহাট ফাইন আৰ্টছ স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ কৰ্মৰাজিৰ এখনি প্ৰদৰ্শনীৰ উদ্বোধনী সভা অনুষ্ঠিত হয়। ছ’চাইটিৰ সাধাৰণ সম্পাদক সৌৰভজ্যোতি বৰুৱাই আঁতধৰা সভাত সভাপতিত্ব কৰে বিজয় চন্দ্ৰ বৰঠাকুৰে। ছাত্ৰ-ছাত্ৰীৰ উক্ত কলা প্ৰদৰ্শনী উদ্বোধন কৰে বিশিষ্ট শিল্পী ৰবীন্দ্ৰনাথ শৰ্মাই। উল্লেখ্য যে এই প্ৰদৰ্শনীত প্ৰায় ৬০০ শিল্প কৰ্ম প্ৰদৰ্শিত হয়। সোণালী জয়ন্তী প্ৰস্তুতি সভাত স্কুলৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলে সোণালী জয়ন্তীৰ সকলো কাৰ্যসূচীত সহযোগিতা আগবঢ়োৱাৰ কথা জনায়। অনুষ্ঠানত আৰ্ট স্কুলৰ অধ্যক্ষ বিমান চন্দ্ৰ বৰুৱাকে মুখ্য কৰি প্ৰণৱ গগৈ, বিশ্বজিৎ বৰুৱা, জুৰি বৰগোহাঁই, প্ৰসেনজিৎ দুৱৰা, জয়ন্ত কাশ্যপ, চিৰন্তন বৰঠাকুৰ, প্ৰাঞ্জল কুমাৰ লাহন, পল্লৱী বৰঠাকুৰ, আৰতি দেৱনাথ, জুলি বৰুৱাকে ধৰি অন্যান্য সদস্যসকল উপস্থিত থাকে। এই সভাতে স্কুলৰ ফাইন আৰ্টছ পাঠ্যক্ৰম উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

# ৰাজ্য চৰকাৰে হ্ৰাস কৰিলে যান-বাহনৰ ফিটনেছ চাৰ্টিফিকেটৰ লেট ফী

## ক’ভিড-১৯ৰ পৰিপ্ৰেক্ষিতত অসমৰ পৰিবহণ ক্ষেত্ৰৰ বাবে সকাহ

**উত্তৰ গুৱাহাটী, ১৪ জুলাই ঃ** ক’ভিড-১৯ অতিমাৰীৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে যান-বাহনৰ ফিটনেছ চাৰ্টিফিকেট নবীকৰণৰ বাবে এককালীন নিষ্পত্তিৰ এক আঁচনি প্ৰদান কৰিছে। এই আঁচনিৰ জৰিয়তে যিসকলে ক’ভিড অতিমাৰীৰ কালছোৱাত সম্পূৰ্ণ তলাবন্ধ প্ৰযোজ্য থকা হেতু সময়তে গাড়ীৰ ফিটনেছ চাৰ্টিফিকেট নবীকৰণ কৰিব পৰা নাই তেওঁলোকে ন্যূনতম লেট ফী প্ৰদানেৰে এতিয়া এই কাম কৰিব পাৰিব। ইয়াৰ বাবে পৰিবহণ বিভাগৰ সচিব আদিল খানে অধিসূচনা জাৰি কৰি জনাইছে যে যান-বাহনৰ ফিটনেছ চাৰ্টিফিকেট নবীকৰণৰ বাবে লেট ফী হ্ৰাস কৰা হৈছে আৰু ইয়াৰ বাবে এটা নিৰ্দিষ্ট সময় ধাৰ্য কৰি দিয়া হৈছে। কোৱা হৈছে বান্ধি দিয়া সময়সীমাৰ ভিতৰত হ্ৰাস কৰি দিয়া নবীকৰণৰ বকেয়া ৰাশি জমা কৰিব লাগিব। কাইলৈৰ পৰা কাৰ্যকৰী হ’বলগীয়া এই আঁচনি ১৫ অক্টোবৰলৈকে প্ৰযোজ্য থাকিব। এককালীন নিষ্পত্তিৰ এই আঁচনিৰ জৰিয়তে ইমান দিনে প্ৰযোজ্য হৈ থকা দৈনিক ৫০ টকা লেট ফীৰ পৰিৱৰ্তে তিনি চকীয়া বাহনৰ বাবে ১০ টকা, বাণিজ্যিক ট্ৰেক্টৰৰ বাবে ১৫ টকা, চাৰি চকীয়া বাহনৰ বাবে ২০ টকা, গধুৰ তথা পৰিবহণৰ নিমিত্তে ব্যৱহাৰ কৰা যান-বাহনৰ বাবে ২৫ টকা ধাৰ্য কৰা হৈছে। এই সুযোগ গ্ৰহণ কৰাৰ বাবে বাহনৰ গৰাকীসকলক ‘মটৰ ভেহিকেল ৰ’ড টেক্স’ প্ৰদান কৰি সংশ্লিষ্ট সকলো নথি আপডেট কৰিব লাগিব। ‘ডিটিঅ’ কিম্বা এম ভি আই কৰ্তৃক থিতাতে গাড়ীৰ পৰীক্ষা কৰাৰ বাবে এজন গাড়ীৰ মালিকক ধাৰ্য কৰি দিয়া তিনি মাহৰ ভিতৰত হ্ৰাস কৰি দিয়া প্ৰয়োজনীয় লেট ফী জমা কৰিব লাগিব-- খানে এনেদৰে কয়। তেওঁ লগতে এই কথাও স্পষ্ট কৰি দিয়ে যে নিৰ্ধাৰণ কৰি দিয়া সময়সীমাৰ ভিতৰত গাড়ীৰ মালিকে যদি লেট ফী প্ৰদান কৰিব নোৱাৰে তেনেহ’লে সংশ্লিষ্ট ব্যক্তিজনে এই সুবিধা গ্ৰহণ কৰিব নোৱাৰিব। চৰকাৰৰ এই আঁচনিৰ সুবিধা লোৱাৰ বাবে গাড়ীক মালিকক ডিটিঅ’ৰ কাৰ্যালয়লৈ যাব নালাগিব। ইয়াৰ পৰিৱৰ্তে www.parivahan.gov.in ৱেবচাইটত অনলাইনৰ মাধ্যমেৰে কিম্বা নিকটতম চিএছচিত আবেদন জনাব পাৰিব। ইপিনে, পৰিবহণ সচিবগৰাকীয়ে সকলো ডিটিঅ’ আৰু এমভিআইক ধাৰ্য কৰি দিয়া তিনি মাহৰ ভিতৰত জমা হোৱা লেট ফীসমূহৰ তাৰিখ আৰু সময়ৰ যথাযথ ৰেকৰ্ড মজুত ৰাখিবলৈ নিৰ্দেশ প্ৰদান কৰিছে। কোৱা হৈছে আবেদন লাভ কৰাৰ ৩০ দিনৰ ভিতৰত ডিটিঅ’ আৰু এমভিআয়ে আবেদনসমূহ নিষ্পত্তি কৰিব লাগিব। ক’ভিড অতিমাৰীৰ বাবে প্ৰযোজ্য তলাবন্ধৰ বাবে গাড়ীৰ মালিকসকলে যি সমস্যাৰ সন্মুখীন হৈছিল তাৰ পৰা সকাহ লাভ কৰাৰ বাবে খানে গাড়ীৰ মালিকসকলক এই সুবিধা গ্ৰহণৰ বাবে আবেদন জনাইছে। তেওঁ লগতে জনাই দিয়ে যে এই সুবিধা গ্ৰহণ কৰিবলৈ ব্যৰ্থ হ’লে গাড়ীৰ মালিকসকলক ফিটনেছ চাৰ্টিফিকেট নবীকৰণৰ বাবে পূৰ্বতে নিৰ্ধাৰিত দৈনিক ৫০ টকাকৈ লেট ফী আদায় দিব লাগিব।

# শোণিতপুৰৰ শিক্ষা ক্ষেত্ৰত থকা প্ৰত্যাহ্বান-ৰোডমেপ প্ৰস্তুতৰ কৰ্মশালা

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**তেজপুৰ, ১৪ জুলাই ঃ** শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ সহযোগত শোণিতপুৰৰ শিক্ষা ক্ষেত্ৰত থকা প্ৰত্যাহ্বান আৰু শিক্ষাৰ বাবে ৰোডমেপ প্ৰস্তুত কৰা ওপৰত কালি এদিনীয়া জিলা পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। তেজপুৰৰ সাংসদ পল্লৱ লোচন দাসে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা কৰ্মশালাত জিলা উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বীৰেণ কুমাৰ দাস, বিধায়ক পৃথ্বিৰাজ ৰাভা, কৃষ্ণ কমল তাঁতী, শোণিতপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়া, অতিৰিক্ত উপায়ুক্ত ৰমী বৰুৱা, দ্যুতিভা বৰা আৰু জিলা প্ৰশাসনৰ অনান্য বিষয়া উপস্থিত থাকে। কৰ্মশালাত জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু পৰিচালনা সমিতিৰ সভাপতিসকলে অংশগ্ৰহণ কৰে। উপায়ুক্ত মিশ্ৰই আদৰণি ভাষণত জিলাখনত মাধ্যমিক শিক্ষাৰ প্ৰত্যাহ্বান আৰু সম্ভাৱনাসমূহ চিনাক্ত কৰি এনে সমস্যাসমূহৰ সমাধান বিচাৰি ছাত্ৰ-ছাত্ৰীসকল উপকৃত হোৱাকৈ এক ৰোডমেপ প্ৰস্তুত কৰাৰ লক্ষ্যৰে এই কৰ্মশালাখন আয়োজন কৰা হৈছে বুলি কয়। বিশেষ কৰ্মশালাখনত এল জি বি ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তপন কুমাৰ কলিতা আৰু ড° অৱনী কুমাৰ শৰ্মা, ঢেকিয়াজুলিৰ এল অ’ কে ডি মহাবিদ্যালয়ৰ ড° শুকদেৱ অধিকাৰী আৰু অধ্যাপক এইছ চি গৌতম, ৰঙাপৰা মহাবিদ্যালয়ৰ ড° ৰঞ্জন কলিতা আৰু ড° চাৰু চহৰীয়া নাথ, জামুগুৰিৰ টি এইছ বি মহাবিদ্যালয়ৰ ড° অজিত হাজৰিকা আৰু ড° বিপুল কুমাৰ বৰা, তেজপুৰ মহাবিদ্যালয়ৰ ড° জ্যোতি কমল হাজৰিকা, দৰং মহাবিদ্যালয়ৰ ড° পলাশমনি শইকীয়া, উপেন শৰ্মা আৰু তেজপুৰ চৰকাৰী শিক্ষক শিক্ষণ মহাবিদ্যালয়ৰ ড° অজয় কাণ্ডুলনা আৰু ডাঃ মনময়ূৰী গোস্বামী উপস্থিত থাকে। সাংসদ দাসে ভাষণ প্ৰসংগত জিলাখনৰ প্ৰধান শিক্ষানুষ্ঠানসমূহে সন্মুখীন হ’বলগীয়া বিভিন্ন সমস্যাৰ সমাধান বিচৰাৰ উদ্দেশ্যে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে বুলি কয় আৰু ইয়াত আলোচনা হোৱা বিভিন্ন ভাব আৰু পৰামৰ্শ লৈ বিভিন্ন শিক্ষানুষ্ঠানসমূহে গ্ৰহণ কৰিব পৰা এখন বিশেষ নিৰ্দেশাৱলীৰ প্ৰস্তুত কৰাৰ কথাও সাংসদজনে উল্লেখ কৰে। সাংসদজনে লগতে উপস্থিত সকলো শিক্ষাবিদ আৰু বক্তাক এনে বিষয়সমূহৰ এখন তালিকা আৰু এই বিষয়সমূহৰ সম্ভাব্য পৰামৰ্শসমূহ দাখিল কৰিবলৈ আহ্বান জনায় যাতে পৰৱৰ্তী পৰ্যায়ত এইখিনি সংশ্লিষ্ট কৰ্তৃপক্ষৰ সন্মুখত উপস্থাপন কৰিব পৰা যায়। আজিৰ যুৱক-যুৱতীসকলক তেওঁলোকৰ অধিকাৰ আৰু দায়িত্ব সম্পৰ্কে শিক্ষিত কৰাটো প্ৰয়োজনীয় বুলি উল্লেখ কৰি সাংসদজনে কয় যে তেওঁলোকক ৰাষ্ট্ৰ নিৰ্মাণৰ কাম-কাজত বিশেষভাৱে জড়িত কৰোৱাৰ লগতে বিভিন্ন সামাজিক বিষয়ৰ প্ৰতি সজাগ কৰাৰ দিশত শিক্ষকসকলক বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ আহবান জনায়। তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বীৰেণ দাসে সঞ্চালনা কৰা কালিৰ মুকলি অধিৱেশনত ৰঙাপৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কলিতাই মাধ্যমিক বিদ্যালয়ৰ তৃণমূল পৰ্যায়ৰ অভিজ্ঞতা ব্যক্ত কৰে আৰু ড° চাৰু চহৰীয়া নাথে পৰিচালনা সমিতিৰ সভাপতিৰ দৃষ্টিকোণৰ পৰা বিভিন্ন দিশ উপস্থাপন কৰে । তেজপুৰ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা ৰিংকুমনি নেওগে মাধ্যমিক বিদ্যালয়সমূহৰ সমস্যাৰ বাস্তৱ স্থিতিৰ ওপৰত বক্তব্য আগবঢ়ায় । শোণিতপুৰ জিলাৰ শিক্ষা খণ্ডৰ প্ৰত্যাহ্বানসমূহৰ সমাধানৰ সন্ধানৰ বিষয়ত তেজপুৰ বিশ্ববিদ্যালয়ৰ সমাজবিজ্ঞান বিভাগৰ অধ্যাপক চন্দন কুমাৰ শৰ্মাই আলোচনা কৰে। তেজপুৰৰ শিক্ষক শিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপিকা মনময়ূৰী গোস্বামীয়ে ক’ভিড-১৯ ৰ ফলত হোৱা ক্ষতি আৰু ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ ব্যৱধান কেনেকৈ পূৰণ কৰিব পাৰি তাৰ বিষয়ে আলোচনা কৰে। আনহাতে, তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক নীল ৰতন ৰয়ে মহাবিদ্যালয়সমূহত এনইপি ২০২০ ৰূপায়ণৰ ক্ষেত্ৰত প্ৰস্তুত কৰিবলগীয়া ৰোডমেপ আৰু এই ক্ষেত্ৰত সৃষ্টি হ’ব পৰা বিভিন্ন প্ৰত্যাহ্বানসমূহৰ ওপৰত আলোচনা কৰে। মুকলি অধিৱেশনৰ অংশ হিচাপে তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষা শিক্ষণ কেন্দ্ৰৰ সঞ্চালক অধ্যাপক এছএছ সৰকাৰে শৈক্ষিক বৃত্তিধাৰীসকলৰ বাবে নেতৃত্বৰ ওপৰত ভাষণ দিয়ে। কালিৰ কৰ্মশালাৰ অন্তত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়াই শলাগৰ শৰাই আগবঢ়ায় ।

# ৰঙিয়াত অসম ব্ৰাহ্মণ সমাজৰ দশম দ্বিবাৰ্ষিক অধিবেশন

## ■ সহস্ৰাধিক প্ৰতিনিধিক আদৰাৰ বাবে সাজু ৰঙিয়া

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ১৪ জুলাই ঃ** অসম ব্ৰাহ্মণ সমাজৰ দশম দ্বিবাৰ্ষিক অধিবেশন তথা যুৱ আৰু মহিলা ব্ৰাহ্মণ সমাজৰ ৰঙিয়া অধিবেশন প্ৰথমবাৰৰ বাবে ৰঙিয়াত অনুষ্ঠিত কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পন্ন কৰা হৈছে। ৰঙিয়াৰ ঐতিহ্যমণ্ডিত প্ৰগতি সংঘৰ বাকৰিত অহা ২৩ আৰু ২৪ জুলাইত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত এই অধিবেশন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে স্থানীয় বিধায়ক তথা অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাক সভাপতি, ড° নীতীশ চন্দ্ৰ শৰ্মা (শাস্ত্ৰী) আৰু ৰমেশ চন্দ্ৰ শৰ্মাক কাৰ্যকৰী সভাপতি মুনমুন শৰ্মা আৰু নিপু কুমাৰ শৰ্মাক সম্পাদক হিচাপে মনোনীত কৰি এক বিশাল উদ্‌যাপন সমিতি গঠন কৰাৰ উপৰি দ্বীপেন চক্ৰৱৰ্তীক সভাপতি আৰু ৰঞ্জন উপাধ্যায়ক সম্পাদক হিচাপে মনোনীত কৰি ৰঙিয়া নগৰ সমিতি গঠন কৰা হয়। ইতিমধ্যে সমগ্ৰ ৰাজ্যৰ সহস্ৰাধিক প্ৰতিনিধিক আদৰাৰ বাবে সমগ্ৰ ৰঙিয়াবাসী অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে। অধিবেশন উপলক্ষে প্ৰকাশিত কাৰ্যসূচী অনুসৰি, ২৩ জুলাই পুৱা আঠ বজাত প্ৰতিনিধি পঞ্জীয়ন, ন বজাত পতাকা উত্তোলন, উত্তোলন কৰিব অসম ব্ৰাহ্মণ সমাজৰ সভাপতি সুনীল কুমাৰ গোস্বামীসহ ১০ গৰাকী বিশিষ্ট ব্যক্তিয়ে। ৯.১৫ বজাত স্মৃতি তৰ্পণ কৰিব অসম ব্ৰাহ্মণ সমাজৰ কাৰ্যকৰী সভাপতি ডাঃ শ্ৰীবৎস গোপাল গোস্বামীয়ে। ইয়াৰ পাছত গায়ত্ৰী পূজন, বৃক্ষৰোপণ, প্ৰতিনিধি শিবিৰ মুকলি, মুকলি কৰিব ৰঙিয়া পৌৰসভাৰ সভাপতি অমৰেন্দ্ৰ লহকৰ আৰু ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ মল্ল পাটোৱাৰীয়ে। ১১ বজাত অসম যুৱ আৰু মহিলা ব্ৰাহ্মণ সমাজৰ প্ৰতিনিধি সভাৰ পাছতেই ব্ৰহ্মভাৰতী ও গ্ৰন্থ উন্মোচন। উন্মোচক অসম ৰাজ্যিক কৃষি বিপণন পৰিষদৰ অধ্যক্ষ মনোজ বৰুৱা আৰু গোৰেশ্বৰ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড° ভৱ কুমাৰ শৰ্মা। আবেলি চাৰি বজাত অসম ব্ৰাহ্মণ সমাজৰ প্ৰতিনিধি সভাৰ পাছতেই ১০টা মন্দিৰত বন্তি প্ৰজ্বলন আৰু বেদমন্ত্ৰ পাঠ। ২৪ জুলাই দেওবাৰে পুৱা সামূহিক যোগাসন। ন বজাত মঙল যাত্ৰা উদ্বোধন কৰিব ভৱেন্দ্ৰ নাথ শৰ্মা (শাস্ত্ৰী)। দিনৰ এক বজাত আয়োজিত মুকলি সভা উদ্বোধন কৰিব বিধায়ক ভৱেশ কলিতাই। সভাত অসম ব্ৰাহ্মণ সমাজৰ উপদেষ্টা ৰোহিনী বল্লভ গোস্বামী শাস্ত্ৰীয়ে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব। অধিবেশন সাফল্যমণ্ডিত কৰাৰ বাবে উদ্‌যাপন সমিতিৰ তৰফৰ পৰা সকলো ৰাইজক অনুৰোধ জনোৱা হৈছে। অধিবেশন সন্দৰ্ভত বিতং জানিবলৈ দ্বীপেন চক্ৰৱৰ্তীৰ ফোন নম্বৰ ৮৮১২৮৮৩৩৭৭ স’তে যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

# বাগ্‌সাৰ বাৰাপেটাত পথ দুৰ্ঘটনাত ঃ মহিলাসহ আহত দুই

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৪ জুলাই ঃ** বাগ্‌সাৰ খাৰিজা বিজনীৰ বাৰাপেটাত আজি দিনৰ ভাগত এক পথ দুৰ্ঘটনা সংঘটিত হয়। তীব্ৰবেগী বলেৰ’ বাহনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা প্ৰকাণ্ড গছ এডালত খুন্দা মৰাৰ ফলতে সংঘটিত হয় দুৰ্ঘটনাটো। দুৰ্ঘটনা সংঘটিত কৰা বলেৰ’ বাহনখনৰ নম্বৰ এ এছ-০১ বি বি-৬০২৯। দুৰ্টনাটোত গুৰুতৰভাৱে আহত হয় মফিদা খাতুন আৰু মশীদুল ইছলাম নামৰ দুই আৰোহী। ঘটনাস্থলীত লাৱদাংগুৰি আৰক্ষী উপস্থিত হৈ আহত দুই আৰোহীক আৰক্ষীৰ বাহনেৰে বৰপেটাৰোড চিকিৎসালয়লৈ লৈ যায়।

# অসম দাপোণ

গুৱাহাটী, ১৫ জুলাই, শুকুৰবাৰ, ২০২২ পৃষ্ঠা ১৪

## ‘আত্মা’-যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত ‘ক্ৰেতা-বিক্ৰেতা মিলন সমাৰোহ’ সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ১৪ জুলাই ঃ** অসম কৃষি-বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্পৰ অধীনত ‘আত্মা’ আৰু যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত যোৰহাট নগৰৰ মুক্তি যুঁজাৰু ভৱনত কালি ‘ক্ৰেতা-বিক্ৰেতা মিলন সমাৰোহ, ২০২১-২২’ অনুষ্ঠিত হয়। সমাৰোহত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে যোৰহাট জিলাৰ অতিৰিক্ত উপায়ুক্ত (কৃষি) অৰুণ কুমাৰ ব্ৰহ্ম, যোৰহাট জিলা কৃষি বিষয়া বেণী মাধৱ বৰুৱা, মহকুমা কৃষি বিষয়া (সদৰ) ড° নিতুমণি গগৈ, অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি অৰ্থনীতি বিভাগৰ মুৰব্বী ড° নিবেদিতা ডেকা, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ বিপণন অধ্যক্ষ নয়ন আনন্দ শৰ্মা আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক ড° সংগীতা বৰাই। সমাৰোহত কৃষকসকলে উৎপাদিত সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু সমস্যা সমাধানৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা হয়। সমাৰোহত যোৰহাট জিলাৰ বিভিন্ন অঞ্চলৰ সাতটা উদ্যমিতা গোটে অংশগ্ৰহণ কৰে। গোটকেইটা হৈছে ক্ৰমে বালকানচ ফুড প্ৰডাক্ট, পূৰ্ণিমা এন্টাৰপ্ৰাইজ, অঞ্জু এন্টাৰপ্ৰাইজ, মাধুৰী এন্টাৰপ্ৰাইজ, তিতাবৰ কৃষক গোট, জাঁজীপৰীয়া কৃষক গোট আৰু মাকাও। সমাৰোহখনত এমডিএইছ অৰ্গেনিক, জাঁজীপৰীয়া কৃষক গোট, বানকানচ ফুড প্ৰডাক্ট, তিতাবৰ কৃষক গোট আৰু পূৰ্ণিমা এন্টাৰপ্ৰাইজ বিক্ৰেতা গোটে আগ্ৰহী কৃষকসকলৰ লগত কেঁচাসামগ্ৰী ক্ৰয়ৰ বাবে এখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে।

**শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ বাবে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক দল-সংগঠনৰ দাবী**

# ১২ বছৰে মেৰামতি নহ’ল ধুমুহাত ক্ষতিগ্ৰস্ত ঘগ্ৰাপাৰৰ ৰাজহুৱা সভাগৃহ

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৪ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বাঘমাৰা গাঁৱৰ ৩১ নম্বৰ ঘাইপথ ঘগ্ৰাপাৰ থানাৰ সমীপত অৱস্থিত ৰাজহুৱা সভাগৃহটো আজি ১২ বছৰ পৰ্যন্ত ধুমুহাত ক্ষতিগ্ৰস্ত হোৱাৰ পিছতো উৰ্দ্ধতন কৰ্তৃপক্ষ, প্ৰশাসন আৰু জনপ্ৰতিনিধিয়ে মুঠেই গুৰুত্ব নিদিয়াত অঞ্চলৰ দল-সংগঠনসহ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতি ক্ষোভিত হৈ পৰিছে। উল্লেখ্য যে ২০০১তে নলবাৰী ডিআৰডিএৰ অধীনত নিৰ্মাণ কাৰ্য কৰা এই ৰাজহুৱা সভাগৃহটো অসম্পূৰ্ণ অৱস্থাতে ২০১১ৰ প্ৰবল ধুমুহাত বিধ্বস্ত হৈছিল। উক্ত ধুমুহাত এই অৰ্ধনিৰ্মিত সভাগৃহটোৰ টিনপাত, ৰদ উৰুৱাই নিয়ে যদিও আজি ১২ বছৰে নলবাৰী ডিআৰডিএ আৰু নলবাৰী জিলা পৰিষদ আৰু প্ৰশাসনে কোনো ধৰণৰ তদন্ততো দূৰৈৰ কথা এবাৰ আহি পৰিভ্ৰমণ কৰাৰ বাবে বৰমূৰীয়াসকলৰ সময় নহ’ল বুলি ৰাজহুৱা অভিযোগ উত্থাপন হৈছে। তথ্য মতে, ধুমুহাত উৰুৱাই নিয়া ৰাজহুৱা প্ৰতিষ্ঠানটোৰ টিনপাত, ৰদ আদি



সামগ্ৰীসমূহ তেতিয়াৰ তদানীন্তন ঘগ্ৰাপাৰ ৰাজহ চক্ৰ বিষয়াৰ তত্ত্বাৱধানত আছিল। আজি ১২ বছৰ ধৰি প্ৰায় ১০ লাখ টকাৰ মূল্যৰ টিনপাত, ৰদ কাৰ দায়িত্ব থাকিল নে কোনোৱে বিক্ৰী কৰি ৰাজহুৱা সম্পত্তিৰ ধন আত্মসাৎ কৰিলে, তাক লৈ ৰাইজৰ মাজত বিভিন্ন প্ৰশ্নৰ উদয় হৈছে। সম্প্ৰতি বৃহৎ আকাৰৰ ৰাজহুৱা সভাগৃহটোত আজি ১২ বছৰ ধৰি টিনপাত নথকাৰ ফলত ৰদ-বৰষুণ পৰি গৃহটোৰ জকাটো অপ্ৰয়োজনীয় হৈ পৰিছে। ইফালে, এই সম্পূৰ্ণ গৃহটো বৰ্তমানে ভূতবঙলাত পৰিগণিত হৈছে। উল্লেখ্য যে ২০০১তে নলবাৰী সমষ্টিৰ তদানীন্তন প্ৰয়াত বিধায়ক মদন কলিতাৰ কাৰ্যকালতে এই ৰাজহুৱা সভাগৃহটো ঘগ্ৰাপাৰৰ মাজমজিয়াত ৰাইজৰ বিভিন্ন ক্ষেত্ৰত সুবিধা হোৱাৰ অৰ্থে গ্ৰামোন্নয়ন বিভাগকে ধৰি নলবাৰী জিলা পৰিষদ, ডিআৰডিএ, বিধায়ক পুঁজি, সাংসদ পুঁজি আদি শিতানৰ পৰা প্ৰায় ২০ লাখ টকা ধাৰ্য কৰি স্থানীয় দুগৰাকী তেতিয়াৰে প্ৰভাৱশালী কংগ্ৰেছ নেতাক কামটোৰ দায়িত্ব দিছিল যদিও বিভিন্ন অজুহাতত ৰাজহুৱা সভাগৃহটোৰ নিৰ্মাণ কাৰ্য আধৰুৱা হৈছে। শেহতীয়াভাৱে প্ৰায় ২০ লক্ষাধিক টকাৰ ৰাজহুৱা সভাগৃহটো জনপ্ৰতিনিধি, উৰ্দ্ধতন কৰ্তৃপক্ষ আৰু প্ৰশাসনৰ হেমাহিৰ বাবে জহি-খহি যোৱাৰ উপক্ৰম হোৱাই নহয়, ইয়াৰে ভূমিও দুষ্ট লোকে বেদখল কৰিবলৈ উঠি পৰি লাগিছে বুলিও ৰাজহুৱা অভিযোগ উঠিছে। পিছে এই ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষই আজি পৰ্যন্ত কিহৰ ৰহস্যত এই অসম্পূৰ্ণ ৰাজহুৱা সভাগৃহটো পুনৰ নিৰ্মাণৰ বাবে আগবাঢ়ি অহা নাই, সেই সন্দৰ্ভত ৰাইজৰ মাজত লাখটকীয়া প্ৰশ্ন উদয় হৈছে। নে নলবাৰীৰ বিগত দিনৰ জনপ্ৰতিনিধিসকলে প্ৰাক্তন বিধায়ক মদন কলিতাৰ কাম হোৱা হেতু আগবাঢ়ি অহা নাই? সেয়েহে অঞ্চলটোৰ দল-সংগঠনে নলবাৰীৰ বিধায়ক কথা মন্ত্ৰী জয়ন্তমল্ল বৰুৱা আৰু নলবাৰী উপায়ুক্তক এই অসম্পূৰ্ণ ৰাজহুৱা সভাগৃহটো চাই ইয়াৰ সমস্যাসমূহ দূৰ কৰি শীঘ্ৰে ঘগ্ৰাপৰীয়া ৰাইজৰ সুবিধাৰ অৰ্থে উক্ত স্থানতে নকৈ এটা ৰাজহুৱা সভাগৃহ সাজিবলৈ যুৱ-ছাত্ৰ পৰিষদ ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ সভাপতি আনোৱাৰ হুছেইন আৰু সাধাৰণ সম্পাদক নৱজ্যোতি কলিতাই দাবী জনাইছে।

## জাপানী এনকেফেলাইটিছত আক্ৰান্ত ১৩, মৃত্যু দুই লখিমপুৰত

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১৪ জুলাই ঃ** সম্প্ৰতি লখিমপুৰ জিলাত জাপানী এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাবলৈ ধৰিছে। স্বাস্থ্য বিভাগৰ এক সমীক্ষা অনুসৰি জিলাখনত এ ই এছত সাতজন জে ইত ছয়জন আক্ৰান্ত হোৱাত জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্তৰ সংখ্যা ১৩জনলৈ বৃদ্ধি পায়। উল্লেখ্য যে এই ৰোগত যোৱা সাত জুলাইত এজনৰ মৃত্যু হোৱাৰ উপৰি ৩০ জুনত অন্য এজন ৰোগীৰ জাপানী এনকেফেলাইটিছ ৰোগত মৃত্যু ঘটে। আনহাতে, চলিত মাহত ডায়েৰীয়াত দুজন, মেলেৰিয়াত এজন পজিটিভ অহাৰ বিপৰীতে আজিলৈকে কোনোধৰণৰ নতুন তথ্য লাভ কৰা হোৱা নাই। এইক্ষেত্ৰত জিলাখনৰ স্বাস্থ্য বিভাগে আই বি এম অৰ্থাৎ আঁঠুৱাৰ ভিতৰত মেডিচিন ব্যৱহাৰ কৰি ৰোগসমূহৰ পৰা সুৰক্ষা প্ৰদানৰ চেষ্টা অব্যাহত ৰাখিছে বুলি জানিবলৈ দিয়ে।

## পঞ্চৰত্ন পাহাৰত দুষ্কৃতিকাৰীয়ে কটা পাঁচ টুকুৰা শালগছৰ কুণ্ডা উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৪ জুলাই ঃ** দুষ্কৃতিকাৰীয়ে চোৰাংকৈ শালগছ কাটি গোৱালপাৰা জিলাৰ পঞ্চৰত্ন পাহাৰৰ সংৰক্ষিত বনাঞ্চলতে আৰা বহুৱাই হাত কৰতেৰে গছ ফালি থকা ঘটনাক কেন্দ্ৰ কৰি বন বিভাগৰ আভ্যন্তৰীণ মহলতে চেপা উত্তেজনা বিৰাজ কৰিছে। পঞ্চৰত্ন বন খণ্ড কাৰ্যালয়ত একেৰাহে দীৰ্ঘদিন ধৰি কাৰ্যনিৰ্বাহ কৰা এগৰাকী বন কৰ্মীৰ ছত্ৰছায়াত অসাধু চক্ৰই বন খণ্ড কাৰ্যালয়ৰ পৰা মাত্ৰ আধা কিলোমিটাৰ দূৰত্বত পাহাৰৰ ওপৰত আৰা বহুৱাই শালগছ কাটি ফালিবলৈ সুযোগ পোৱা বুলি নাম প্ৰকাশত অনিচ্ছুক বিভাগীয় সূত্ৰই অভিযোগ তুলিছে। উল্লেখ্য যে এই সন্দৰ্ভত বিভাগীয় শীৰ্ষ বিষয়াৰ পৰা অৱগত হৈ স্থানীয় বন খণ্ডৰ বিষয়া পবিত্ৰ ৰয়ে কালি দিনৰ ভাগত কে’বাঘন্টা জুৰি পাহাৰখনত অভিযান চলাইছিল যদিও সফল হ’ব পৰা নাছিল। অৱশেষত আজি পুৱতি নিশা ২.৩০ বজাত দুষ্কৃতিকাৰীয়ে কটা পাঁচ টুকুৰা চোৰাং শাল কাঠৰ কুণ্ডা উদ্ধাৰ কৰাৰ লগতে গছ ফালি থকা আৰাখন ভাঙি দিয়ে। ইপিনে, দুষ্কৃতিকাৰীয়ে চোৰাংকৈ কটা শালগছৰ মূৰা বিভাগীয়া নিয়ম মতে ছীল কৰে খণ্ড বন বিষয়াই। এতিয়া ৰাইজৰ মাজত এটাই প্ৰশ্ন উত্থাপিত হৈছে যে কি শক্তিৰ বলত সংৰক্ষিত বনাঞ্চলৰ মাজত আৰা বহুৱাই ওচৰৰে গছ কাটি ফালিবলৈ সাহস পালে দুষ্কৃতিকাৰীয়ে। এই সন্দৰ্ভত নিৰপেক্ষ তদন্তৰ জৰিয়তে দুষ্কৃতিকাৰীৰ স’তে জড়িত থকা বনকৰ্মীক বিচাৰি উলিয়াই দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে সচেতন মহলে। উল্লেখ্য যে একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীৰ ছত্ৰছায়াত অসাধু চক্ৰই জিলাখনৰ বিভিন্ন প্ৰান্তৰ বনাঞ্চলৰ পৰা চোৰাংকৈ গছ কাটি ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে।

## সংগীত শিল্পী দ্ৰোণ গগৈৰ দেহাৱসান

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৪ জুলাই ঃ** শিৱসাগৰ লাহিঙীয়া নিবাসী তথা অ’এনজিচিৰ অৱসৰপ্ৰাপ্ত বিষয়া দ্ৰোণ গগৈ (৬০)ৰ আজি বিয়লি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। বিগত কিছুদিন ধৰি ৰোগাক্ৰান্ত অৱস্থাত থকা দ্ৰোণ গগৈ এজন ভাওনা শিল্পী, গীতিকাৰ, কণ্ঠশিল্পীৰূপেও পৰিচিত আছিল। তেওঁ সহধৰ্মিণী কল্পনা গোহাঁই গগৈৰ স’তে বিভিন্ন মঞ্চত গীত পৰিৱেশন কৰিছিল।


তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত পত্নীৰ লগতে দুই বিবাহিতা কন্যা, জোঁৱাই, নাতি-নাতিনীক এৰি যায়। তেওঁৰ মৃত্যুত সদৌ অসম শিশু নাট সমাৰোহ উদ্‌যাপন সমিতি, শিৱসাগৰ নাট্য বিদ্যালয়, শিৱসাগৰ জিলা সাহিত্য সভা, শিৱসাগৰ যুৱদল, ৰংপুৰ শাখা সাহিত্য সভা, বাঘ হাজৰিকা জাগৰণ মঞ্চ, জোন জেউতি ন্যাস, দুমহীয়া আলোচনী বৰ্ণম, ৰংমনকে ধৰি বহু অনুষ্ঠানে শোক প্ৰকাশ কৰিছে।

## লখিমপুৰ জিলা নেপালী সাহিত্য সভাৰ উদ্যোগত ভানু জয়ন্তী সমাৰোহ

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১৪ জুলাই ঃ** অসম গোৰ্খা সন্মিলন লখিমপুৰ জিলা সমিতি, অসম নেপালী সাহিত্য সভা আৰু গোৰ্খা ছাত্ৰ সন্থাৰ লখিমপুৰ জিলা সমিতিৰ সহযোগত ২০৯ সংখ্যক ভানুজয়ন্তী সমাৰোহ কালি লখিমপুৰ জিলা গ্ৰন্থাগাৰত দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। এই উদ্দেশ্যে পুৱা পৰিৱেশ নিকাকৰণ ছহিদ তৰ্পণ আৰু পতাকা উত্তোলন কৰা হয়। পতাকা উত্তোলন কৰে অসম গোৰ্খা লখিমপুৰ জিলা সমিতিৰ সভাপতি দিলীপ ছেত্ৰীয়ে। অসম গোৰ্খা সন্মিলন লখিমপুৰ জিলা সমিতিৰ মুখ্য সচিব মাধৱ উপাধ্যায়ে। ছহিদ তৰ্পণ কৰাৰ পাছতে সাহিত্য অনুষ্ঠান অনুষ্ঠিত হয় সাহিত্য অনুষ্ঠান সঞ্চালন কৰে বগলীজান হাইস্কুলৰ শিক্ষক দিল্লীৰাম শৰ্মাই। অনুষ্ঠানত সাহিত্য অকাডেমী বঁটা প্ৰাপকসকলক সম্বৰ্ধনা জনোৱা হয়। তদুপৰি অনুবাদ সাহিত্যৰে নেপালী সাহিত্যক মহিয়ান কৰা ভানুৰ কৰ্মৰাজিৰ আলোকপাত কৰি নতুন প্ৰজন্মক উদ্বুদ্ধ হ’বলৈ আহ্বান জনায় আমন্ত্ৰিত বিশিষ্ট অতিথিসকলে। অনুষ্ঠানত ২০২২ৰ হাইস্কুল শিক্ষান্ত, উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ জনগোষ্ঠীটোৰ কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। তদুপৰি কেন্দ্ৰীয় নতুন কমিটীকো উক্ত অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়।





# এদিনীয়া শৃংখলা জয় বাংলাদেশৰ

**নিউজ ব্যুৰ’**
**প্ৰভিডেন্স (গায়ানা), ১৪ জুলাই ঃ** টেষ্ট আৰু টি-২০ত পৰাজয়ৰ পাছত ৱেষ্টইণ্ডিজৰ বিপক্ষে এদিনীয়া মেচৰ শৃংখলা জয় কৰিলে বাংলাদেশে। কালি অনুষ্ঠিত শৃংখলাৰ দ্বিতীয় মেচত ভ্ৰমণকাৰী দলটোৱে ন উইকেটত জয়লাভ কৰে। ইয়াৰ দ্বাৰা বাংলাদেশে তিনিখনীয়া মেচৰ শৃংখলাত ২-০ৰ অগ্ৰগতি অৰ্জন কৰে।

প্ৰথমে বেটিং কৰি কেৰিবিয়ান দলটোৱে ১০৮ ৰাণতে ইনিংছ সামৰে। দলৰ হৈ সৰ্বাধিক ২৫ ৰাণ কৰে কীমু পলে। বাংলাদেশৰ স্পীনাৰ মেহদি হাছান মিৰাজে চাৰিটা আৰু নাছুম আহমেদে তিনিটা উইকেট দখল কৰে। সহজ লক্ষ্য আগত লৈ অপেনাৰ নজমূল হুছেইন শ্বান্ট’ (২০) আউট হোৱাৰ পাছত অধিনায়ক তামিম ইকবাল (৫০) আৰু লিটন দাসে (৩২) অপৰাজিত থাকি দললৈ জয় কঢ়িয়ায়।

# শ্বুটিং বিশ্বকাপৰ পদক তালিকাৰ শীৰ্ষত ভাৰত

## আজিও ভাৰতীয় দলে অৰ্জন কৰিলে এটা স্বৰ্ণ, তিনিটা ৰূপৰ পদক



**নিউজ ব্যুৰ’**
**চাংৱ’ন, ১৪ জুলাই ঃ** দক্ষিণ কোৰিয়াৰ চাংৱ’নত চলি থকা আইএছএছএফ শ্বুটিং বিশ্বকাপৰ পদক তালিকাত শীষস্থান অধিকাৰ কৰিলে ভাৰতে। আজিও ভাৰতে এটা স্বৰ্ণপদক জয় কৰে। ইয়াৰ জৰিয়তে প্ৰতিযোগিতাখনত ভাৰতৰ স্বৰ্ণৰ সংখ্যা তিনিটালৈ বৃদ্ধি পালে। ইয়াৰ লগতে ভাৰতে আজি তিনিটা ৰূপৰ পদকো পায়।

আজি ভাৰতৰ অৰ্জুন বাবুটা, শ্বাহু তুষাৰ মানে আৰু পাৰ্থ মাখিজাই পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফল টীম ইভেণ্টত দক্ষিণ কোৰিয়াক ১৭-১৫ পইণ্টৰ ব্যৱধানত পৰাজিত কৰে। উল্লেখ্য যে অৰ্জুন আৰু শ্বাহুৱে চলিত প্ৰতিযোগিতাত দুটাকৈ স্বৰ্ণপদক জয় কৰিছে। আজি ভাৰতে পদক তালিকাৰ শীৰ্ষস্থানেৰে প্ৰতিযোগিতা সমাপ্ত কৰে। ভাৰতীয় দলে তিনিটা স্বৰ্ণ, চাৰিটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আজি ভাৰতীয় দলে তিনিটা ৰূপৰ পদকো পায়। ইলাভেনিল ভালাভিৰান, মেহুলি ঘোষ আৰু ৰমিতাই মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফ টীম ইভেণ্টত ঘৰুৱা দলৰ বিপক্ষে পৰাজিত হৈ ৰূপ অৰ্জ কৰে। সেইদৰে পুৰুষৰ ১০ মিটাৰ এয়াৰ পিষ্টল টীম ইভেণ্ট আৰু মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টল টীম ইভেণ্টত ৰূপ পায়।

# ইংলণ্ডক ২৪৬ ৰাণত বান্ধি ৰাখিলে ভাৰতে




**নিউজ ব্যুৰ’**
**লণ্ডন, ১৪ জুলাই ঃ** লৰ্ডছত আজি অনুষ্ঠিত দ্বিতীয়খন এদিনীয়া মেচতো ইংলণ্ডক বৃহৎ স্ক’ৰ সংগ্ৰহ কৰিবলৈ নিদিলে ভাৰতে। প্ৰথম মেচৰ তুলনাত ইংলণ্ডে আজি কিছু উন্নত বেটিং কৰিলেও ৪৯ অভাৰত ২৪৬ ৰাণত ইনিংছ সামৰিবলৈ বাধ্য হয়। আজি টছত জয়ী হৈ ভাৰতে ঘৰুৱা দলটোক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। জেছন ৰয় (২৩) আৰু জনী বেয়াৰষ্ট’ (৩৮)ৰ মাজত প্ৰাৰম্ভিক উইকেটত ৪১ ৰাণ সংগ্ৰহ হয়। ইয়াৰ পাছতে স্পীনাৰ যুজৱেন্দ্ৰ চাহালৰ প্ৰতাপত ইংৰাজ বেটিঙত খহনীয়া আৰম্ভ হয়। দলটোৱে এটা সময়ত ১৪৮ ৰাণতে ছয় উইকেট হেৰুৱাইছিল। অৱশ্যে মঈন আলী (৪৭) আৰু ডেভিদ উইলী (৪১)য়ে কিছু দৃঢ়তা প্ৰদৰ্শন কৰি দলৰ ৰাণসংখ্যা ভদ্ৰস্থ কৰে। দুয়ো সপ্তম উইকেটত ৬২ ৰাণ যোগ দিয়ে। যদিও দুয়োৰে বিদায়ৰ লগে লগে ইংলণ্ডৰ ইনিংছো চমু হয়। চাহালে চাৰিটা তথা হাৰ্দিক পাণ্ডিয়াই তিনিটা উইকেট দখল কৰে। ইফালে, আজি বিৰাট কোহলিৰ মূল একাদশলৈ প্ৰত্যাৱৰ্তন ঘটে।

# আগন্তুক ৱেষ্টইণ্ডিজ ভ্ৰমণৰ দলত নাই কোহলি-বুমৰাহ

## ৰোহিতৰ নেতৃত্বত টি-২০ দল ঃ সুস্থতাৰ প্ৰশ্ন ৰাহুল-কুলদীপৰ

**নিউজ ব্যুৰ’**
**মুম্বাই, ১৪ জুলাই ঃ** চৰ্চা অনুসৰিয়ে আগন্তুক ৱেষ্টইণ্ডিজ ভ্ৰমণৰ পৰা বিশ্ৰাম দিয়া হ’ল প্ৰাক্তন অধিনায়ক বিৰাট কোহলি আৰু তাৰকা ফাষ্টবলাৰ যশপ্ৰীত বুমৰাহক। আজি বিচিচিআইৰ তৰফৰ পৰা ৱেষ্টইণ্ডিজৰ বিপক্ষে খেলিবলগীয়া টি-২০ শৃংখলাৰ ১৬জনীয়া দলটো ঘোষণা কৰা হয়। দলে কেৰিবিয়ান দ্বীপপুঞ্জলৈ উৰা মৰাৰ পূৰ্বে নিজৰ সুস্থতাৰ প্ৰমাণ দিব পাৰিলে কে এল ৰাহুল আৰু কুলদীপ যাদৱো দলত অন্তৰ্ভুক্ত হ’ব। কোহলি-বুমৰাহৰ লগতে স্পীনাৰ যুজৱেন্দ্ৰ চাহালকো বিশ্ৰাম দিয়া হৈছে যদিও অধিনায়ক ৰোহিত শৰ্মাকে ধৰি আন জ্যেষ্ঠ খেলুৱৈসকলে দলত স্থান পাইছে। স্পীন বিভাগত ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল আৰু ৰবি বিষ্ণ’ইৰ



লগতে আছে জ্যেষ্ঠ স্পীনাৰ ৰবিচন্দ্ৰন অশ্বিন। আয়াৰলেণ্ডৰ বিপক্ষে জাতীয় দলৰ হৈ অভিষেক ঘটোৱা গতিৰ চাঞ্চল্য উমৰান মালিকে দলত স্থান পোৱা নাই। উল্লেখ্য যে ৱেষ্টইণ্ডিজৰ বিপক্ষে এদিনীয়া মেচৰ দল আগতেই ঘোষণা কৰা হৈছিল। উক্ত দলতো কোহলি নাছিল আৰু ৰোহিতকো বিশ্ৰাম দিয়া হৈছিল। অৱশ্যে টি-২০ত ৰোহিতৰ প্ৰত্যাৱৰ্তন ঘটিল।

ঘোষিত টি-২০ দলটো— ৰোহিত শৰ্মা, ঈশান কিষাণ, সূৰ্যকুমাৰ যাদৱ, দীপক হুডা, শ্ৰেয়াছ আয়াৰ, দীনেশ কাৰ্তিক, ঋষভ পণ্ট, হাৰ্দিক পাণ্ডিয়া, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল, ৰবিচন্দ্ৰন অশ্বিন, ৰবি বিষ্ণ’ই, ভুৱনেশ্বৰ কুমাৰ, আৱেশ খান, হৰ্ষল পেটেল আৰু অৰ্শদীপ সিং। সুস্থ হ’লে থাকিব কে এল ৰাহুল আৰু কুলদীপ যাদৱ।

পূৰ্বে ঘোষণা কৰা ভাৰতৰ এদিনীয়া দলটো হৈছে— শিখৰ ধৱন (অধিনায়ক), ৰুতুৰাজ গায়কোৱাড়, শুভমন গিল, দীপক হুডা, সূৰ্যকুমাৰ যাদৱ, শ্ৰেয়াছ আয়াৰ, ঈষাণ কিষাণ, সঞ্জু ছেমছন, ৰবীন্দ্ৰ জাদেজা (সহঃ অধিনায়ক), শাৰ্দুল ঠাকুৰ, যুজৱেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, আৱেশ খান, প্ৰসিদ্ধ কৃষ্ণ, মহম্মদ ছিৰাজ আৰু অৰ্শদীপ সিং।

# ফৰ্মলৈ ওভতাৰ পথ কোহলিয়ে নিজে বিচাৰিব লাগিব ঃ গাংগুলী

**নিউজ ব্যুৰ’**
**লণ্ডন, ১৪ জুলাই ঃ** বিৰাট কোহলিয়ে ফৰ্মলৈ ওভতাৰ পথৰ সন্ধান নিজে কৰিব লাগিব বুলি মন্তব্য কৰিছে বিচিচিআইৰ সভাপতি সৌৰভ গাংগুলীয়ে। কোহলিৰ ওপৰত তেওঁৰ আস্থা আছে যদিও ভাল খেলিব নোৱাৰিলে প্ৰশ্ন উঠিবই বুলি মন্তব্য কৰি গাংগুলীয়ে কয় যে যিমান সোনকালে সম্ভৱ তেওঁ ফৰ্মলৈ উভতি আহিব লাগিব।

লণ্ডনত সংবাদ মাধ্যমৰ মুখামুখি হৈ গাংগুলীয়ে কয় যে কোহলি যে নিজৰ যোগ্যতাৰ ওজৰে-পাজৰেও নাই, সেয়া তেওঁ নিজেও ভালদৰে জানে। আন কোনোবাই কিবা কৈ দিয়াৰ প্ৰয়োজন নাই বুলি মন্তব্য কৰি প্ৰাক্তন অধিনায়কজনে কয়, ‘কোহলিয়ে নিজেই জানে যে নিজৰ মান অনুযায়ী তেওঁ খেলিব পৰা নাই। মই বিশ্বাস কৰো যে তেওঁ ভাল খেলিব, কিন্তু সেই পথ তেওঁ নিজেই বিচাৰি উলিয়াব লাগিব। বিগত ১২-১৩ বছৰে তেওঁ যিদৰে খেলি আহিছে সেই ফৰ্মলৈ তেওঁ উভতি আহিব লাগিব। কোহলিয়েই সেয়া কৰি দেখুৱাব পাৰে।’ বিবিচিআইৰ সভাপতিজনে লগতে কয় যে সকলো ক্ৰিকেটাৰৰ জীৱনলৈ উত্থান-পতন আহে। তেওঁ কয়, ‘খেলাত ভাল-বেয়া সময় আহে। শচীন, দ্ৰাৱিড়ৰ পৰা মই, সকলোৱে জীৱনলৈ বেয়া সময় আহিছে। ভৱিষ্যতেও আহিব। এয়াই খেলাৰ অংগ। সেয়ে সকলোৱে খেলপথাৰত নামি কেৱল নিজৰ খেলা খেলিব লাগিব।’ উল্লেখ্য যে সাম্প্ৰতিক ব্যৰ্থতাৰ বাবে বিভিন্নজনে কোহলিক সমালোচনা কৰিছে, আনকি বাদ দিয়াৰো দাবী তুলিছে। গাংগুলীয়ে অৱশ্যে তেওঁৰ কাষত থিয় দি কয়, ‘আন্তৰ্জাতিক ক্ৰিকেটত কোহলিৰ ৰাণ চাওক। এয়া এজন ভাল ক্ৰিকেটাৰ অবিহনে সম্ভৱ নহয়। তেওঁ এটা বেয়া সময়ৰ মাজেৰে অতিবাহিত কৰিছে। সেয়া তেওঁ নিজেও জানে। অৱশ্যে তেওঁ নিশ্চিতভাৱে বেয়া সময় দূৰ কৰিব।’

# ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিক্‌ছত শিৱসাগৰৰ খেলুৱৈৰ সাফল্য

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৪ জুন ঃ** বদোদৰাৰ স্বৰ্ণিম গুজৰাট ক্ৰীড়া বিশ্ববিদ্যালয়ৰ খেলপথাৰত যোৱা ১৬ জুনৰ পৰা চাৰি দিনীয়াকৈ অনুষ্ঠিত প্ৰথম ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিক্‌ছ প্ৰতিযোগিতাত শিৱসাগৰৰ ছজনীয়া দলটোৱে বিশেষ সফলতা অৰ্জন কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। দলটোৰ ৰজনী চেতিয়াই দুটা ৰূপ, দীপালী ভাগৱতী বৰুৱাই এটা ৰূপ, এটা ব্ৰঞ্জ, ভাৰতী বুঢ়াগোহাঁয়ে এটা সোণ, এটা ৰূপ, মনীষা গগৈয়ে এটা সোণ, এটা ব্ৰঞ্জ, মিনু গোহাঁয়ে এটা সোণ, এটা ব্ৰঞ্জ, নিৰু ফুকনে এটা ৰূপ, এটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

## নটৱেষ্ট ট্ৰফীত ঐতিহাসিক জয়ৰ ২০ বছৰ সম্পূৰ্ণ

# গাংগুলীক বিশেষ সন্মান ব্ৰিটিছ সংসদৰ



**নিউজ ব্যুৰ’**
**লণ্ডন, ১৪ জুলাই ঃ** ঐতিহাসিক নটৱেষ্ট ট্ৰফী জয়ৰ ২০ বছৰ সম্পূৰ্ণ হোৱা দিনটো স্মৰণীয় হৈ ৰ’ল সৌৰভ গাংগুলীৰ বাবে। বিচিচিআইৰ সভাপতিজনক কালি ব্ৰিটিছ সংসদে বিশেষভাৱে সন্মানিত কৰে। ব্ৰিটিছ সাংসদসকলে কালি তেওঁক ‘বেংগল্‌ছ প্ৰাইড’ সন্মান প্ৰদান কৰে।

প্ৰতি বছৰে ব্ৰিটিছ সংসদে যিকোনো ক্ষেত্ৰৰ একোজন বিশিষ্ট ব্যক্তিক সন্মানিত কৰে। এই বছৰ এই বিশেষ সন্মানৰ বাবে নিৰ্বাচিত কৰা হয় গাংগুলীক। উল্লেখ্য যে ২০০২ৰ ১৩ জুলাইত গাংগুলীৰ নেতৃত্বতে ভাৰতে প্ৰায় অসম্ভৱ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ঐতিহাসিক জয় অৰ্জন কৰিছিল। মহম্মদ কাঈফ আৰু যুৱৰাজ সিঙৰ অসাধাৰণ বেটিঙৰ সহায়ত ভাৰতে তিনি শতাধিক ৰাণৰ লক্ষ্য অতিক্ৰম কৰিছিল। অথচ এটা সময়ত কম ৰাণতে পাঁচ উইকেট হেৰুৱাই ভাৰত গভীৰ বিপদত পৰিছিল। সেই নাটকীয় বিজয়ৰ পাছতে লৰ্ডছৰ বেলকনীত গাংগুলীয়ে জাৰ্ছি খুলি উচ্ছ্বাস প্ৰদৰ্শন কৰা ঘটনা আজিও ক্ৰিকেটপ্ৰেমীৰ মনত সজীৱ হৈ আছে। সেই দিনটোতেই ব্ৰিটিছ সংসদৰ দ্বাৰা সন্মানিত হৈ স্বাভাৱিকতে আনন্দিত বুলি জনায় গাংগুলীয়ে।

# আঢ়ৈ বছৰৰ পাছত কোৱাৰ্টাৰ ফাইনেলত ছাইনা

## দ্বিতীয় ৰাউণ্ডত পৰাস্ত অস্মিতা ঃ সিন্ধু-প্ৰণয়ৰ অগ্ৰগতি

**নিউজ ব্যুৰ’**
**ছিংগাপুৰ, ১৪ জুলাই ঃ** সুদীৰ্ঘ আঢ়ৈ বছৰৰ পাছত কোনো ছুপাৰ-৫০০ বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিলে ছাইনা নেহৱালে। আঘাত, দুৰ্বল ফৰ্মত দীৰ্ঘদিন ধৰি জৰ্জৰিত হৈ থকা ভাৰতীয় তাৰকাগৰাকীয়ে চলিত ছিংগাপুৰ অপেন ছুপাৰ-৫০০ বেডমিণ্টনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজিৰ দ্বিতীয় ৰাউণ্ডৰ খেলত লণ্ডন অলিম্পিকৰ ব্ৰঞ্জ বিজয়ী ছাইনাই বিশ্বৰ ন নম্বৰ ৰেংকিঙৰ চীনা খেলুৱৈ হে বিং জিয়াওক তুমুল প্ৰতিদ্বন্দ্বিতাৰ অন্তত ২১-১৯, ১১-২১, ২১-১৭ পইণ্টৰ ব্যৱধানত পৰাজিত কৰে। উল্লেখ্য যে বিগত তিনি বছৰত ছাইনাৰ উল্লেখনীয় সাফল্য হৈছে যোৱা বছৰৰ অৰ্লিন্স মাষ্টাৰ ছুপাৰ-১০০ প্ৰতিযোগিতাত ছেমিফাইনেলত প্ৰৱেশ। অৱশ্যে ছুপাৰ-৫০০ প্ৰতিযোগিতাত তেওঁ অন্তিমবাৰলৈ ২০২০ৰ আৰম্ভণিতেই শেষবাৰলৈ কোৱাৰ্টাৰ ফাইনেল খেলিছিল।

ভাৰতৰ আন দুই তাৰকা পি ভি সিন্ধু আৰু এইছ এছ প্ৰণয়ো প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত উপনীত হৈছে। সিন্ধুৱে আজিৰ দ্বিতীয় ৰাউণ্ডৰ খেলত ভিয়েটনামৰ থুই লিন এনগুয়েনক ১৯-২১, ২১-১৯, ২১-১৮ পইণ্টত হৰুৱায়। আনহাতে, পুৰুষৰ ছিংগল্‌ছৰ দ্বিতীয় ৰাউণ্ডৰ খেলত প্ৰণয়ে প্ৰতিযোগিতাৰ তৃতীয় বাছনিপ্ৰাপ্ত তথা বিশ্বৰ চতুৰ্থ ৰেংকিঙৰ খেলুৱৈ চৌ টিয়েন চেনক ১৪-২১, ২২-২০, ২১-১৮ পইণ্টত পৰাজিত কৰে। উল্লেখ্য যে তিনি সপ্তাহত প্ৰণয়ে দ্বিতীয় বাৰলৈ চাইনিজ টাইপেইৰ তাৰকাজনক পৰাজিত কৰে।

অৱশ্যে আজিৰ দিনটো মধুৰ নহ’ল কালি বিশ্বৰ আগশাৰীৰ খেলুৱৈক পৰাজিত কৰি বৃহৎ অঘটন ঘটোৱা অসমৰ অস্মিতা চলিহা আৰু মিঠুন মঞ্জুনাথৰ বাবে। দুই প্ৰতিভাৱান খেলুৱৈয়ে আজি প্ৰথম ৰাউণ্ডৰ প্ৰদৰ্শনৰ মান অব্যাহত ৰাখিব নোৱাৰি প্ৰতিযোগিতাৰ পৰা বিদায় লয়। চীনৰ হান ইইউইয়ে অস্মিতাক ২১-৯, ২১-১৩ পইণ্টত পৰাজিত কৰে। আনহাতে, কালি কিদাম্বি শ্ৰীকান্তক পৰাজিত কৰা মিঠুনে আজি আয়াৰলেণ্ডৰ এনহাট এনগুয়েনৰ বিপক্ষে ১০-২১, ২১-১৮, ১৬-২১ পইণ্টত পৰাজিত হয়। ইফালে, পুৰুষ ডাবল্‌ছত ভাৰতৰ এমআৰ অৰ্জুন আৰু ধ্ৰুৱ কপিলাই ষষ্ঠ বাছনিপ্ৰাপ্ত মালয়েছিয়াৰ যুটি গ’হ ছে ফেই আৰু নুৰ ইজ্জুদিনক ১৮-২১, ২৪-২২, ২১-১৮ পইণ্টত পৰাজিত কৰে।



# আন্তঃক্লাব ফুটবলৰ ফাইনেলত অভিনন্দন

**ষ্টাফ ৰিপ’ৰ্টাৰ**
**যোৰহাট, ১৪ জুলাই ঃ** অভিনন্দন ফুটবল দলে মাউতগাঁও যুৱক সংঘক ২-০ গ’লত পৰাস্ত কৰি অমিয় বৰা, লাচিত বৰা, ধনাই দত্ত, জয়ন্ত বৰা সোঁৱৰণী প্ৰাইজমানি আন্তঃক্লাব ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উত্তৰ-পূব ক্ৰীড়া সন্থাৰ উদ্যোগত বাহনা খেলপথাৰত অনুষ্ঠিত তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলখনত অভিনন্দন ক্লাবৰ হৰেন গুৱালাই দুটাকৈ গ’ল দি দলটোক ফাইনেলত উপনীত কৰায়। আজিৰ খেল পৰিচালনা কৰে কুশল মিলিয়ে। লাইনত থাকে ত্ৰিনুজ বৰা আৰু অনিল শইকীয়া। প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেল খেল কাইলৈ ৰিইউনিয়ন আৰু ৰংদৈ ভল্‌ভ’ ক্লাবৰ মাজত অনুষ্ঠিত হ’ব।

# ‘এ’ ডিভিজন ফুটবল লীগ

**ষ্টাফ ৰিপ’ৰ্টাৰ**
**যোৰহাট, ১৪ জুলাই ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা ‘এ’ ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত আজি ‘এ’ গ্ৰুপৰ ভিক্টোৰিয়াছ ক্লাব আৰু বৰভেটা স্প’ৰ্টচ ক্লাবৰ খেলখন ১-১ গ’লত ড্ৰ হয়। ১৭ মিনিটত বাস্তৱ দাসৰ গ’লৰ সহায়ত ভিক্টোৰিয়াছে অগ্ৰগতি লাভ কৰে। যদিও ৩১ মিনিটত বৰভেটাৰ লোহিত হেংৰমে খেলখনত সমতা কৰে।

# জাপানক হৰুৱাই মহিলা বিশ্বকাপ হকীত নৱম স্থান ভাৰতীয় দলৰ



**নিউজ ব্যুৰ’**
**টেৰাছা (স্পেইন), ১৪ জুলাই ঃ** নৱম স্থানত থাকি মহিলা হকী বিশ্বকাপৰ অভিযান সামৰিলে ভাৰতে। কোৱাৰ্টাৰ ফাইনেলৰ আশা নিৰ্বাপিত হোৱাৰ পাছত ভাৰতে নৱমৰ পৰা ষষ্ঠদশ স্থান দখলৰ দৌৰত দুখন মেচত জয়লাভ কৰে। কানাডাৰ পাছত ভাৰতীয় মহিলা দলটোৱে কালিৰ খেলত জাপানক ৩-১ গ’লত পৰাজিত কৰে। কালি ভাৰতৰ হৈ ৩০ আৰু ৪৫ মিনিটত দুটা গ’ল দিয়ে নৱনীতে। আনহাতে, ৩৮ মিনিটত আন এটা গ’ল দিয়ে দীপ গ্ৰেচ এক্কাই। উল্লেখ্য যে ২০ মিনিটতে য়ু আছাইৰ গ’লেৰে জাপান আগবাঢ়ি গৈছিল। যদিও খেলখনত দুৰ্দান্ত প্ৰত্যাৱৰ্তন ঘটাই ভাৰতে বিজয় সাব্যস্ত কৰে।

# ৰাজনীতিত যোগ দিয়াৰ ইংগিত দিলে গাভাস্কাৰে

**নিউজ ব্যুৰ’**
**বাংগালুৰু, ১৪ জুলাই ঃ** এইবাৰ ৰাজনীতিত যোগ দিয়াৰ ইংগিত দিলে কিংবদন্তি ক্ৰিকেটাৰ সুনীল গাভাস্কাৰে। ভাৰতৰ প্ৰাক্তন অধিনায়ক তথা বিশ্বৰ সৰ্বকালৰ অন্যতম শ্ৰেষ্ঠ অপেনাৰজনক কালি আৰএছএছৰ তৰফৰ পৰা সান্মানিক ডক্টৰেট প্ৰদান কৰে। বাংগালুৰুৰ শ্ৰীসত্য বিশ্ববিদ্যালয়ত গাভাস্কাৰসহ ছজনক এই সন্মান প্ৰদান কৰে আৰএছএছৰ মুৰব্বী মোহন ভাগৱতে। সন্মান গ্ৰহণ কৰি কিংবদন্তি বেটাৰজনে কৰা এক মন্তব্যই তেওঁ ৰাজনীতিত যোগ দিয়াৰ ইংগিত দিয়া বুলি বহুতে ধাৰণা কৰিছে। উচ্ছ্বাস প্ৰকাশ কৰি গাভাস্কাৰে কয়, ‘পৰৱৰ্তী সময়ত নতুন পথেৰে আগুৱাই যোৱাৰ দিশত এই পুৰস্কাৰে মোক প্ৰেৰণা যোগাব।’ উল্লেখ্য যে প্ৰায় ৩৫ বছৰৰ পূৰ্বেই আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰা গাভাস্কাৰে এতিয়াও সক্ৰিয়ভাৱে ক্ৰিকেটৰ ধাৰাভাষ্য দি আহিছে। ইয়াৰ আগলৈকে কিংবদন্তি ক্ৰিকেটাৰজনে কেতিয়াও ৰাজনীতিৰ স’তে জড়িত হোৱা নাছিল। আনকি কেতিয়াও তেওঁ কোনো ৰাজনৈতিক দলৰ প্ৰতি ৰাজহুৱাকৈ সমৰ্থন আগবঢ়োৱা নাছিল। এতিয়া আৰএছএছৰ এই সন্মানৰ পাছত গাভাস্কাৰে বিজেপিত যোগ দিব পাৰে বুলি চৰ্চা আৰম্ভ হৈছে।

# বিগত ২৫ বছৰত প্ৰথমবাৰলৈ ৰেংকিং তালিকাত নাই ফেডেৰাৰ

**নিউজ ব্যুৰ’**
**জুৰিখ, ১৪ জুলাই ঃ** সুদীৰ্ঘ ২৫ বছৰৰ পাছত প্ৰথমবাৰলৈ ৰজাৰ ফেডেৰাৰৰ নাম অবিহনেই পুৰুষ টেনিছ অভিভাৱক সংস্থা এটিপিয়ে প্ৰকাশ কৰিলে ৰেংকিং তালিকা। ১৯৯৭ত পেছাদাৰী টেনিছত ভৰি দিয়াৰ পাছৰে পৰা ছুইজাৰলেণ্ডৰ তাৰকা টেনিছ খেলুৱৈজনে কোনো দিনেই ৰেংকিং তালিকাৰ পৰা বাহিৰ হোৱা নাছিল। উল্লেখ্য যে ২০টাকৈ গ্ৰেণ্ড শ্লাম খিতাপৰ অধিকাৰীজনে আঘাতৰ বাবে বিগত ৫২টা সপ্তাহ ধৰি কোনো প্ৰতিযোগিতাত খেলা নাই। যোৱা বছৰৰ উইম্বলডনৰ পাছৰে পৰা তেওঁ টেনিছ ক’ৰ্টৰ



বাহিৰত আছে। ইয়াৰ ফলতে তেওঁ ৰেংকিং তালিকাৰ পৰা বাহিৰ হ’বলগীয়া হ’ল। অথচ এইজন ফেডেৰাৰেই মুঠ ৩১০টা সপ্তাহ বিশ্বৰ এক নম্বৰ খেলুৱৈ আছিল। ইয়াৰ ভিতৰত একেৰাহে ২৩৭টা সপ্তাহত তেওঁক কোনো খেলুৱৈয়ে দ্বিতীয় স্থানলৈ অৱনমিত কৰিব পৰা নাছিল। উইম্বলডন আৰম্ভ হোৱাৰ আগলৈকে ফেডেৰাৰ আছিল এটিপি ৰেংকিং তালিকাৰ শীৰ্ষ এশটা স্থানৰ ৯৭ নম্বৰত। ইয়াৰ জৰিয়তে তেওঁ কোনো গ্ৰেণ্ড শ্লামত পোনপটীয়াকৈ খেলাৰ সুযোগ পালেহেঁতেন। অথচ দুটা সপ্তাহতে তেওঁৰ নাম তালিকাৰ পৰা অন্তৰ্ধান হ’ল। উল্লেখ্য যে প্ৰতি সপ্তাহৰ আৰম্ভণিতে এটিপিয়ে আগৰ সপ্তাহৰ খেলৰ প্ৰদৰ্শনৰ ভিত্তিত খেলুৱৈক ৰেংকিং পইণ্ট প্ৰদান কৰে। বিগত ৫২টা সপ্তাহ কোনো খেলত অংশ নোলোৱাৰ বাবে ছুইজাৰলেণ্ডৰ তাৰকাজনে এইখিনি সময়ত এটাও পইণ্ট নাপালে।

# প্ৰাইজমানি নগাঁও প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ১৪ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত সঞ্জীৱন সমাজে বঢ়মপুৰৰ নৱম অসম আৰক্ষী বাহিনীক ২-০ গ’লত আৰু ষ্টাৰ স্প’ৰ্টিং ক্লাবে অম্লান গোষ্ঠীক ২-০ গ’লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। ইয়াৰে প্ৰথমখন খেলত সঞ্জীৱন সমাজৰ হৈ গ’ল দুটা দিয়ে লক্ষ্যজ্যোতি দাস (২৩ মিঃ) আৰু অৰুণ তাঁতী (৫৮ মিঃ)য়ে। সঞ্জীৱনৰ অজন্ত ৰাভা শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়। এই খেলখন পৰিচালনা কৰাত ৰেফাৰী পবিত্ৰ বৰাক সহায় কৰে কৃষ্ণকান্ত দাস, পাৰ্থজ্যোতি দাস আৰু ঘনশ্যাম দাসে (চতুৰ্থ)। আনহাতে, নৈশালোকৰ খেলখনত ষ্টাৰ স্প’ৰ্টিং ক্লাবৰ হৈ গ’ল দুটা দিয়ে বিশাল ছেত্ৰী (৩৯ মিঃ) আৰু অৰূপ বৰদলৈ (৪৭মিঃ)য়ে। নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবিন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজি নৈশালোকৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী ৰূপম বৰদলৈক সহায় কৰে শৈলেন ভূঞা, ৰয়েল ইছলাম আৰু অ’হিদুজ জামানে (চতুৰ্থ)। দ্বিতীয়খন খেলত ষ্টাৰ স্প’ৰ্টিঙৰ অৰূপ বৰদলৈ শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হয়।





